# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী

## তাৰিখ ঃ ৫/১০/২০১৮ শুকুৰবাৰ

**ইংৰাজী ০৫-১০-২০১৮ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ শৰৎ কালীন অধিবেশনৰ কাৰ্য্যবিৰৰণী আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** আজি আমাৰ অধিবেশনৰ শেষ দিন আৰু এই প্ৰশ্নখিনি আজি আমাৰ শেষ প্ৰশ্ন হ'ব এই অধিবেশনৰ। এতিয়া প্ৰশ্ন নং ১৬১, শ্ৰীশ্বেৰমান আলী আহমেদ। Minister please.

**শ্ৰীৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** চাৰ, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰী জনবিকাশ কাৰ্য্যক্ৰমৰ অধীনত আমাৰ এই চৰকাৰৰ যোৱা বছৰৰ যিখিনি ফাণ্ড আহিছিল তাতকৈ বেছি ফাণ্ডৰ যোগেদি ২১ টা Model Residential School sanction কৰাইছে, তাৰ কাৰণে মই চৰকাৰক প্ৰথমে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই কথাটো কব খুজিছো যে আমাৰ প্ৰায় ২৫ লাখ মানুহে চৰ অঞ্চলত বাস কৰে। গোটেই Miniority আৰু এই ২৫ লাখ মানুহ বাস কৰা চৰ অঞ্চলত Literacy rate টো যথেষ্ট কম। বৰপেটাত ১৭ শতাংশ, গোৱালপাৰাত ১৩ শতাংশ, ধুবুৰীত ১৪ শতাংশ। গতিকে এই Low Literacy ৰ কাৰণে জনসংখ্যা বিস্ফোৰণকে আদি কৰি বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি হয়। মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক আৰু মুখ্যমন্ত্ৰী মহোদয়ে নিশ্চয় শুনি আছে, অনুৰোধ জনাম যে এই বছৰৰ পৰা পৰৱৰ্তী পৰ্য্যায়তো প্ৰধান মন্ত্ৰী জনবিকাশ কাৰ্য্যক্ৰমৰ যোগেদি যিমান টকা আহিব, সেই টকাৰে অন্তত প্ৰতিটো সমষ্টিত এখনকৈ Model Residential School স্থাপন কৰিব নেকি? যোৱা বছৰ টকা আছিল মাত্ৰ ১০০ কোটি নে ১৫০ কোটি, কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে initiative লৈ প্ৰায় ৬০০ কোটি টকা sanction কৰাইছে। গতিকে চৰকাৰে ইচ্ছা কৰিলে পাৰিব। সেই কাৰণে মোৰ প্ৰস্তাৱটো হ'ল, আপোনাৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মন্ত্ৰী মহোদয়ক যে শিক্ষাৰ এই দুৰাৱস্থালৈ লক্ষ্য ৰাখি এই বছৰৰ পৰা অনাগত বছৰ বোৰতো প্ৰতিটো ব্লক'ত এখনকৈ Model Residential School স্থাপন কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** Thank you, Minister please.

**শ্ৰীৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই প্ৰধান মন্ত্ৰীৰ জনবিকাশ কাৰ্য্যক্ৰম যি আমাৰ কাৰ্য্যসূচী আমাৰ এইটো MSDP আছিল বৰ্তমান আমাৰ প্ৰধান মন্ত্ৰীৰ জনবিকাশ কাৰ্য্যক্ৰমৰ অধীনত এই আঁচনিটো চলিছে আৰু ২০১৭-১৮ বৰ্ষত ২১ খন Model Residential School আমাৰ অসমত বিভিন্ন যিবিলাক আমাৰ MSDP Block আছে, সেই ব্লক বিলাকত আমি আৰম্ভ কৰিবলৈ কৈছো। এই Model Residential School ৰ এখন স্কুলৰ project cost হ'ল ৩০ কোটি ৪২ লাখ টকা। ৪০০ ছাত্ৰ-ছাত্ৰী তাত থাকিব পাৰিব Residential, আমি ২১ খনৰ ভিতৰত ৩ খন Model Residential School ছোৱালীৰ কাৰণে আমি সংৰক্ষিত কৰিছো। এখন সুন্দৰ স্কুল, আমাৰ ইতিমধ্যে tender pro-

cess চলিছে, আমাৰ গড়কাপ্তানী বিভাগৰ যোগেদি টেণ্ডাৰৰ প্ৰক্ৰিয়া আমি আৰম্ভ কৰিছো আৰু নবেম্বৰ মাহ মানৰ ভিতৰত আমি সোনকালে কাম আৰম্ভ কৰিম। এতিয়া কথা হ'ল যে ২১ খন Model Residential School যিবিলাক আমাৰ চৰকাৰ অহাৰ পিছত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তৎপৰতাত, তেখেতে প্ৰচেষ্টা লোৱাৰ কাৰণে আমি ইমান বিহত সংখ্যক প্ৰায় ৬৩০ কোটিত কৈ অধিক টকা আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবৰ কাৰণে সক্ষম হৈছো। মাননীয় অধ্যক্ষ মহোদয়, টেলেংগেনা ৰাজ্যত এই Model Residential School ৰ project cost হ'ল ১৮ কোটি টকা। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাত এই Model Residential School ৰ project cost হ'ল ৩০ কোটি ৪২ লাখ টকা। গতিকে আমি টেলেংগেনাতকৈ অধিক টকা আনিবলৈ সক্ষম হৈছো। এতিয়া মাননীয় বিধায়ক ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, যে প্ৰত্যেকটো সমষ্টিত একোখনকৈ Model Residential School কৰাৰ কাৰণে। এতিয়া আমাৰ ২১ খন জিলাত, যি আমাৰ প্ৰধান মন্ত্ৰীৰ জনবিকাশ কাৰ্য্যক্ৰম ৰ যিকেইখন জিলা আছে, আমি ২১ খন Model Residential School তৈয়াৰ কৰিছো, তেখেতৰ সমষ্টিৰো এটা প্ৰস্তাৱ আছে, তেখেতেওঁ মোক এটা প্ৰস্তাৱ দিছিল, ইয়াত উল্লেখও কৰা আছে, তেখেতে প্ৰশ্ন কৰিছে গতিকে মই উত্তৰটো আগতীয়াকৈ তেখেতক দি দিছো। ইতিমধ্যে আমি তেখেতৰ যি প্ৰস্তাৱ আছিল সেই প্ৰস্তাৱটো জিলা উপায়ুক্তৰ কাৰ্য্যালয়লৈ প্ৰেৰণ কৰিছো আৰু আমাৰ প্ৰধান মন্ত্ৰীৰ জনবিকাশ কাৰ্য্যক্ৰম ৰ এটা নিয়ম আছে, যে Block Level Committee, District Level Committee and State Level Committee, Block Level Committeeৰ পৰা sanction হোৱাৰ পিছত District Level Committee য়ে DC য়ে এই প্ৰজেক্টটো sanction কৰে, তাৰ পিছত State Level Committee আমাৰ সভাপতি আৰু মুখ্যসচিব ডাঙৰীয়া। গতিকে আমি ইয়াৰ পৰা State Level Committee লৈ পঠাই দিয়াৰ পিছত কেন্দ্ৰীয় চৰকাৰে এইটোৰ প্ৰস্তাৱ বিলাক গ্ৰহণ কৰে। গতিকে মাননীয় সদস্য গৰাকীক মই অনুৰোধ কৰিম যে তেখেতে জিলা উপায়ুক্তৰ লগত যোগাযোগ ৰাখি, মইও লাগিলে জিলা উপায়ুক্তক কম যে তেখেতৰ প্ৰস্তাৱটো সোনকালে পঠাই দিয়ক। আজি আমাৰ এখন বৈঠক চলি আছে, Zonal মিটিং এখন হৈ আছে আমাৰ কেন্দ্ৰীয় মন্ত্ৰী ডাঙৰীয়া যোৱাকালি আহিছে, আমি প্ৰস্তাৱ দিছো যে যিবিলাক আমাৰ minority area ৰ শিক্ষাৰ যিটো হাৰ থাকিব লাগে, স্বাক্ষৰতাৰ যিটো হাৰ, আমি কিছুমান স্কুল কৰিবৰ কাৰণে প্ৰস্তাৱ দিছো আমাৰ কেন্দ্ৰীয় চৰকাৰক, আজি আমাৰ গোটেই কথাখিনি আলোচনা হ'ব। মই ভাৱো পৰৱৰ্তী পৰ্য্যায়ত পৰ্য্যায়ক্ৰমে আমি এইবিলাক ব্যৱস্থা কৰিবৰ কাৰণে সক্ষম হম।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি আশ্বাস দিছে তাৰকাৰণে মই ধন্যবাদ জনালো আৰু আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে এই বছৰতে মোৰ Model Residential School টো হয়, এইখিনিয়ে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, Thank you. এতিয়া হাফিজ বছিৰ আহমেদ ডাঙৰীয়া।

**শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি MSDPৰ অধীনৰ Model Residential School ৰ লগতে মই এটা প্ৰশ্ন কৰিব বিচাৰিছো। MSDPৰ অধীনত একাধিক ITI প্ৰতিষ্ঠা কৰা হৈছে, কলেজ আৰু Higher Secondary ত Girls Hostel বনোৱা হৈছে। কিন্তু দেখা গৈছে প্ৰায়বোৰ ITI এতিয়ালৈকে আৰম্ভই হোৱা নাই। মোৰ সমষ্টিত আজি

সেইটো compulsion হোৱাৰ ২ বছৰ হোৱাৰ পিছতো তাৰ Infrastructure যিবোৰ আছে, সেইবোৰ নষ্ট হোৱাৰ পথত। কিন্তু এতিয়ালৈকে মই দুবাৰ সদনত প্ৰশ্ন কৰিলো উত্তৰ একেটাই যে process is going on, recruitment হৈ আছে। কিন্তু তাত এতিয়া আৰ্মী কেম্প বনাই সেইটোৰ অৱস্থাই বেয়া। অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে এনেকুৱা ITI কিমান খন আৰম্ভ হোৱা নাই আৰু কিমানটা হোষ্টেল এতিয়ালৈকে পৰিতক্ত অৱস্থাত আছে আৰু সেই বোৰ কেতিয়ালৈকে কাম আৰম্ভ কৰা হ'ব বা শিক্ষাদান আৰম্ভ কৰা হ'ব এই সম্পৰ্কে কিবা time frame বা কিবা আশ্বাস দিব নেকি মন্ত্ৰী মহোদয়ে ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই যিটো প্ৰস্তাৱ কৰিছে, ITI ৰ কথাটো কৈছে আৰু যিবিলাক Girls Hostel ৰ কথা কৈছে, মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনি বিলাক ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭ বৰ্ষত আৰম্ভ হৈছে আৰু Block Level Committee, District Level Committee য়ে selection কৰি দিয়া ঠাইত, যিবিলাক স্কুলত প্ৰকৃততে Girls Hostel লাগে, য'ত ছোৱালী বিলাক থাকিবলৈ আহি পঢ়া শুনাৰ ক্ষেত্ৰত তেওঁলোকৰ সুবিধা হয়। সেই যিবিলাক লিষ্ট তৈয়াৰ কৰা হৈছে সেই বিলাক Block Level Committee, District Level Committee য়ে selection কৰি দিয়া লিষ্ট খনকে আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিলো। District Level Committee ত আমাৰ সন্মানীয় বিধায়ক সকলৰ যি MSDP ৰ ব্লক আছে, প্ৰধান মন্ত্ৰীৰ জনবিকাশ কাৰ্য্যক্ৰমৰ যিবিলাক ব্লক আছে, সেই ব্লক বিলাকত সন্মানীয় সদস্য সকল তাৰে Member হয়। গতিকে স্কুল বিলাক মাননীয় বিধায়ক সকলেই selection কৰিছে। কিন্তু ITIৰ ক্ষেত্ৰত আমি চাইছো যে ১১ খন আমাৰ ITI ইতিমধ্যে প্ৰধান মন্ত্ৰীৰ জনবিকাশ কাৰ্য্যক্ৰমত চলি আছে। তাৰ ভিতৰত আমাৰ ৪ খন ITI ৰ ইতিমধ্যে Skill Development ৰ Center ৰ কাৰণে আমি তেওঁলোকক ব্যৱস্থা কৰিবৰ কাৰণে কৈছো। ইতিমধ্যে আমাৰ উদ্যোগ বিভাগৰ লগত আমাৰ এটা বুজাবুজি হৈছে যে আমি ITI বিলাক সম্পূৰ্ণ কৰি দিম । তেওঁলোকে তাত Skill Development ৰ Center বিলাক তাত আৰম্ভ কৰিব। তেখেতে Girls School ৰ অৱস্থাৰ কথা বিলাক তেওঁলোকে কৈছে, যে ইয়াত ডাঙৰ কথাটো হৈছে গোটেই পইচাটো খৰচ কৰা হয় DC ৰ যোগেদি। DC য়ে সেইটো Department ৰ PWD Building ৰ যোগেদি এই বিলাক Tender Call কৰে। Tender Call কৰাৰ পিছত Tender process বিলাক কৰোতে বহুত সময় লাগে মাটিৰ allotment পাওঁতে। দ্বিতীয়তে, কিছুমান যে আধা হৈ আছে Utilization Certificate বিলাক জিলা উপায়ুক্ত সমূহৰ পৰা UC বিলাক আমি সময়মতে নাপাওঁ। যিমান টকা সেই Scheme টোত ধৰা হৈছে তাৰ যদি UC বিলাক জিলা উপায়ুক্তই সময়মতে প্ৰেৰণ কৰিলে হেতেন বা সেই প্ৰেৰণ নকৰাৰ কাৰণে আমি UC বিলাক কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব পৰা নাই কিন্তু এতিয়া UC বিলাক আহি আছে। মই যেতিয়া Review কৰাৰ পিছত জিলা উপায়ুক্ত সকলে যথেষ্ট ইয়াত তেওঁলোকে তৎপৰতা কৰিছে। UC বিলাক আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছো। খুব সোনকালে Second Installment ৰ পইচাখিনি আমি পাম। Second Installment ৰ পইচা পোৱাৰ পিছত এই কাম বিলাক সম্পূৰ্ণ হ'ব।

**মাননীয় অধ্যক্ষ** ঃ Thank You. Last Question মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল, ১৭১ ৰ Starred

Question টো। তাত আমি সুধিছিলো যে ২০১১/২০১২ Allocation কিমান আছিল, ৪,২০০ টকা Accordingly ২০১২/২০১৩ ত ৬,৩০০, ২০১৩/২০১৪ ৬,৩৫০ আৰু ২০১৫/২০১৬ ৮,১৩৩ টকা। অধ্যক্ষ মহোদয় ২০১৬, ২০১৭, ২০১৮, ২০১৯/২০২০ তাতে ২,৮০০ টকা ৩,৩০০ টকা, ৩,৬০০ টকা, তাৰ মানে অধ্যক্ষ মহোদয়, প্ৰত্যকটো বছৰে সংখ্যাটো বাঢ়ি গৈ আছে। আমাৰ অসমৰ Allocation টো কমিল কেতিয়া ১ নম্বৰ কথা। দুই নম্বৰ কথা হৈছে, Utilization ৰ ক্ষেত্ৰত আমি চাওঁ তেতিয়া হলে দেখা পাম Utilization শূণ্য। আজিলৈকে এক টকাও Utilization হোৱা নাই। আমাৰ ৫/৬ মাহ গুচি গ'ল আজিলৈকে আমি এটাকো Utilization কৰিব পৰা নাই। এই যে লেমেহীয়া অৱস্থা ইয়াৰ কাৰণটো কি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। দ্বিতীয়তে, আপাৰ আছামৰ যিখিনি Block আছে, সেইখিনি Block MSDP ত নপৰে। তাত Minority মানুহ আছে। তেখেত সকলৰ কাৰণে বেলেগ আঁচনি লৈ সেই Problem টো Solve কৰিব পাৰো নেকি? মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী ৰঞ্জিত দত্ত (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থই যিটো কৈছে, যে Fund Utilization ত ২০১৮/২০১৯ ত খৰচ কৰি আছো, ইয়াত Nil বুলি লিখা আছে, বিত্তীয় বৰ্ষটো Nil দেখাই আছে। বিত্তীয় বৰ্ষটো শেষ হ'বৰ কাৰণে ৩১ মাৰ্চ লৈ বাকী আছে। আমি ৩১ মাৰ্চৰ পিছত আমি গম পাম যে কিমান পইচা আমাৰ খৰচ হ'ল।

দ্বিতীয়তে তেখেতে আৰু এটা প্ৰশ্ন কৰিছে যে Upper Assam যি বিলাক Block আছে এই বিলাক MSDP বা প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যাক্ৰমত আমি অন্তৰ্ভুক্ত কৰিব পাৰো নেকি? প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যাক্ৰমত আমি অন্তৰ্ভুক্ত হ'বৰ কাৰণে ২৫ শতাংশ ৰ ওপৰত আপোনাৰ Minority অধ্যূষিত অঞ্চল হব লাগে। ইয়াত Minority বুলি ক'লে অকল মুছলমানে নহয়, তাত খ্ৰীষ্টানো থাকিব বা আমাৰ জৈন সম্প্ৰদায় থাকিব বৌদ্ধ ধৰ্মাৱলম্বীও থাকিব। গতিকে তেনেকুৱা যদি কোনোৱা Block ত ২৫ % ৰ ওপৰত যদি Population Minority আছে, তেতিয়া হ'লে আমাৰ বিভাগৰ লগত যোগাযোগ আমি ৰাখিলে নিশ্চয় আমি এইটো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিম আৰু কেন্দ্ৰীয় চৰকাৰে অনুমতি দিলে আমি সেই Block বিলাক অন্তৰ্ভূক্ত কৰিম।

**মাননীয় অধ্যক্ষ** ঃ Question No. 162 মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত দত্ত (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই প্ৰশ্নৰ উত্তৰত যিটো দিয়া আছে, মুছলমান খ্ৰীষ্টান, শিখ, জৈন, বৌদ্ধ আৰু পাৰ্চি এই মিলাই অসমত প্ৰায় ৩৮ শতাংশ সংখ্যালঘু আছে। মই জানিব বিচাৰিছো যে, সংখ্যালঘু সকল পশ্চাতপদ হোৱাৰ প্ৰধান কাৰণ কি আৰু কোন জনগোষ্ঠী কিমান পিছপৰি আছে তাৰ প্ৰকৃত কাৰণ কি এই বিষয়ে চৰকাৰৰ কিবা অধ্যয়ন আছে নে নাই। সেই সম্পৰ্কে কিবা পৰিকল্পনা কৰিছে নে নাই? এইটো দেখা গ'ল যে এই পশ্চাতপদতাৰ কাৰণ সমূহ অধ্যয়ন কৰি চৰকাৰে গঠনমূলক পৰিকল্পনা কৰা নাই ইয়াত যিটো দিছে। আৰু অন্য যি বিলাক ফাণ্ড আহে এই ফাণ্ডৰ পৰা মানে অংগনবাড়ী কেন্দ্ৰ বা নাৰ্চ এনেকুৱা কিছুমান গতানুগতিক কাম কৰি থকা হয়, আচলতে আমি বিচাৰিছো যে এই বিভাগটোৱেই অধ্যায়ন কৰি কোন জনগোষ্ঠীক কিমান পিছপৰি আছে Master plan বনাই কিবা যদি Special Agenda ল'ব পাৰে তেতিয়াহে ভাল হ'ব। এই বিষয়ে চৰকাৰে এটা Master plan বনাব লাগে। এই ৬টা জনগোষ্ঠীৰ পশ্চাতপদতাৰ কাৰণ বিলাক পৰ্য্যালোচনা কৰি তাতে Special কিবা ব্যৱস্থা ল'ব পৰা যায় নেকি?

**শ্ৰী ৰঞ্জিত দত্ত (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম

ডাঙৰীয়াই প্ৰশ্ন কৰিছে যে 38 % Minority আমাৰ অসমত আছে। ইয়াৰ ভিতৰত মুছলমান খ্ৰীষ্টান, শিখ, জৈন, বৌদ্ধ আৰু পাৰ্চি সম্প্ৰদায়ৰ লোক সকল Minority হিচাপে ইয়াত তেওঁলোকে অৱস্থিত আছে। আমাৰ জৰীপৰ কথাটো তেওঁলোকে কৈছে, আমি ২০০০/২০০৩ বৰ্ষত চৰ অঞ্চলৰ আৰ্থ সামাজিক পিয়লৰ লগত জৰীপ কৰা হৈছে। এতিয়া আমি পুনৰ ২০১৮/২০১৯ বৰ্ষত চৰ অঞ্চলৰ আৰ্থ-সামাজিক পিয়লৰ বাবে Amiyo Kumar Das Institute of Social Science ৰ জৰিয়তে জৰীপৰ কাম আৰম্ভ হৈছে। আমি চৰ অঞ্চলত যি সকল সংখ্যালঘু লোক আছে তেওঁলোকক আমি জৰীপ লবৰ কাৰণে আমি ২০১৮/২০১৯ বৰ্ষত এই প্ৰতিষ্ঠানটোক নিয়োগ কৰিছো। ইতিমধ্যে জৰীপৰ কাম চলি আছে। গতিকে বাকী যিখিনি তেখেতে Scheme ৰ কথা কৈছে, যে অংগনবাড়ী চেণ্টাৰ Additional Class Room ইতিমধ্যে আগৰ MSDP শিতানৰ পৰা বহুত লোৱা হৈছে। খোৱা-পানীৰ ব্যৱস্থা লোৱা হৈছে, ২০০৭/২০০৮ বৰ্ষত IAY ৰ ঘৰো লোৱা হৈছিল। যত ৩৬/৩৮ হাজাৰ টকা ধাৰ্য্য কৰা হৈছিল। গতিকে এতিয়া কেন্দ্ৰীয় চৰকাৰে আমাক এটা নিৰ্দেশ দিছে যে Scheme বিলাক বিশেষকৈ এতিয়া প্ৰধান মন্ত্ৰীৰ জন বিকাশ কাৰ্যক্ৰমৰ যোগেদি যিটো টকা আমাক কেন্দ্ৰীয় চৰকাৰে দিম বুলি কৈছে, এই Scheme বিলাক ৩ টা Sector ত। Health, Education & Skill Development আৰু লগতে যি বিলাক ডাঙৰ ডাঙৰ বজাৰ আছে য'ত আমাৰ উপাৰ্জন কৰিব পাৰো। সেই বিলাক অঞ্চলত আমাক এই Scheme বিলাক লববৈলে কৈছে। কেন্দ্ৰীয় চৰকাৰে কৈছে আপোনালোকে Scheme বিলাক ডাঙৰ লওঁক। যদি হস্পিতালত ৰোগী থাকিবৰ কাৰণে তেনেকুৱা অসুবিধা আছে Doctor Quarter সেই তেনেকুৱা নতুন হস্পিতাল বিলাক লবৰ কাৰণে কৈছে। Skill Development ৰ Training কাৰণে Block পৰ্য্যায়ত আপোনালোকে Scheme লওঁক। ডাঙৰ বজাৰ বিলাকত ১ কোটি ২কোটি কৈ টকা লওঁক। ডাঙৰ বজাৰ বিলাকত যি বিলাক মন্দি বহে সেই মন্দি বোৰ আহি পেলাই গাওঁৰ লোক সকলে বস্তু বিক্ৰী কৰিবলৈ সুবিধা পায়। তেনেকুৱা Scheme ল'বলৈ কৈছে। আমি এতিয়া এটা নতুন আঁচনি লৈছো। মই মাননীয় বিধায়ক সকলোকো অনুৰোধ কৰিম যিহেতু তেওঁলোকে District Committee ৰ Member হয় তেওঁলোকে যাতে Scheme বিলাক ডাঙৰ লয়। সৰু Scheme যাতে নলয়, সৰু Scheme ললে অসুবিধা হয়। ডাঙৰ Scheme ললে কামটো দেখা পোৱা যায়। গতিকে আপোনালোকে যাতে মই অনুৰোধ কৰিছো, পৰৱৰ্তী পৰ্য্যায়ত আপোনালোকে যিখিনি Scheme ৰ তালিকা দাখিল কৰিব তেতিয়া ডাঙৰ Scheme যাতে লয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বছৰৰ এতিয়া অক্টোবৰ মাহ পৰিছে এতিয়ালৈকে MSDP শিতানত মাত্ৰ ৩৩ লাখ ৫২হাজাৰ টকা মোকলাই দিয়া হৈছে। খালী দৰমহাৰ কাৰণে আৰু মন্ত্ৰী মহোদয়ে,যিটো উত্তৰ দিছে সংখ্যালঘূসকল পিচপৰি থকাৰ আটাইতকৈ ডাঙৰ কাৰণতো হ'ল শিক্ষাৰ অভাৱ। শিক্ষাৰ ক্ষেত্ৰত সংখ্যালঘু ছাত্ৰ-ছাত্ৰীক জলপানী দিয়াৰ যিটো কথা মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে তাত দেখা গৈছে বিগত বছৰটোত প্ৰায় দুইশ কোটিৰ কেলেংকাৰী হৈছে। এই কেলেংকাৰীৰ ফলত প্ৰকৃত ছাত্ৰ-ছাত্ৰীয়ে জলপানী পোৱা নাই। ভূৱা ছাত্ৰ-ছাত্ৰীৰ নাম দি একাংশ দুষ্টচক্ৰই দুইশকোটি টকা সৰকাই লৈ গৈছে। এই কেলেংকাৰীত একাংশ শিক্ষক আৰু বিষয়া জড়িত হৈ আছে। অধ্যক্ষ মহোদয় আৰু এটা কথা জৰকাৰ্ডতো টকা সোমাইছে - ৫২ বছৰ, ৭০ বছৰ বৃদ্ধৰ একাউন্টতটো ছাত্ৰ-ছাত্ৰীৰ জলপানীৰ টকা সোমাইছে। গতিকে এই ক্ষেত্ৰত তদন্ত কৰিব বলি মুখ্যমন্ত্ৰীয়ে

কোৰা আমি শুনিছিলো। গতিকে অধ্যক্ষ মহোদয়, এই বিষয়টি তদন্ত কৰি দুষ্টচক্ৰটোক উৎখাতৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীৰণজিৎ দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিষয়টি উত্থাপন কৰাৰ বাবে মাননীয় বিধায়ক গৰাকীক ধন্যবাদ জ্ঞাপন কৰিছো। এই প্ৰশ্নটোৰ মই অপেক্ষাতে আছিলো - অধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰী জলপানী দিয়াৰ ব্যৱস্থা সম্পূৰ্ণ অনলাইনেৰে কৰা হয়। সংখ্যালঘূ ছাত্ৰ-ছাত্ৰীৰ বাবে কেন্দ্ৰীয় চৰকাৰে বহুত টকা দিছে। প্ৰি-মেট্ৰিক, পোষ্ট-মেট্ৰিক আৰু উচ্চশিক্ষাৰ কাৰণে বহু টকা দিছে। এই বিলাক কাম অনলাইন ব্যৱস্থাৰে হয়। এম.এছ.ডি. ব্লকৰ ভিতৰত যি বিলাক স্কুলৰ সেই স্কুল বিলাকৰ প্ৰধান শিক্ষকক বিলাকক এটা গোপনীয় ক'ড সংখ্যা দিয়া হয় অনলাইন প্ৰচেছ কৰাৰ কাৰণে। চি.এছ.পি চেন্টাৰ কিছুমান আছে আপোনালোকে গাওঁৰে গাঁওৱে দেখিছে নিশ্চয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক নাইবা প্ৰতিষ্ঠানটিৰ মূৰব্বী যি সকলক দায়িত্ব দিয়া হৈছে তেওঁলোকে চি.এছ.পি চেন্টাৰত থকা ডাটা অপাৰেটৰ সহযোগত অনলাইন কৰিব লাগে কিন্তু গোপনীয় ক'ডটো অকল প্ৰধান শিক্ষকজনেহে ব্যৱহাৰ কৰিব পাৰে। কিন্তু যি গোপনীয় ক'ড আছে সেই ক'ডটো চি.এছ.পি চেন্টাৰত যিবিলাকে কাম কৰে তেওঁলোকক দিয়ে আৰু তেওঁলোকে এখন স্কুলত যদি এশজন ছাত্ৰ-ছাত্ৰী আছে সেই স্কুলৰখনৰ নামত তেওঁলোকে আৰু পঞ্চাশজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ নাম সোমোৱাই দিয়ে আৰু পইচাটো লৈ আহে। এই কামটো ২০১৩-১৪, ২০১৬-১৭ লৈ বৰ্ষত বেচিঁকৈ হৈছে। তেওঁলোকে ভুৱা তালিকা প্ৰস্তুত কৰি পইচা আত্মসাৎ কৰিছে। এই বিষয়টো লৈ বহুত আৰ.টি.আই কৰিছে - বাতৰি কাকতটো লিখিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চি.আই.ডিক তদন্ত দিয়াৰ পিচত আমি দুজন আতক কৰা হৈছে। এজন মৰিগাওঁ আৰু এজন বৰপেটাৰ। বিষয়টোৰ ক্ষেত্ৰত এতিয়াও তদন্ত চলি আছে। এইবাৰ অনলাইন যিটো হৈছে সেইটো সঠিক ভাবেই হৈছে। এতিয়া আবেদন সমূহ কেন্দ্ৰীয় চৰকাৰে পৰীক্ষা-নিৰীক্ষা কৰিবৰ বাবে জিলা পৰ্য্যায়ত উপায়ুক্ত অধীনত এখন সমিতি গঠন কৰি দিছে। গতিকে আমি ভাবো এইবাৰ যিখিনি অনলাইন ব্যৱস্থা হ'ব তাত কোনো বিসংগতি নাথাকিব।

**মাননীয় অধক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩৯১ নং মোৰ তৰাবিহীন প্ৰশ্নৰ উত্তৰ দিছে যে এম.এছ.ডি.পি আঁচনি ৰূপায়ণৰ মাত্ৰ ৩৩ খন জিলাৰ ভিতৰত ১৯ খন জিলাতে কৰা হৈছে বাকীখিনিত কৰা হোৱা নাই। অধ্যক্ষ মহোদয় বিগত চৰকাৰৰ দিনটো এই আঁচনি চলি আছিল। অধ্যক্ষ মহোদয় যিবিলাক জিলাত এম.এছ.ডি.পি নাছিল তাত সংখ্যালঘু উন্নয়ন পৰিষদৰ যোগেদি কিছু আঁচনি ৰূপায়ণ কৰা হৈছিল। অধ্যক্ষ মহোদয় এই সংখ্যালঘু উন্নয়ন পৰিষদখন বিগত আঢ়ৈ বছৰ ধৰি নাই। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই পৰিষদখন কেতিয়া গঠন কৰা হ'ব আৰু ইমান দিনে বঞ্চিত হৈ থকা লোক সকলৰ বাবে পৰিষদৰ জৰিয়তে নতুনকৈ আঁচনি গ্ৰহণৰ ব্যৱস্থা কৰিব নেকি ? দ্বিতীয়তে কেইদিনমান আগতে সংখ্যালঘু শিক্ষাৰ্থীসকলে মোক আবেদন জনাইছিল জলপানীৰ ক্ষেত্ৰত। যেতিয়া মই ব'ৰ্ডৰ মানুহৰ লগত কথা পাতিছিলো তেতিয়া জানিবলৈ পালো যে আই.এছ.ক নিৰ্দ্দেশ দিয়া হৈছে আৰু আই.এছক যেতিয়া শুধিলো তেখেতে ক'লে কলেজ - বিদ্যালয় আদিৰ প্ৰধান শিক্ষকসমূহলৈ নিৰ্দ্দেশ দিয়া হৈছে। যেতিয়া কলেজৰ লগত আমি যোগাযোগ কৰিলো তেওঁলোকে ক'লে আমাক নিৰ্দ্দেশনা দিছে কিন্তু আমি কোনটো কাম কৰিম - অ'.বি.চি দিব লাগে এছ.চিক দিব লাগে সেইকাৰণে সংখ্যালঘুৰ ক্ষেত্ৰত আমাৰ অলপ অসুবিধা হৈছে। অধ্যক্ষ

মহোদয় এই বিষয়টোৰ ক্ষেত্ৰত ক'ৰবাত কিবা যোগাযোগৰ অভাৱ হৈ আছে। এই বিষয়টো চৰকাৰে জানে নেকি ? যদি জানে কি ব্যৱস্থা গ্ৰহণ কৰিব ?

**মাননীয় অধক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীৰণজিৎ দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে ১৯ খন জিলাত প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰম চলি আছে আৰু কৈছে যে মাইনৰিটি ডেভ'লপমেন্ট ব'ৰ্ড গঠন হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয় ৰাজ্যিক পৰ্য্যায়ৰ ব'ৰ্ড গঠন হৈছে কিন্তু চাব ডিভিজনৰ বিলাক হোৱা নাই এতিয়া প্ৰক্ৰিয়া চলি আছে হ'ব। এই ব'ৰ্ডৰ পৰা আমি এছ.এ.ডি.পি যিটো টকা দিছিল সেই টকাৰ পৰা আমি বি.এছ.চি নাৰ্চিং, এ.এন.এম., জি.এন.এম আদি যিবিলাক কোৰ্চ আছে সেইবিলাকৰ বাবে ব্যৱস্থা কৰা হৈছে। আমি আবেদনৰ বিজ্ঞাপন দিছিলো আৰু আবেদন আহিছে আৰু আমি অৰ্হতাৰ ভিত্তিত নামভৰ্ত্তিৰ বাবে তালিকা প্ৰস্তুত কৰিছো। ইতিমধ্যে বাতৰি কাকতটো প্ৰকাশ পাইছে - আপোনালোকে দেখা পাইছে নিশ্চয়। গতিকে বি.এছ.চি নাৰ্চিং, এ.এন.এম., জি.এন.এম, ফিজিঅ' থেৰেপি আদি তেনেকুৱা কোৰ্চ সমূহ আমি কৰিবলৈ গৈছো। অধ্যক্ষ মহোদয়, এইবাৰ আমি চৰকাৰে ৯০ শতাংশ দিম আৰু শিক্ষাৰ্থীয়ে ১০ শতাংশ দিব লাগিব এই ব্যৱস্থাটো কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীগুৰুজ্যোতি দাস।

**শ্ৰীগুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত দিয়া অনুসৰি ২০১১ বৰ্ষৰ লোকপিয়ল মতে অসমত বসবাস কৰা ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ জনসংখ্যাৰ হাৰ মুছলিমৰ ৩৪.২২ শতাংশ, খৃষ্টিয়ানৰ ৩.৭৩ শতাংশ, শিখ ০.০৫ শতাংশ, জৈন ০.০৮ শতাংশ। মোৰ প্ৰশ্নটো হৈছে ভাৰত বা অসমত কিমান শতাংশ জনসংখ্যা হ'লে সংখ্যালঘু হিচাপে বিবেচিত হয় ? এই কথাটো আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীৰণজিৎ দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সম্পূৰ্ণ তথ্য দিয়া আছে..

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে জানিব বিচাৰিছে যে - মুঠ জনসংখ্যাৰ কিমান শতাংশ এটা সম্প্ৰদায়ৰ জনসংখ্যা হ'লে, সেই সম্প্ৰদায়টো সংখ্যালঘু বুলি বিবেচিত হয় ? এই ক্ষেত্ৰত কিবা সূত্ৰ আছে নেকি ? যে মুঠ জনসংখ্যাৰ ইমান শতাংশৰ তলত হ'লে সংখ্যালঘু হিচাপে বিবেচিত হ'ব। সেইটো কওঁক।

**শ্ৰীৰণজিৎ দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত তেনে ধৰণৰ কোনো সূত্ৰ নাই।

(মাননীয় উপাধ্যক্ষ মহোদয় সভাপতিৰ আসনত উপবিষ্ট)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া চাহাবুদ্দিন আহমেদ ডাঙৰীয়াই কব।

**শ্ৰী চাহাবুদ্দিন আহমেদ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংখ্যালঘু সম্প্ৰদায়ৰ যি পশ্চাদপদতাৰ কথা কোৱা হৈছে, আচলতে Communication, Education and Health এই কেইটাই ইয়াৰ মূলকাৰণ বুলি মই ভাৱো। সেয়েহে আমাৰ অঞ্চল বোৰত যাতায়ত, শিক্ষা, স্বাস্থ্যৰ ক্ষেত্ৰত যাতে মন্ত্ৰী মহোদয়ে গুৰুত্ব প্ৰদান কৰে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, লগতে এই অঞ্চলবোৰত MSDP ৰ ফালৰ পৰা পুঁজিৰ আবণ্টন কৰি গ্ৰামাঞ্চলৰ ৰাস্তা, পদুলি সমুহৰ মেৰামতি আৰু উন্নতিকৰণৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী গড়কাপ্তানী বিভাগ ঃ** অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে যে পশ্চাদপদতাৰ মূল কাৰণটো হল শিক্ষা। সেয়েহে আমি এইবাৰ বাজেটত আমি শিক্ষা বিষয়টো ধৰিছো

আৰু ৯ (ন) খন মহিলা মহাবিদ্যালয় সংখ্যাসঘু সম্প্ৰদায়ৰ বসতি প্ৰধান এলেকাত স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে। শিক্ষাৰ ক্ষেত্ৰতো আমি ছাত্ৰ-ছাত্ৰী সকলক জলপানী দিয়াৰ বাবে আমি এইবাৰৰ বাজেটত ২.৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে। আমি এই ২.৫০ কোটি বিশেষ ভাৱে Minority Comminity ৰ ছাত্ৰী সকলৰ বাৰে সুকীয়াকৈ ধাৰ্য্য কৰা হৈছে। আমাৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে, সেইবাবে 21খন Residential School, 9 খন Women College for minority community girls সুকীয়াকৈ স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে। মই ভাৱো যে শিক্ষা,স্বাস্থ্যৰ কাৰণে যিমানখিনি কৰিবলগীয়া আছে, আমাৰ চৰকাৰে কৰিছে।

দ্বিতীয়তে,ৰাস্তাৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে প্ৰধান মন্ত্ৰীৰ জনবিকাশ কাৰ্য্যসূচীৰ Guide-line ত এনেকুৱা কোনো Provision নাই যে এই ব্যৱস্থাৰ দ্বাৰা গাওঁ অঞ্চলৰ ৰাস্তা-পদুলি আদি বনাই দিবপাৰি । প্ৰধান মন্ত্ৰীৰ জনবিকাশ কাৰ্য্যসূচী কেৱল শিক্ষা স্বাস্থ্য আৰু Skill Development ৰ ক্ষেত্ৰতহে প্ৰযোজ্য কৰিব পাৰি।

**মাননীয় অধ্যক্ষ ঃ** এই বাৰৰ Last Supplementary Question টো সুধিব ৰোজলীনা তিৰ্কীয়ে।

**শ্ৰীমতী ৰোজলীনা তিৰ্কী,বিধায়িকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে - আমাৰ সংখ্যাসঘু সম্প্ৰদায় বুলি কলে কোন কোন সম্প্ৰদায়ক Minority List ত ধৰা হয় ? মই জনাত Minority List ত মুছলিম, খ্ৰীষ্টান, শিখ, বুদ্ধিষ্ট, পাৰ্চী আৰু জৈন সম্প্ৰদায়কে ধৰা হয়, কিন্তু পাৰ্চী সম্প্ৰদায়ক বাদ দি বাকী যি সকল সম্প্ৰদায় আছে তেওঁলোক সকলোকে চৰকাৰী আঁচনি সমুহৰ সুবিধা সমানে প্ৰদান কৰা হয় নে নহয়? আঁচনি সমুহ প্ৰদান কৰোতে কি ভিত্তিত প্ৰদান কৰা হয়, কাৰণ মই দেখিবলৈ পাইছো যে এই আঁচনি সমুহত কেৱল মুছলিম সম্প্ৰদায়ৰ মানুহক খিনিকহে অগ্ৰাধিকাৰ দি থকা হয় আৰু বাকী Minority Comminity ৰ মানুহখিনিক এই ক্ষেত্ৰত Deprive কৰা যেন বোধ হয়। গতিকে মই মাননীয় মন্ত্ৰী মহোদৰ পৰা জানিব বিচাৰিছো যে Minority Comminity ৰ List ত ধৰা সকলো খিনি মানুহেই সমানে চৰকাৰী আঁচনি সমুহৰ সুবিধা লাভ কৰিব লাগে, অন্যথা এই চৰকাৰী আঁচনি সমুহ ৰূপায়ণৰ কোনো প্ৰয়োজনীয়তা নাই। ধন্যবাদ।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী গড়কাপ্তানী বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয়া বিধায়িকা ৰোজলীনা তিৰ্কী ডাঙৰীয়ানীয়ে সদনত এটা ভাল প্ৰশ্ন উত্থাপন কৰিছে। সঁচাকৈ আমাৰ সকলোৰে মনত Minority Comminity বুলি কলে কেৱল মুছলিম সম্প্ৰদায়ৰ মানুহক খিনিৰ কথাকে ভবা যায়। ইয়াত যে খ্ৰীষ্টান, শিখ, বুদ্ধিষ্ট, পাৰ্চী আৰু জৈন সম্প্ৰদায়ৰ লোক সকলো পৰে সেইটো মনলৈ নাহে। আমি বিশেষ এটা সম্প্ৰদায়ৰ নহয়, আটাইকেইটা জনগোষ্ঠীৰ কথা চিন্তা কৰিব লাগিব। MSDP অৰ্থাৎ প্ৰধান মন্ত্ৰীৰ জনবিকাশ কাৰ্য্যসূচীৰ অধীনত নতুনকৈ হোৱা ব্লক সমুহত এই সা-সুবিধা সমুহ খ্ৰীষ্টান বা বুদ্ধিষ্ট অধ্যুষিত অঞ্চল সমুহতো প্ৰদান কৰিছে। লক্ষিমপুৰত নতুনকৈ হোৱা বুদ্ধিষ্ট অধ্যুষিত ব্লক বিলাকত আমাৰ মাননীয় বিধায়ক শ্ৰী উৎপন দত্ত ডাঙৰীয়াই MSDP কাৰ্য্যসূচীৰ অধীনত বিভিন্ন আঁচনি ৰূপায়ণ কৰিবলৈ সক্ষম হৈছে। আনহাতে নাওঁবৈছা সমষ্টিটো খ্ৰীষ্টান অধ্যুষিত অঞ্চল বিলাকত MSDP কাৰ্য্যসূচীৰ অধীনত বিভিন্ন আঁচনি ৰূপায়ণ কৰিবলৈ সক্ষম হৈছে। এই প্ৰশ্নটো কৰাৰ বাবে মই মাননীয়া বিধায়িকা শ্ৰীমতী ৰোজলীনা তিৰ্কী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞপন কৰিছো। দ্বিতীয়তে , আমাৰ সংখ্যাসঘু সম্প্ৰদায় বুলি কলে কেৱল মুছলিম সম্প্ৰদায়ৰ মানুহক খিনিক অগ্ৰাধিকাৰ নিদি অন্যান্য সংখ্যাসঘু সম্প্ৰদায় যেনে খ্ৰীষ্টান, শিখ, বুদ্ধিষ্ট; জৈন এই সকলো

সম্প্ৰদায়ৰ  মানুহখিনিকো বিভিন্ন সা-সুবিধা প্ৰদান কৰি উন্নতিৰ পথত আগবঢ়ায় নিব পাৰিলেহে আমাৰ অসম খন প্ৰকৃততে উন্নতিৰ পথত আগবঢ়িব পাৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এইবাৰ Question No.163, ডাঃ নুমল মোমিন।  যোগান বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী ফণী ভূষণ চৌধুৰী, মন্ত্ৰী, যোগান বিভাগ ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ডাঃ নুমল মোমিন, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সমূহ পালো। কিন্তু প্ৰশ্ন হৈছে, আগতে দিয়া ৰেচন কাৰ্ডৰ বহু বিলাকৰে Beneficiary বৰ্তমান নাই, আৰু যিবিলাক Duplicate  Beneficiary সেইবিলাকৰো ৰেচন সমূহ সমবায় সমিতি সমূহলৈ যায়। গতিকে এই ক্ষেত্ৰত এটা ব্যাপক দুৰ্নীতি চলি আছে। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে পুৰণি ৰেচন কাৰ্ড সমুহ Varify কৰিব লাগে আৰু ৰেচন কাৰ্ড নথকা Beneficiary খিনিক নতুকৈ ৰেচন কাৰ্ড প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে। নতুন ৰেচন কাৰ্ড প্ৰদান কৰোতে কি পদ্ধতিত প্ৰদান কৰা  হব সেইবিষয়ে জনাই দিলে ভাল হয়, কিয়নো আমাৰ ওচৰলৈ বহুতো APL  বা BPLCard Holder বিভিন্ন প্ৰশ্ন লৈ আহি থাকে, তেনেক্ষেত্ৰত আমাক মন্ত্ৰী মহোদয়ে জনাই দিলে আমিও তেখেত সকলক  ভাল দৰে বুজাই দিব পাৰিম।

**শ্ৰী ফণী ভূষণ চৌধুৰী, মন্ত্ৰী, যোগান বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা ধৰণে খাদ্য সুৰক্ষা আঁচনিৰ আধীনত যিখন তালিকা আছে, সেইখন আসোৱাহপূৰ্ণ। কাৰণ তাত কিছু সংখ্যক পাব নলগীয়া মানুহৰ নাম অন্তৰ্ভুক্ত হৈ আছে আৰু কিছু পাবলগীয়া মানুহৰ নাম বাদ পৰি হৈছে। ইয়াৰ উত্তৰত মই জনাব বিচাৰো যে খাদ্য সুৰক্ষা আঁচনি যোজনাৰ হিতাধিকাৰী সমুহৰ পৰীক্ষণৰ বাবে আমাৰ বিভগৰ ফালৰ পৰা সময়ে সময়ে জিলা উপায়ুক্তলৈ নিৰ্দেশনা পঠাই থকা হৈছে। সেই মৰ্মে আচলতে বৰ্তমানলৈকে ২,৮৩,৯০৫ জন অবৈধ Card Holder ৰ নাম Delete  কৰা হৈছে আৰু ২,৮৮,১১৪ টা পৰিয়াললৈ নতুন Ration Card Issue কৰা হৈছে। আমি সমগ্ৰ অসমত প্ৰায় ২কোটি ৫২ লাখ Ration Card বিতৰণ কৰিব লাগে। আমাৰ ৰাজ্যখনত ৩, ৪৫,৩৭৪পৰিমানৰ লোকক এতিয়াও সামৰি লব পৰা নাই। যিখিনি মানুহ এতিয়াওঁ খাদ্য সুৰক্ষা আঁচনি যোজনাৰ হিতাধিকাৰীৰ তালিকাত সামৰি লব পৰা নাই ,তেখেত সকলৰ নাম সমুহ অন্তৰ্ভুক্ত কৰাৰ কাৰণে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছো লগতে জনাব বিচাৰিছো যে যি সকলৰ নামত নীতি বহিৰ্ভুত ভাবে Ration Card Issue কৰা হৈছে তেখেত সকলে নিজে নিজে Ration Card জমা দিব লাগিব নহলে আমাৰ বিভাগৰ ফালৰ পৰা FIR আদি দি হলেও Ration Card বোৰ হস্তগত কৰিব লাগিব।

**ডাঃ নুমল মোমিন,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, অবৈধ ৰেচন কাৰ্ডৰ হিতাধিকাৰীৰ মাম বাতিল কৰাৰ বাবে এই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞপন কৰিছো। কিন্তু ৰেচন কাৰ্ডৰ অন্তৰ্ভুক্ত সামগ্ৰী সমুহ আগৰ পৰিমানতে পঠিয়াই থকা হৈছে নে নতুনকৈ modefy  কৰি সামগ্ৰীৰ পৰিমানটো Reduce কৰি পঠিয়াইছে?

**শ্ৰী ফণী ভূষণ চৌধুৰী, মন্ত্ৰী, যোগান বিভাগ ঃ** আচলতে হিতাধিকাৰীৰ সংখ্যা অনুপাতে Ration Card ৰ সামগ্ৰী যোগান ধৰা হৈছে, কিয়নো ইতিমধ্যে অবৈধ হিতাধিকাৰীৰ নাম সমুহ কৰ্তন কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Regaarding this question many Hon'ble Members has raised their hands, but it is particularlyrelated to Bokajan Constitu-

ency only. So , I will not allow any one to put this question. মন্ত্ৰী মহোদয়, আপুনি নতুন ৰেচন কাৰ্ড দিয়াৰ নীতি যদি কিবা আছে সেইটো কৈ দিয়ক, তেতিয়া সকলোৰে প্ৰশ্নৰ উত্তৰ দিয়া হৈ যাব। No, it is not allowed. It is related to a particular constituency.

**শ্ৰী ফণী ভূষণ চৌধুৰী, মন্ত্ৰী ঃ** মই ইতিমধ্যে কৈছো যে আমাৰ অসমত এই আইনখনৰ জৰিয়তে ২কোটি ৫২ লাখ ১৮ হাজাৰ এজন Beneficiary য়ে পাব লাগে। কিন্তু আমাৰ এতিয়ালৈকে আছে ২কোটি ৪৮ লাখ ৭২ হাজাৰ ৬২৬। এতিয়াও আমি ৩ লাখ ৪৫ হাজাৰ ৩ শ ৭৪ জন Beneficiary আমি দিব পাৰো। কিছুমান জিলাত এনেকুৱাকৈ পাবলগীয়া আছে আৰু আমি দিব পৰা অৱস্থাত আছো কিন্তু মাজতে আমাৰ ৰেচন কাৰ্ড আঁচনিখন নাছিল। আমি এতিয়া নতুনকৈ ৰেচন কাৰ্ড চপাইছো। ৰেচন কাৰ্ড আমি জিলা সমূহক দি আছো। আমি ভাৰো যিখিনি Deviation আছে ৩ লাখ ৪৫ হাজাৰ ৩ শ ৭৪ এইখিনি অতি সোনকালে পুৰণ কৰিব পৰা যাব। মই হাউচৰ জ্ঞাতাৰ্থে এটা কথা জনাব বিচাৰিছো যে মৰিগাওঁ জিলাত ৮ খন গাওঁ পঞ্চায়তে বাচনি কৰি লৈ হাইকোৰ্ট কৰিছিল আৰু হাইকোৰ্ট কৰাৰ কাৰণে Beneficiary চিলেকশ্যন প্ৰক্ৰিয়াটো বন্ধ হৈ আছিল। আমি এই Deviation বিলাক যদি চাওঁ আটাইতকৈ Deviation আছে তিনিচুকীয়া জিলাত। তিনিচুকীয়া জিলাত ৭৯ হাজাৰ ৮ শ ৯৩ জনক সামৰি লব পৰা হৈছে। তেওঁলোকে মাজতে ৰেচন কাৰ্ড নোহোৱা বুলি কৈছিল। আমি ৰেচন কাৰ্ড যোগান ধৰিছো আৰু আমি ভাৰো যে চিলেকশ্যন প্ৰক্ৰিয়াটো চলি আছে। সেইখিনি সোনকালে দিব পৰা যাব। আনহাতে গুৱাহাটী মেট্ৰোত ৬৪,৫৮৪ জন আৰু দিব লগীয়া আছে। বিভাগৰ ফালৰ পৰা এইটো বিবেচনা কৰা হৈছে যে গুৱাহাটীত ইমান সংখ্যক বেনিফিচাৰীক দিব লগীয়া নাই। সেইকাৰণে মই মাননীয় বিধায়ক সকলক অনুৰোধ জনাইছো যে প্ৰত্যেক খন জিলাতে এনেকুৱা ধৰণে পাবলগীয়া আছে, তেওঁলোকে যাতে আমাৰ বিভাগৰ লগত যোগাযোগ কৰি এই Deviation খিনি নাইকিয়া কৰাৰ ক্ষেত্ৰত সহায় সহযোগ কৰে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৬৪। শ্ৰীসুজামুদ্দিন লস্কৰ।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী সুজামুদ্দিন লস্কৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিলে বেতন ও নিযুক্তি। মন্ত্ৰী মহোদয়ৰ উত্তৰটোত মই সন্তুষ্ট হোৱা নাই। উত্তৰটোত দিছে যে হাইলাকান্দি জিলাৰ অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলে বিগত প্ৰায় ৮ মাহ ধৰি পাৰিতোষিক নোপোৱাৰ কথাটা সত্য নহয়। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যোৱা ৭ মাহৰ পৰা দৰমহাটো পোৱা নাই। অংগনবাড়ী ৱৰ্কাৰ, হেল্পাৰৰ তিনি মাহৰ দৰমহাটো দিয়া হৈছে। যেতিয়া আমি প্ৰশ্নটো চাবমিট কৰিছো উত্তৰৰ কাৰণে আমাৰ জিলাখনত যোৱা ১ সপ্তাহ হৈছে আৰু তিনিমাহৰ দৰমহাটো দিছে। মই কৈছো যে উত্তৰটো সত্য নহয় কিন্তু প্ৰশ্নটো সত্য। এতিয়া এই ৱৰ্কাৰ, হেল্পাৰ বিলাকৰ ৱৰ্কাৰে মাত্ৰ ৪ হাজাৰ টকা পায় আৰু হেল্পাৰে ২ হাজাৰ টকা পায়। মন্ত্ৰী মহোদয়ে কৈছে যে বাকী দৰমহাটো দিয়া হ'ব। আমাৰ কথাটো হৈছে যে দূৰ্গা পূজাৰ আগত দৰমহাটো পালে ভাল হয় আৰু এটা কথা হৈছে যে ৬ টা পোষ্টৰ কাৰণে ৱৰ্কাৰ ৫ জন আৰু হেল্পাৰ ১ জনৰ কাৰণে লোকেল পেপাৰত বিজ্ঞাপন দিয়া হৈছিল। আজি এবছৰ হৈ গ'ল। ইয়াৰ পৰা ডাইৰেক্টৰত জমাও হৈছে কিন্তু অনুমোদন এতিয়াও দিয়া হোৱা নাই। এই ৬ টা চেণ্টাৰ এতিয়া বন্ধ অৱস্থাত আছে। আমি লোকেলী এৰেঞ্জ কৰিব নোৱাৰো আৰু ইয়াৰ পৰা যদি অনুমোদন দিয়া নহয় তেনেহ'লে এইকেইটা চেণ্টাৰ বন্ধ হৈ যাব। এইটো মই

আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যিমান সোনকালে হয় এই ৬ টাৰ এপ্ৰোভেলটো সোনকালে দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ৮ মাহ ধৰি দৰমহা নাই পোৱা বুলি কৈছে। এইটো ৮ মাহ নহয়, মে মাহলৈকে পাইছে আৰু বাকী ৪ মাহটো পূজাৰ আগতে দিবলৈ চেষ্টা কৰিম আৰু দ্বিতীয় প্ৰশ্নটো ৫ গৰাকী অংগনবাড়ী কৰ্মী আৰু ১ গৰাকী সহায়িকা এপ'ইণ্টমেণ্টৰ কাৰণে চেণ্টাৰৰ পৰা প্ৰজেক্টৰ পৰা পঠিয়াই দিয়া হৈছিল কিন্তু এবছৰ ধৰি নোহোৱাটো হয়। মোক এইটো বিভাগৰ পৰা জানিবলৈ দিছে যে যিটো তথ্য দিব লাগে সম্পূৰ্ণ তথ্যটো পোৱা নাই। নোপোৱা খিনিৰ কাৰণে প্ৰজেক্ট অফিচাৰলৈকে লিখা হৈছে তথ্য খিনি দিয়াৰ লগে লগে তেওঁলোকক এপ'ইণ্টমেণ্ট দিয়াৰ ব্যৱস্থা কৰা হ'ব।

**শ্ৰী চুজামুদ্দিন লস্কৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাইলাকান্দি জিলাত পূৰ্বৰ শ্ৰী তৰুণ গগৈ চৰকাৰৰ সময়ত আমাৰ সমাজ কল্যাণৰ মন্ত্ৰীও আছিলে। কিন্তু ইমান লাজৰ কথা ৫ টা চি ডি পি অ' অফিচ আছে কিন্তু আমাৰ এটাও বিল্ডিং নাই। ভাৰা ঘৰত জৰাজীৰ্ণ অৱস্থাত চলি আছে। যদি আমাৰ বৰ্তমানৰ চৰকাৰে দুই এটা কাৰ্য্যালয় দিব পাৰে তেতিয়া মই সন্তুষ্ট হ'ম। আমাৰ District Social Welfare Officer ও নাই। Charge ত চলি আছে। ৫ টা চি ডি পি অ' ৰ এজনো নাই। আমাৰ হাইলাকান্দি জিলাত সমাজ কল্যাণ বিভাগটো নামতহে চলি আছে। উপায়ুক্ত মহোদয়ে সদায় কয় যে মই লিখি আছো। এতিয়া প্ৰশ্নটো হৈছে আমাৰ সমাজ কল্যাণ বিভাগৰ যিমান অফিচ আছে তাত অফিচাৰ বিলাক কেতিয়া দিব ?

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, CDPO post বহুতো খালী আছে। নতুনকৈ নিযুক্তি নিদিলেও তাত যিখিনি খালী আছে সোনকালে দিব পৰা যাব। কিন্তু যোৱা বানপানীৰ সময়ত আমাৰ বিষয়া সকলে তাত CDPO সকলক দিয়াৰ কাৰণে অৰ্ডাৰ উলিয়াইছিল। কিন্তু দুৰ্ভাগ্যজনক কথা যে যাক যাক দিয়া হৈছিল তেওঁলোকে নিজৰ অসুবিধা কিছুমান দেখুৱাৰ কাৰণে মানৱীয়তাৰ খাতিৰত তেওঁলোকক বন্ধ কৰিব লগীয়াত পৰিছো। অসমত যিমান খিনি পোষ্ট খালী আছে তাত CDPO নিযুক্তি দি পুৰণ কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ** Next Question 165.

**শ্ৰী কমল সিং নাৰ্জাৰী, বিধায়ক (বিজনী) ঃ** চাৰ, মোৰ এটা প্ৰশ্ন আছিল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি অনুগ্ৰহ কৰি বহক। মই ইয়াৰ আগৰ প্ৰশ্নটোতো কৈছিলো It is related to only Bokajan constituency. বোকাজান সমষ্টিৰ ৰেচন কাৰ্ডৰ ক্ষেত্ৰতো বহুতে হাত দাঙিছিল। কিন্তু এজন মাননীয় সদস্যই Starred Question দি Question টো পালে, সেয়েহে তেওঁৰ সমষ্টিৰ ওপৰতে সীমিত থাকিব। অন্য সদস্যক মই দিব নোৱাৰো। আপোনাৰ যদি কিবা ক'বলগীয়া আছে, মোক লিখিতভাৱে দিব। এতিয়া পৰৱৰ্ত্তী প্ৰশ্ন 165. শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী চুম ৰংহাং, মাননীয় মন্ত্ৰী, খনিজ আৰু খনিজাত সম্পদ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা,বিধায়ক (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনোৱা মতে আমাৰ অসমৰ ভূ-গৰ্ভত ইতিমধ্যে খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা, চূণ-শিল আদিৰ উপৰিও আমাৰ বাবে এটা ভাল খবৰ আছে যে চীনা মাটি, আকৰিক লো, গ্লাছচেণ্ড

, চিলিমেনাইট, গ্রেনাইট, ফুলার্চ আৰ্থ এইকেইটা প্ৰাকৃতিক সম্পদৰ সন্ধান নতুনকৈ পোৱা গৈছে। এই যিখিনি প্ৰাকৃতিক সম্পদৰ সন্ধান পোৱা গৈছে, এইখিনি বৰ্তমান কি অৱস্থাত আছে আৰু এই সমূহৰ খনন কাৰ্য্য আৰম্ভ হৈছে নেকি? দ্বিতীয়তে, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে জনোৱা মতে কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি যিটো Royality পাব লাগে, সেই Royality 2006-07 চনৰ পৰা ২০১৮-১৯ চনলৈ পাইছে। ইয়াত দেখা গৈছে যে ২০১৬-১৭ চনত আটাইতকৈ বেছি ২,৯৩২.৯৫ কোটি টকা Royality পাইছে। আমি বিভিন্ন পৰ্য্যায়ত এই তালিকাখনত দেখিছো যে কিছু ক্ষেত্ৰত আমি বেছি টকা পাইছো আৰু কিছু ক্ষেত্ৰত কম টকা পাইছো। ইয়াৰ কাৰণটো কি? আৰু কেন্দ্ৰীয় চৰকাৰে নতুকৈ ৩, ৩৯০.২২ কোটি টকা এতিয়ালৈকে দিবলৈ আছে। এই টকাখিনি কেন্দ্ৰীয় চৰকাৰে আমাক কোন চনৰ পৰা দিবলগীয়া আছে আৰু আমি প্ৰকৃতাৰ্থত এই টকাখিনি কেতিয়া পাম। ইয়াৰ পিছৰ প্ৰশ্নটো হৈছে, আমাৰ কিছু ক্ষুদ্ৰ ক্ষুদ্ৰ তৈলক্ষেত্ৰ Oil India, আৰু ONGCয়ে এৰি দিয়া এই যিখিনি আমাৰ তৈলক্ষেত্ৰ আছে সেইখিনি কেন্দ্ৰীয় চৰকাৰে নিলামৰ ব্যৱস্থা কৰিছে আৰু ৭টা কোম্পেনীক দিয়া বুলি জনাইছে। এতিয়া মোৰ প্ৰশ্নটো হৈছে যে Oil India, আৰু ONGC য়ে যিকেইটা ক্ষুদ্ৰ ক্ষুদ্ৰ তৈলক্ষেত্ৰ এৰি দিছে সেইবোৰ কিবা লোকচানৰ কাৰণে এৰি দিছে নে সৰু কাৰণে এৰি দিছে? যি কাৰণতে এৰি নিদিয়ক কিয়, আমাৰ কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যচৰকাৰৰ অধীনস্থ চৰকাৰী ৰাজহুৱা প্ৰতিষ্ঠান আদিয়ে ল'ব নোৱাৰে নেকি? এই কথাসমূহ মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী চুম ৰংহাং, মন্ত্ৰী, খনিজ আৰু খনিজাত সম্পদ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে যে এতিয়ালৈকে অসমত ১০টা খনিজ আৰু খনিজাত সম্পদ আৱিষ্কাৰ কৰা হৈছে। ইয়াৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে। ইয়াত খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা, চূণ-শিল, চীনা মাটি, আকৰিক লো, গ্লাছচেণ্ড, চিলিমেনাইট, গ্ৰেনাইট, ফুলাৰ্চ আৰ্থ এই খনিজাত সামগ্ৰীসমূহৰ কোনো আহৰণ কৰা হোৱা নাই। এতিয়ালৈকে এইবোৰ আৱিষ্কাৰ কৰা হৈছে আৰু ইয়াৰ ওপৰত চাৰ্ভে কৰি থকা হৈছে। এইবোৰ এতিয়াও পৰীক্ষণ-নিৰীক্ষণৰ পৰ্য্যায়তে আছে। ইয়াত দিয়া ধৰণে খনিজাত সামগ্ৰীৰ আহৰণৰ হাৰ দ্ৰুত গতিত হ'লৈ, খনিজাত সামগ্ৰীসমূহ আনুমাণিক বছৰৰ আগতে শেষ হ'ব। ইতিমধ্যে ইয়াৰ প্ৰাৰম্ভিক কাম-কাজহে কৰা হৈছে। এতিয়ালৈকে আহৰণ কৰা হোৱা নাই। গতিকে যিবোৰ খনিজাত অসমৰ ভূ-গৰ্ভৰ পৰা উলিওৱা হৈছে, এই বিষয়ে আমাৰ খনিজ আৰু খনিজাত সম্পদৰ বিভাগ এতিয়াও সুপ্ত অৱস্থাত আছে বুলিয়েই ক'ব পাৰি। এইটো এতিয়াও Expansion ৰ প্ৰয়োজন আছে আৰু আমাৰ কৰ্মচাৰীও কম আছে। আমাৰ অসমৰ গোটেইকেইখন জিলাৰ ভিতৰত কেৱল ডাইৰেক্টৰৰ অফিচতে সীমাবদ্ধ হৈ আছে। জিলা পৰ্য্যায়ত আমাৰ কোনো অফিচ নথকাৰ বাবে খনিজ আৰু খনিজাত সম্পদৰ বিভাগটো এতিয়াও প্ৰাৰম্ভিক পৰ্য্যায়তে আছে। ইয়াৰ দুই নং প্ৰশ্নৰ উত্তৰত Royality ৰ গোটেইখিনি হিচাপত দিয়া হৈছে। ২০০৬-০৭ চনৰ পৰা ২০১৮-১৯ চনলৈ প্ৰায় ১২ বছৰৰ হিচাপ ইয়াত দিয়া হৈছে। আমাৰ ২০০৬-০৭ চনত ১,৩৫১.৭১ কোটি টকা আমি পাইছো। ২০১৭-১৮ চনত ১,৭০০ কোটি টকা আমি অসম চৰকাৰক দিছো। মই মাননীয় সদনক জনাব বিচাৰিছো যে অসমত প্ৰথম Revenue and Tax Collection Department হ'ল Tax Department. Second Highest Revenue and Tax Collection Department হ'ল আমাৰ বিভাগটো। কিন্তু আমি যিখিনি Royality পাব লাগিছিল আমাৰ বিভাগৰ কৰ্মচাৰী কম হোৱা

বাবে সেইধৰণে সংগ্ৰহ কৰিব পৰা নাই। আমাৰ Mining Inspector, Enforcement Inspector, District Office আদি নথকা বাবে ইয়াৰ পৰিমাণ বঢ়াব পৰা নাই। যদিহে আমাৰ বিভাগটো সম্প্ৰসাৰণ কৰা হয়, District Office সমূহ যদি গঠন কৰিব পৰা যায় তেনেহ'লে আমি ইয়াৰ বৃদ্ধি কৰিব পাৰিম। ২০১৬-১৭ চনত২৯৩২.৮৯ কোটি টকা ইয়াত বেছিকৈ পোৱা বুলি দেখুৱা হৈছে। মই মাননীয় সদস্য ডাঙৰীয়াক জনাব বিচৰিছো যে ২০১৬-১৭ চনৰ মাজত কেন্দ্ৰীয় চৰকাৰে কেইটামান বছৰৰ কাৰণে Subsidy Rate ত আমাৰ খাৰুৱা তেলৰ Royality সমূহ দিব লগা হৈছিল। এই Subsidy Rate ত দিব লগা হোৱা কাৰণে ২০১৬-১৭ চনতে একেলগে আকৌ অসম চৰকাৰক এই টকাখিনি দি দিয়া বাবে ২০১৬-১৭ চনত যি ২৯৩২.৮৯ কোটি টকা আৰু ২০১৭-১৮ চনত ১,৭৫০ কোটি টকা পোৱা গৈছে। ইয়াৰ কম-বেছি তাৰতম্য হোৱাৰ কাৰণ এইটোৱেই যে Subsidy Rate নথকা কাৰণে বাকী বছৰ কেইটা কম হৈছে আৰু ২০১৬-১৭ চনত বৃদ্ধি কৰা দেখুওৱা হৈছে ।

একে সময়তে, subsidy ৰ যিখিনি টকা ইয়াত দিয়া হৈছে এই টকাখিনি কেন্দ্ৰীয় চৰকাৰে পুনৰ ঘূৰাই দিয়াৰ কাৰণে ২০১৬-১৭ বৰ্ষত ২,৯৩২ কোটি টকা হৈছে। অসমত থকা কিছু ক্ষুদ্ৰ অবিস্তৃত তৈল ক্ষেত্ৰ যেনে Oil India Ltd. আৰু ONGC য়ে কেন্দ্ৰীয় চৰকাৰক নিলামৰ বাবে ৭ টা কোম্পানীক আৱণ্টন দিয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** Point of Order.

**মাননীয় শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেইদিনমান আগত মই এটা Reply পাইছিলো যে কৰিমগঞ্জত মাত্ৰ ১৬ ৰ পৰা ২০ ঘণ্টা বিদ্যুৎ থাকে। আমি ভয়ংকৰ বিদ্যুৎ সংকটত ভুগি আছো। সেয়েহে, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেওঁ যাতে এই ক্ষেত্ৰত ব্যৱস্থা লয় আৰু তেওঁ যাতে তাত গৈ বস্তুখিনি চায়।

অধ্যক্ষ মহোদয়, মোৰ লগতে সকলো বিধায়ক সকলৰ এটা কথা ক'বলৈ আছিল যে, মই ২০১১ চনৰ পৰা সদনত যেতিয়াই প্ৰশ্ন উত্থাপন কৰিছিলো তেতিয়াই প্ৰত্যেকজন মন্ত্ৰী মহোদয়ে ভালকৈ Reply দিছিল। কিন্তু যোৱাকালি মই আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ ওচৰলৈ গৈছিলো, তেওঁ অকণমান অহংকাৰী হয়।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** পুৰকায়স্থ ডাঙৰীয়া, Please sit down and later come to my Office. We will discuss. I am withdrawing that word. This word has been deleted and nobody will publish it. He will withdraw this word.

(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

আমি সদনত কথা এটা কওঁতে, সেইটো সাৱধানেৰে indirectly ক'লেও বুজা যায়। কিন্তু, আপোনাক এই কথাটো কোৱাৰ বাবে Point of Order দিয়া নাছিলো। মই ভাৱিছিলো যে সকলো সদস্যৰ হৈ আপুনি এটা পৰামৰ্শ দিব। কিন্তু, আপোনাৰ যদি উদ্দেশ্য এইটোৱেই হয়, তেন্তে সদনখন ভালদৰে কেনেকৈ চলিব? আজি আমি কাৰ্বি-আংলঙৰ বৰ গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰিবলৈ গৈ আছো। গতিকে এনে ধৰণৰ কথাৰ জৰিয়তে হুলস্থূলীয়া পৰিৱেশ এটাৰ সৃষ্টি কৰিব বিচৰা নাই। সেয়েহে মই বিচাৰো যে, আপুনি যিহেতু সন্মানীয় সদস্য, গতিকে সেই শব্দটো আপুনি প্ৰত্যাহাৰ কৰি লওঁক। আপুনি প্ৰত্যাহাৰ কৰাৰ পিছতএই বিষয়ত পুনৰ একো আলোচনা নহ'ব আৰু বাহিৰতো এইবোৰ কথা যাব নোৱাৰিব।

**মাননীয় শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** ঠিক আছে অধ্যক্ষ মহোদয়, মই 'অহংকাৰী' শব্দটো প্ৰত্যাহাৰ কৰিলো। কিন্তু মই আপোনাৰ কাৰ্যালয়ত গৈ কথাখিনি বিতং ভাৱে জনাম।

(সদনত আকৌ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** আপোনালোক সকলোৱে বহক। মই থিয় হৈ আছো।

সদনত পৰহিও কিছুমান অসাংবিধানিক শব্দ ব্যৱহাৰ কৰা হৈছিল, সেয়েহে আমি ইজনে সিজনক কথা কওঁতে অলপ সাৱধান হ'ব লাগে। আমি সকলোৱে বিধান সভাৰ সদস্য আৰু আমাক সকলোকে মাননীয় সদস্য বুলি সম্বোধন কৰে। গতিকে মাননীয় সদস্য হিচাপে শালীনতা ৰক্ষা কৰাটো আমাৰ সকলোৰে কৰ্তব্য। মই তেখেতক প্ৰত্যাহাৰ কৰিবলৈ কৈছো আৰু তেখেতেও শব্দটো প্ৰত্যাহাৰ কৰিছে।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

মই ইতিমধ্যে কৈছোৱেই যে আজি সদনত কাৰ্বি-আংলঙৰ বৰ গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা হ'ব। গতিকে এনে ধৰণৰ পৰিৱেশৰ পৰা সেই জিলা খনলৈ কি message যাব? সেয়েহে, মই সকলোকে কৈছো যে- Mind your language. পুৰকায়স্থ ডাঙৰীয়াই যিহেতু শব্দটো প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছে, গতিকে, record ত পুৰকায়স্থ ডাঙৰীয়াই শব্দটো প্ৰত্যাহাৰ কৰা বুলিয়েই যাব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত Unstarred Question ৫০ টা অহাৰ provision আছে আৰু আজি দিছে ৩৮ টা। মোৰ এটা প্ৰশ্ন reject কৰা হৈছে আৰু reject কৰা ground টো আছিল যে, the Question does not relate to the Department. উক্ত প্ৰশ্নটোত মই Minority Affairs Minister ক সুধিছিলো যে চৰ অঞ্চলত কিমান জাহাজ চলি আছে, কিমানখন boat medical আছে? Minority Affairs Minister ৰ অধীনত চৰ অঞ্চল বিভাগ এটাও আছে, গতিকে মোৰ প্ৰশ্নটো তেখেতৰ বিভাগৰ লগত কেনেকৈ জড়িত নহয় বুলি ক'লে?

**মাননীয় অধ্যক্ষঃ** কিবা এটা কাৰণ নিশ্চয় থাকিব। মই সেইটো চাই আপোনাক ক'ম। Next.

**মাননীয় শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** Unstarred Question 367 ত ২০১৬-১৭ আৰু ২০১৭-১৮ ৰ সময়ছোৱাত কি কি আঁচনি আছে সেই বিষয়ে মই তথ্য বিচাৰিছিলো। ২০১৬-১৭ বৰ্ষৰ তথ্য Annexure I ত পালো, কিন্তু ২০১৭-১৮ বৰ্ষৰ তথ্য নাপালো। দ্বিতীয়তে, দেশৰ প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী আৰু ৰাজীৱ গান্ধীৰ নামত যিবোৰ আঁচনি আছে তাত চৰকাৰে যে টকা খৰচ কৰা নাই সেইটো দেখিবলৈ পোৱা গৈছে। প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী আৰু ৰাজীৱ গান্ধীৰ নাম কেইটা বৰ্তমানৰ চৰকাৰে কৰবাত বিলুপ্তি ঘটাব বিচাৰিছে নেকি?

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আপুনি যিটোৰ উত্তৰ পোৱা নাই, তাৰ record টো ইয়াত চাইছে নে?

**মাননীয় শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** ইয়াত পোৱা নাই চাৰ।

**মাননীয় অধ্যক্ষঃ** Kindly এবাৰ check কৰি ল'ব কাৰণ আপোনাক বিভাগে উত্তৰটো দিব লাগে। যদি নাপায় তেন্তে মই এই বিষয়ে চাম।

**माननीय श्री कमल सिং नार्জাৰী, (বিজনী)ঃ** অধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা জানিব বিচাৰিছো যে এটা প্ৰশ্নৰ বিপৰীতে কিমানজনে Supplementary দিব পাৰে?

**মাননীয় অধ্যক্ষঃ** As per Rule, দুজনে পাৰে।

**মাননীয় শ্ৰী কমল সিং নাৰ্জাৰী, (বিজনী)ঃ** চাৰ, এটা প্ৰশ্নৰ ক্ষেত্ৰত মই যেতিয়া ক'বলৈ উঠিছিলো তেতিয়া আপুনি মোক বহিবলৈ দিলে।

**মাননীয় অধ্যক্ষঃ** এই কথাটো Rule Book ত এনে ধৰণেৰে আছে যে যেতিয়া Supplementary হ'ব তেতিয়া related subject ত হে ক'ব পাৰিব। বিষয়টো যদি particular constituency ৰ হয়, তেন্তে তাৰ বাহিৰৰ কোনেও ক'ব নোৱাৰিব।

**মাননীয় শ্ৰী কমল সিং নাৰ্জাৰী, (বিজনী)ঃ** চাৰ, মই হাইলাকান্দিৰ লগত জড়িত প্ৰশ্ন কৰিবলৈ বিচাৰিছিলো কিন্তু আপুনি কৰিব নিদিলে।

**মাননীয় অধ্যক্ষঃ** মই প্ৰশ্নটো সুধিব নিদিয়াৰ কাৰণ হ'ল, যিহেতু হাইলাকান্দি জিলাৰ দুজনকৈ বিধায়ক আছে গতিকে সেই দুজন বিধায়কৰ ফালৰ পৰা হাইলাকান্দি জিলাৰ ওপৰত প্ৰশ্ন উত্থাপন হ'ব। এই কথাখিনি Rule ত আছে। তেন্তে আমি Rule সলনি কৰিব লাগিব আৰু দৰকাৰ হ'লে মই সলনি কৰি দিম। আপোনালোকে মোৰ কাৰ্যালয়ত আহিব। Next.

**মাননীয় শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্নত Minority Scholarship দিয়াৰ কথা উল্লেখ কৰিছিলো। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে সেই স্কুলখনৰ এজনো ছাত্ৰ-ছাত্ৰীয়ে Minority Scholarship পোৱা নাই। গোটেই কেইখন বাহিৰৰ ভুৱা একাউণ্ট দি কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** আপুনি মোক স্কুলখনৰ নামটো দিব। মই মন্ত্ৰী মহোদয়লৈ পঠাই দিম।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Starred Question No.165. ৰ ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াৰ যিটো প্ৰশ্ন সেইটোৰ নিচিনা প্ৰায় একেধৰণৰ প্ৰশ্ন মোৰ Unstarred Question No.365 আৰু বৃন্দাবন গোস্বামী ছাৰৰ Unstarred Question No.369. গতিকে মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই শুধিছিলে খনিজ আৰু খনিজাত সামগ্ৰীৰ royalty আৰু মূল্যবৃদ্ধিৰ বিষয়ে। মই বিচাৰিছিলো কিমান Tax লগোৱা হয়? পেট্ৰল আৰু ডিজেলত কিমান state Tax লগোৱা হয়? মোৰ প্ৰশ্নটো disallow কৰা হ'ল লগতে বৃন্দাবন গোস্বামী ছাৰৰো একেধৰণৰ প্ৰশ্নটো disallow কৰা হ'ল। disallow কৰাটো আমি বেয়া পোৱা নাই কিন্তু কিয় disallow কৰা হ'ল তাৰ কাৰণটো আমাক জনোৱা নাই। এইটো আমাক জনালে ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** কাৰোবাৰ প্ৰশ্ন disallow কৰিলে আপোনালোকে সদন বহাৰ আগতে যদি মোক জনায়, তেতিয়া মই কিবা কৰিব পাৰিম। reason of disallowance must be intimated.

**ডঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, যাত্ৰীৰ ভাৰাৰ নিৰিখ ৩০ শতাংশ বঢ়োৱা হৈছে। যোৱাকালি মাননীয় প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই পেট্ৰলৰ দাম ৫ টকা কমালে গতিকে এতিয়া ভাৰাৰ নিৰিখো ১৫ শতাংশ কমাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এইটো মন্ত্ৰীয়ে চাব।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া , আমাৰ অসমখন সোণৰ অসম আৰু প্ৰাকৃতিক সম্পদৰে ভৰপুৰ। Starred Question No.165 ত ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াৰ লগতে

বিভিন্ন জনে প্ৰশ্ন কৰিছে খনিজাত সামগ্ৰী আৰু ইয়াৰ royalty ৰ সম্পৰ্কত। কিন্তু ইয়াৰ উত্তৰত খাৰুৱা তেলৰ ২০০ মিলিয়ন মেট্ৰিকটন প্ৰাকৃতিক গেছৰ আনুমানিক পৰিমানটো দিছে। কিন্তু অসমৰ ভৱিষ্যতৰ কাৰণে আহৰণ কৰিব পৰা আনুমানিক বছৰ খাৰুৱা তেল ৫৫ বছৰ আৰু প্ৰাকৃতিক গেছ ৪১ বছৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আচলতে কি ক'ব বিচাৰিছে?

**শ্ৰী গুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আহৰণ কৰিব পৰা আনুমানিক বছৰ খাৰুৱা তেল ৫৫ বছৰ আৰু প্ৰাকৃতিক গেছ ৪১ বছৰ। ইয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ কাৰণে আপুনি মন্ত্ৰী ডাঙৰীয়াক জনাব।

এতিয়া আমাৰ প্ৰশ্ন নং ৰ বিষয় নং ২, Discussion on Speakers' initiave, Socio-Economic upliftment of the Hill Districts of Assam. এই বিষয়টো আনুষ্ঠানিকভাৱে প্ৰস্তাৱটো উত্থাপন কৰিবলৈ মই ডঃ নোমল মমিন ডাঙৰীয়াক অনুৰোধ কৰিছো।

**ডঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাহাৰীয়া জিলা তিনিখনৰ ৰাইজৰ প্ৰতি থকা আপোনাৰ অগাধ মৰমৰ বাবে গোটেই পাহাৰীয়া জিলাকেইখনৰ হৈ মই আপোনাক ধন্যবাদ যাঁচি অসমৰ পাহাৰীয়া জিলাকেইখনৰ আৰ্থ সামাজিক মূল্যায়ন তথা অন্যান্য আনুসাংগিক দিশ সমূহৰ পৰ্য্যবেক্ষণ নিৰ্মোহ বিশ্লেষণ আৰু পৰ্য্যালোচনাৰে সমস্যা সমাধানৰ সম্ভাব্য উপায় সমূহ নিৰ্দ্ধাৰণ কৰাৰ বাবে এই সমগ্ৰ বিষয়টো বিধান সভাৰ মজিয়াত মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ 'বিশেষ উদ্যোগ শিতান'ত আজি ০৫-১০-২০১৮ তাৰিখে মই আলোচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া এই আলোচনাত যিসকলে ক'ব বিচাৰিছে তেওঁলোকে নামৰ তালিকা আমাক দিছে। যিহেতু সময় সীমিত, আমি সকলোকে এই ক্ষেত্ৰত বক্তব্য নিৰ্দিষ্ট সময়ৰ ভিতৰত উত্থাপন কৰাৰ বাবে অনুৰোধ কৰিলো। এতিয়া এই বিষয়ে প্ৰথমে বক্তব্য প্ৰদান কৰিব ড° মানসিং ৰংপি ডাঙৰীয়াই ।

**ড° মানসিং ৰংপি ঃ** Hon'ble Speaker Sir, we are all grateful for giving us this opportunity under the "Speakers' Initiative" to address issues that impinges on the Hill areas of Assam which are under the Sixth Schedule of the Indian Constitution. We as Hon'ble Members of this August House, have wholely abide by the Indian Constitution. We live in an unique country with an unique Constitution which incorporates elements like Directive Principles of State Policy, borrowed from the Irish Constitution. The Federal structure that we have borrowed from Canada and the Finance Commission that is in operation, we have borrowed from Australia. Here, we in the State Legislatures and Parliament, have the owners task and privilege to uphold the Costitution and make the very idea of India as invention by the framers of the Constitution and the fathers of the Constitution. And to make this a reality, we will make the constitution more attune with changing times, it has been amended 122 times.

For the Sixth Schedule, is going to be under the 123rd Amendment. When the Constitution was drafted in the Constituent Assembly, the task of incorporating partially excluded areas of Assam and other areas of North East India, to the newly independent India, it was given to a sub Committee headed by a noted person then, Lokpriya Gopinath Bordoloi who said- " I wish to state that is in the Constituent Assembly, that there are three categories of Tribal in Assam. There are the Plain Tribal men, who were the original inhabitants and who have a culture and civilization of their own. They were gradually absorbed into the folds and culture of other plains people, to put know appropriately the Aryan Culture. These people have now classified with minorities, minorities means not the religious minorities, it is in the sense that disadvantaged groups. Thus, minorities as the Schedule classes and they have been granted as the same rights as other Minority Communities. Then, there occured Hill Tribes. This again can be divided into two clear categories. One such types of Hill Tribes is administered by the Governor as the agent of the Governor General of India and the other class coming under the Sixth Schedule is proposed to be administered as Autonomous Groups." Now these are the very word of Lokpriya Gopinath Bordoloi in the Constituent Assembly. These Autonomous groups shall partially excluded areas as laid down in the Government of India Act, 1935 which was passed by the House of Commons on 2nd August, 1935 and subsequently the Government of India, for the excluded and partially excluded areas as per the order. It was in 1936 on 3rd March and the Court of the Buckingham Palace in the King's most Excellence Majesty in the Council. By this order, it can be referred that the sense of sovereignty was conceded by the authorities then. As proof of sovereignty, that 25 Khasi States signed the instrument of accession between 1947 and 1948 like other princely states of India, as the rulers of the erstwhile princely states.They were given process as pension, such nice things were extended to the Hill Tribal kings and Chiefs. But such are the vicious of history like the clubbing together of Brahmaputra, Barak Valley and the Hills in between for the present day Assam. However, the framers of the Constitution gave the erstwhile excluded and partially excluded areas a high degree of autonomy in the form of the Sixth Schedule. But with the

passage of time, inadequacies in the provisions came to the form and the Government of India deemed a threat to grant Statehood Meghalaya to Mizoram. Karbi Anglong and Dima Hasao, though given the option to go with Meghalaya, chose to remain in Assam due to which the territorial cosecutive of Assam remaind intact. A provision was made in the Indian Constitution for Dima Hasao and Karbi Anglong for remaining in Assam as an Autonomous State under Article 244(A) mainly agitations and movements were launched for implementation of Article 244(A) for over three decades to be precise around 35 years now. And following that a culminated in the signing of the Memorandum of Understanding that is MoU in 1995 and finally Memorandum of Settlement in 2011. All the clauses of the MoU of 1995 are yet to be implemented though the office memorandum from the Govt. of Assam came out in the year 1996. As for the MoS of 2011, the office memorandum that should have been brought out after the settlement is yet to see the liability.

The Cadres of the United People Democratic Solidarity who took part in the struggle to receive statehood are yet to be rehabiliated whereas the cadres of the Bodoland Liberation Tigres i.e. BLT have been rebahiliated and this point needs careful consideration. We have democratic setup, their should not be recourse agitation and armed struggle it is the elected bodies like Legislative Assemblies and Parliament to find solution to the people's problems. We all must thank the Hon'ble Speaker, Chief Minister and the Leader of the Opposition for this occassion for matters pertaining to the Hill Areas. This August House must realize that an Autonomous State comprising of Karbi Anglong and Dima Hasao as envisaged in Article 244 (A) of the Indian Constitution, creation of state does not entail the bifurcation of Assam. Because the Autonomous State will very much be a part and parcel of the State of Assam and give Assam a unique character. We understand that the granting Autonomous Statehood is not in the domain of Legislative Assembly. But the prerogative of Parliament.The message that should be eminent from today's deliberation is that the Government of Assam is not opposed to creation of an Autonomous State as per Article 244(A) of the Indian Constitution and that the Legislative Assembly endorses this issue. Matters related to Article 244 (A) have cropped up in

Assam Legislative Assembly in recent past. In a reply to an Unstarred Question No. 130 on 14 November, 2007 the Political (A) Department of the Government of Assam had interupted with the Government of India on 9th February, 2004, about the deletion of Article 244 (A) from the Indian Constitution. This is a fact that, it will be doing great injustice to the hill tribes and bringing about incalculable harm as the Hill Tribes are paying a heavy price for opting to remain with Assam. Those in Meghalaya, Mizoram, Nagaland have made rapid socio-economic progress while we lack behind. While the Hill Tribes of Assam have to sit for a modern Indian language under the 8th Schedule for appearing in the Union Public Service Commision, Group-A Civil Services. Our Tribal brothers in Arunachal Pradesh, Nagaland, Manipur, Mizoram and Meghalaya are spared the ordial. No wonder that few hill tribal make into the coveted services to this House can take up the matter for exempting the aspiring hill tribes for UPSC, Group-A, Civil Services from the MIL paper. The hill tribal people will have every reason to be greateful for that besides the socio-economic conditions have to be uplifted. Our Education Institutions are in hor rible condition, the Government Colleges in Difu and Halflong were established way back in 1967 and no more colleges have been provincialized since then the few Higher Secondary Schools do not have Science Stream thus putting threat to our medical, engineering and scientific ambitions. Even schemes implemented by the State Government are not appropriate for the economic and agro-climatic pecularity of the hill areas. The hill tribes living in the remote and inaccessible areas in primitive condition. Per Capita aid stated by one of the learned Executive Member of the North Cachar Hills Autonomous Council, Mr. Nirmal Langthasa is at Rs.2200 per capital whereas the figure for Mizoram is at Rs. 53000 per capita. The grants coming from the Ministry of Tribal Affairs should be given a closer look for equal distribution for the socio-economic upliftment of the hill tribals of Assam. So that they can be equally developed as the neighbouring State. For implementation of schemes a special cadres of dedicated personnel can be inducted and motivated for upliftment of the hill tribes. For instance, North East Frontier Agency, NEFA which later became Arunachal Pradesh had its dedicated Administrative Offic-

ers in the form of Indian Frontier Administrative Services i.e. the IFAS, who played a pivotal role of bringing the isolated communities into the modern world. But, at the same time, keeping the rich linguistic and cultural traditions intact untrained and unmotivated personnel have held back socio-economic progress of the hill tribes of Dima Hasao and Karbi Anglong during all these years. I have full faith that the Government will give due weightage to all the deliberations today. The Government of India, during Late Atal Bihari Vajpayee ji's Prime Ministership was aware of the bottlenecks in the provisions of the 6th Schedule. The National Commission to review the working of the Constitution under the Chairmanship of Justice M.N. Venkatachaliah was constituted on 23rd March, 2000 made specific recommendation for the 6th Schedule Areas. I now read out from the recommendation which says that :

" After carefully studying the existing position of local self-governance in the various North-Eastern States, the Commission make the following general recommendations. Careful steps should be taken to develop political powers through intermediate and local tranditional political organizations provided their traditional practice carried out in the modern world do not deny legitimate rights to any section in the contemporary society. The State wise details to develope such power will have to be carefully considered in proper representative meeting of traditional leaders of each community opinion tell about these very groups. Institution could have serious repurcation unforseen and unfortuante would further complicate and worsen the situation. To begin with the subjects given under the 6th Schedule and those mentioned in 11th schedule could be entrusted to Autonomous District Council. The system of inbuil says passing the 6th Schedule should be maintained and strengthen for the Minority and Micro-Minority groups while empowering them with greater responsibilities and opportunities. For Example, the process of Central Fundings of Plan Expenditure. Now, all the expenditures that we have now is rooted through the State Government for Plan Expenditure and instead of rooting them from State Government, the North East Council can play a central role here by developing a process of public education and proposed changes which would assure the Communities about protection of their tra-

ditions and also bring in general representation and give voice to other ethinic groups. The traditional forms of governance must be associated with self-governance because of the present dissatisfaction. However, positive democratic elements like gentle justice and franchise should be built into these instituions who made them broader base and keeping a feeling of changing world and among this the most important recommendation made by the Venkatachaliah Committee report is that implementation of centrally funded projects from various Departments of the Union Government should be entrusted to the Autonomous District Councils in case, ofcourse Karbi Anglong and Dima Hasao is the Autonomous Council and to revive village council with strict Audit by the Comptroller and Auditor General of India."

Now, this has just remain recommendations, we would want to see their implementation and till the 4th Finance Commission, Karbi Anglong and Dima Hasao did not get any fund. We have to thank the present Government under the abled leadership of Shri Sarbananda Sonowal for getting funds. But it needs scrutiny for equal democracy. I ensure this Governemnt and August House can come up with something concrete before the end of its form in 2021 for a permanent solution to our long standing problems and make the hill areas model of peace, prosperity and progress. For too long the region has been in turmoil and this time we would want a brighter future and I thank the Hon'ble Speaker once again and the Hon'ble Chief Minister and Leader of the Opposition for bring to the form the problems of our hill areas and that a solution will be found and we all will be very happy. Thank you.

**Hon'ble Speaker** : Thank You. Next Speaker Hon'ble Member, Shri Ronuj Pegu.

**শ্ৰী ৰনোজ পেগু, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই সৰ্বপ্ৰথমে আপোনাক আপোনাৰ এই বিশেষ পদক্ষেপৰ বাবে ধন্যবাদ জনাইছো। কাৰ্বি আংলং আৰু ডিমাহাচাও এই দুয়োখন জিলাৰ আৰ্থ-সামাজিক আৰু অন্যান্য সমস্যা বিলাকৰ ওপৰত আলোচনা কৰি এটা দিক্ নিৰ্দেশনাৰ লগতে এটা সমাধান সূত্ৰ যাতে আমি দেশখনক আমি দিব পাৰো তাৰ কাৰণে আলোচনাৰ খুবেই গুৰুত্বপূৰ্ণ হ'ব। কাৰ্বি আংলং আৰু ডিমাহাচাও যি দুখন জিলা, সুন্দৰ দুপাহ ফুল, অসম তথা বৈচিত্ৰৰে ভৰা এই অসমভূমিত। কিন্তু ধুনীয়া ফুলৰ প্ৰতি আমাৰ যিটো সহজাত মানসিকতা, সেই মানসিকতাটো হ'ল ধুনীয়া ফুলপাহ দেখিলেই আমাৰ চিঙিবলৈ মন যায় আৰু সৰহ সংখ্যক মানুহেই চিঙে। ফুলপাহ চিঙাৰ পাছত ফুলপাহৰ কি অৱস্থা হয় আমি সকলোৱে জানো যে ফুলপাহ মৰহি যায়। বিগত দিন

বিলাকত স্বাধীনতাৰ পাছত কাৰ্বি আংলং আৰু ডিমাহাচাও এই দুয়োখন প্ৰাকৃতিক সৌন্দৰ্য্য আৰু প্ৰাকৃতিক সম্পদৰে ভৰপুৰ যি দুখন জিলা, এই দুখন জিলাৰ প্ৰতি ৰাজ্য চৰকাৰ তথা সেই সময়ৰ কেন্দ্ৰীয় চৰকাৰৰ যি মানসিকতা আছিল, সেই মানসিকতাৰ ফলস্বৰূপেই এটা সময়ত কাৰ্বি আংলং আৰু ডিমা-হাচাওৰ মানুহে যেতিয়া মেঘালয় সৃষ্টিৰ সময়ত তেওঁলোকে মেঘালয়ৰ লগত নাযাওঁ অসমৰ লগত থাকিম বুলি সংকল্প গ্ৰহণ কৰিছিল, অসমৰ লগত থাকিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছিল, সেই একেখিনি মানুহেই কিন্তু পৰৱৰ্তী সময়ত তেওঁলোকে Autonomous State ৰ দাবী উঠাই তীব্ৰ আন্দোলন কৰিবলৈ বাধ্য হ'ল। প্ৰকৃতাৰ্থত তেওঁলোকক সেই সময়ত বাধ্য কৰোৱা হ'ল। আজি পৰিস্থিতি বহু পৰিমাণে পৰিবৰ্তন ঘটিছে। কিন্তু এই সময়ত আমি যেতিয়া বিধান সভাৰ মজিয়াত কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ আৰ্থসামাজিক আৰু অন্যান্য সমস্যাৱলী আলোচনা কৰিছো। এই আলোচনা কৰাৰ সময়ত সকলোৰে বাবে আমি এইটো অনুভৱ কৰা উপলব্ধি কৰাটো অতি গুৰুত্বপূৰ্ণ। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ ভূমিৰ জনগাঁঠনি আৰু যি ভৌগলিক গাঁঠনি, এই জনগাঁঠনি আৰু ভৌগলিক গাঁঠনি অসমৰ অন্যান্য অঞ্চল, ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকাতকৈ সম্পূৰ্ণৰূপে পৃথক। পৃথক হোৱাৰ বাবেই তাত ভাৰতবৰ্ষৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত এক ঐতিহাসিক প্ৰক্ৰিয়াত কাৰ্বি আংলং আৰু ডিমাহাচাওৰ এই দুয়োখন জিলাত ষষ্ঠ অনসূচীৰ অন্তৰ্ভুক্ত স্বায়ত্ব শাযিত পৰিষদ আছে আৰু এই স্বায়ত্ত শাসিত পৰিষদ সমূহৰ পৰা লগতে এই দুখন জিলাৰ বিভিন্ন দল সংগঠনৰ ফালৰ পৰা সময়ে সময়ে দাবী উত্থাপন হৈ আহিছে যে এই স্বায়ত্ত শাসনৰ যি ক্ষমতা, তেওঁলোকক দিয়া হৈছে। এই ক্ষমতা যথেষ্ট নহয়, এই ক্ষমতা বৃদ্ধি কৰিব লাগে।

তেওঁলোকৰ প্ৰতি যিখিনি পুঁজি আবন্টন অতি সামান্য তেওঁলোকে উদাহৰণ দেখুৱাই যে যি মাটিকালিৰে চিকিমৰ নিচিনা এখন সৰু ৰাজ্যই বা মিজোৰামৰ নিচিনা এখন ৰাজ্যই বৃহৎ পুঁজিৰ আৱন্টন পাবলৈ সক্ষম হয়, তাতকৈ অধিক মাটিকালি অধিক জনসংখ্যা থকা সত্বেও কাৰ্বি আংলং আৰু ডিমাহাচাও এই দুয়োখন জিলাই, সিমানখিনি পুঁজি পাবৰ কাৰণে সক্ষম নহয়। এইটোৰেই তেওঁলোকৰ অভিযোগ যে কাৰ্বি আংলং আৰু ডিমাহাচাওৰ স্বায়ত্ব শাসিত পৰিষদখনৰ যি স্বায়ত্ব শাসনৰ ক্ষমতা সেই ক্ষমতাৰ ওপৰত ৰাজ্য চৰকাৰে বহু সময়ত অনাকাংক্ষিত অবাঞ্চিত হস্তক্ষেপ কৰে আৰু অবাঞ্চিত অনাকাংক্ষিত হস্তক্ষেপৰ কাৰণে তেওঁলোকে প্ৰকৃতাৰ্থত স্বায়ত্ব শাসিত পৰিষদ হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব নোৱাৰে। এনে পৰিস্থিতিত আজিৰ চৰকাৰখনে এটা সম্পৰ্ক ৰক্ষা কৰিছে আৰু আমি সকলোৱে জানো যে কেইদিনমান আগতে কাৰ্বি আংলং আৰু ডিমাহাচাও এই দুয়োখন স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য দুগৰাকীয়ে ভাৰত চৰকাৰৰ গৃহমন্ত্ৰীৰ লগত এটা আলোচনাত মিলিত হৈছিল। এই আলোচনাৰ যিটো সিদ্ধান্ত, সেই সিদ্ধান্তটো খুব আদৰণীয়। সিদ্ধান্ত অনুসৰি সঘনাই কাৰ্বি আংলং আৰু ডিমাহাচাও জিলাৰ কাম-কাজ সম্পৰ্কে পৰিষদ দুখনৰ কাম-কাজ সম্পৰ্কে পৰ্য্যালোচনা সভা খুব সঘনাই অনুষ্ঠিত হ'ব আৰু এনে পৰ্য্যালোচনা সভাৰ জৰিয়তে, ৰাজ্য চৰকাৰখনে যিখিনি প্ৰশাসনিক, ৰাজনৈতিক সমস্যা আছে, যিখিনিৰ কাৰণে পৰিষদকেইখন বাধাগ্ৰস্ত হয়, অৰ্থাৎ Smoothly তেওঁলোকে কাৰ্য্যনিৰ্বাহ কৰাৰ কাৰণে সেইখিনি নিৰাময় কৰাৰ কাৰণে, বিশেষ পদক্ষেপ লোৱাটো দৰকাৰ। ইয়াৰ পিছৰ কথাটো আমি বুজি পাওঁ, বুজি পোৱা উচিত যে উন্নয়ন মানে কেৱল ৰাস্তা-ঘাট, ডাঙৰ ডাঙৰ বিল্ডিং কেৱল সেই বিলাকে উন্নয়ন আনিব নোৱাৰে। প্ৰকৃতাৰ্থত নাগৰিক সকলৰ ,সাধাৰণ খেতিয়ক সকলৰ, তেওঁলোকৰ যেতিয়ালৈকে জীৱনলৈ পৰিবৰ্তন নাহে, তেওঁলোকৰ যেতিয়ালৈকে জনমুৰি আয় বৃদ্ধি নহয়, কেৱল পকা ৰাস্তাই দি আমি

পৰিবৰ্তন আনিব নোৱাৰো আৰু কাৰ্বি আংলং, উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ সেই সমূহ গাওঁ ৰাইজ মোৰ সতীৰ্থ ডং মানসিং ৰংপি ডাঙৰীয়াই কৈছে যে বহু দূৰ-দূৰণিত পাহাৰৰ ভিতৰত দুৰ্গম অঞ্চলত যিবিলাক গাঁৱত তাৰ জনজাতীয় ৰাইজ তাত বসবাস কৰি আছে, তেওঁলোকৰ উন্নয়নৰ কথাটো হ'ল যে তেওঁলোকক আমি শৈক্ষিকভাৱে, সামাজিক ভাৱে, অৰ্থনৈতিক ভাৱে তেওঁলোকৰ empowerment হ'ব লাগিব আৰু empowerment হ'বলৈ হ'লে তেওঁলোকৰ যি জীৱিকা আছে, সেই জীবিকাৰ উন্নয়ন সাধন হ'ব লাগিব। এইসকল জনজাতীয় লোক এটা সময়ত তেওঁলোকে এক অতি আদিম কৃষি ব্যৱস্থাৰ পৰা আহি, Jhum Cultivation ৰ পৰা আহি আহি আজিৰ এই আধুনিক যুগত যেতিয়া প্ৰৱেশ কৰিছে, তেওঁলোকক হাতত ধৰি পেলাই জীৱন-জীৱিকাৰ সংগ্ৰামটোক যদি আমি আগুৱাই নিব নোৱাৰো তেওঁলোকৰ হাতত ধৰি আধুনিকতাৰ ফালে যাত্ৰাটোত আগবঢ়াই নিব নোৱাৰো তেতিয়া হ'লে এই প্ৰকৃত যি উন্নয়ন সেই উন্নয়ন সম্ভৱ হ'ব নোৱাৰে আৰু তাৰ কাৰণে জীৱন-জীৱিকা Livelihood sector টো আৰু Education Sector মই ভাবো এই দুয়োটা Sector অতি গুৰুত্বপূৰ্ণ, কিন্তু ইয়াত যিমানখিনি পুঁজিৰ প্ৰয়োজন সেই পুঁজিখিনি কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মোৰ সতীৰ্থ সকলে জনাইছে যে এনেকুৱা ধৰণৰ বৃহৎ কাৰ্য্যসূচী ল'বৰ কাৰণে আমি গোটেই শিক্ষানুষ্ঠানৰ আন্তঃগাঁঠনি উন্নয়ন কৰাৰ লগে লগে শিক্ষানুষ্ঠান বিলাকত প্ৰয়োজনীয় যি মানৱ সম্পদ আমি গুণসম্পন্ন, মানদণ্ড সম্পন্ন মানৱ সম্পদ নিয়োগ কৰিবৰ কাৰণে বৃহৎ পৰিমাণৰ পুঁজি লাগে, সেই বৃহৎ পৰিমাণৰ পুঁজি আমাৰ হাতত নাই, বা আমি সিমান পৰিমাণৰ পুঁজিৰ আৱণ্টন নাপাওঁ। গতিকে মই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই অসম চৰকাৰক অনুৰোধ জনাম যে অসম চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিব লাগে শিক্ষাখণ্ড আৰু সাধাৰণ ৰাইজৰ জীৱন-জীৱিকাৰ উন্নয়নৰ Livelihood sector টোত আৰু তাৰ কাৰণে অধিক পুঁজিৰ আৱন্টন কাৰ্বি আংলং আৰু ডিমাহাচাও দুয়োখন জিলালৈ দিবৰ কাৰণে অসম চৰকাৰলৈ মই আহ্বান জনাওঁ। ইয়াৰ লগে লগে কাৰ্বি আংলং আৰু ডিমাহাচাও দুয়োখন জিলা মই আৰম্ভণিতে কৈছিলো যে, প্ৰাকৃতিক সম্পদত অতি চহকী আৰু প্ৰাকৃতিক ভাৱে অধিক সুন্দৰ। তেওঁলোকৰ যি প্ৰাকৃতিক সম্পদ আছে, যথেষ্টখিনি ক্ষমতা দুয়োখন স্বায়ত্ব শাসিত পৰিষদক দিয়া হৈছে যিটো আমি সকলো সময়ত সতকাই কওঁ যে সম্পদৰ ওপৰত সেই অঞ্চলটোৰ ৰাইজৰ অধিকাৰ সদায় সুনিশ্চিত থাকিব লাগে। কাৰ্বি আংলং আৰু ডিমাহাচাও দুয়োখন জিলাৰ যিখিনি সম্পদ আছে, সেই সম্পদখিনিৰ ওপৰত সম্পূৰ্ণ অধিকাৰ যাতে দুয়োখন স্বায়ত্বশাসিত পৰিষদে লাভ কৰে, তাৰ ব্যৱস্থাও কৰিব লাগে। দুয়োখন জিলা অতি ধুনীয়া, আমি তালৈ যাব বিচাৰো কিন্তু যোৱাৰ ক্ষেত্ৰত তাত যি ধৰণৰ সা-সুবিধাৰ প্ৰয়োজন এই সা-সুবিধাখিনি গঢ়ি তোলাৰ ক্ষেত্ৰত কিন্তু চৰকাৰখনৰ আমাৰ দায়িত্ব আছে। আৰু ইয়াত আমি যেতিয়া National Highway হৈ যাওঁ, কাৰ্বি আংলঙলৈ অহা বহুত tourist য়ে কয় যে কাৰ্বি আংলঙলৈ তেওঁলোকে দুৰৰ পৰা আহে। মুম্বাইৰ পৰা আহে, বিদেশৰ পৰা আহে। আহি প্ৰথম তেওঁলোকে ৰাতিপুৱা এটা Elephant Safari কৰিলে পিছবেলা এটা Jeep Safari কৰিলে, কৰাৰ পাছত আৰু তেওঁলোকৰ যাবলৈ বা চাবলৈ একো নাথাকেগৈ। কিন্তু তেওঁলোকে ২, ৩ দিন কাজিৰঙাত কটাব বিচাৰে। কাজিৰঙাৰ গাতে বা কাজিৰঙাৰ অংশ হিচাপে কাৰ্বি আংলংখন আছে। কিন্তু কাৰ্বিআংলঙত সেই ধৰণৰ product, সেই ধৰণৰ কোনো Tourist destination আমি গঢ়ি তুলিব পৰা নাই, যাৰ কাৰণে আমি ইয়াতো এটা বহুত ডাঙৰ সুবিধা বা Opportunity আমি miss কৰি আছো। কাৰ্বিআংলঙৰ কাৰণে যি Tourist product গঢ়ি তুলিব লাগে। সেই Tourist product গঢ়ি তোলাৰ কাৰণেও বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন।

কাজিৰঙাৰ কাষতে আৰ'ৰা হোটেলৰ সন্মুখৰ এখন ethnic village এখন গঢ়ি তোলা হ'ল কিন্তু ethnic village খন সম্পূৰ্ণ ন'হল। ethnic village খন আজিলৈকে চলা নাই। এনেকুৱা কিছুমান সম্পদ বা এনেকুৱা কিছুমান tourist product কাৰ্বি আংলং, ডিমা হাচাও দুয়োখন জিলাতে সৃষ্টি কৰিব লাগে আৰু তালৈ মানুহখিনিক ৰাখিবৰ কাৰণে তেওঁলোকক থকা আৰু খোৱা সুবিধা দিয়াৰ কাৰণে আমি বৃহৎ project ৰ কথা নাভাবি ডাঙৰ 5 Star Hotel ৰ কথা নাভাবি এতিয়া বহু অঞ্চলত যিটো জনপ্ৰিয় হৈছে, Home State তাৰ মানুহ সকলক empower কৰি তেওঁলোকৰ ঘৰতে আলহী ৰাখিব পৰাৰ ব্যৱস্থা কৰিবৰ কাৰণেও মই আপোনাৰ জৰিয়তে অসম চৰকাৰ খনক আহ্বান জনাও। ইয়াৰ লগতে আৰু এটা কথা জনাব বিচাৰো যে আমি উত্তৰ-পূৰ্বাঞ্চলত আজি প্ৰায় এটা দশকৰ অধিক কাল জুৰি নাগালেণ্ডে এটা উৎকৃষ্ট দৃষ্টান্ত দাঙি ধৰিছে হৰ্ণ বিল উৎসৱৰ জৰিয়তে। হৰ্ণ বিল উৎসৱ এতিয়া সমগ্ৰ বিশ্বকে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে আৰু অৰ্থনৈতিক উন্নয়নত নগালেণ্ড ৰাজ্যখনত এটা বৃহৎ প্ৰভাৱ পেলাব পাৰিছে। এনে সম্ভাৱনা কাৰ্বি আংলং আৰু ডিমা-হাছাও জিলাখনতো আমি নিশ্চিত কৰিব পাৰো। আজি কিছুদিন আগতে মাননীয় অধ্যক্ষ মহোদয়ৰ নেতৃত্বত যেতিয়া বিভিন্ন দল সংগঠনৰ লগত আলোচনা হৈছিল, তেতিয়া Karbi Youth Festival ৰ এগৰাকী উদ্যোক্তাই খুৱ উদ্যেগেৰে তেখেতে জনাইছে আমাক যে, Karbi Youth Festival এটা উল্লেখযোগ্য অনুষ্ঠান হিচাপে দীৰ্ঘদিন ধৰি চলি আহিছে। য'ত লাখ লাখ মানুহৰ সমাগম হয়। কিন্তু সেই কাৰ্বি আংলঙৰ Karbi Youth Festival টোৰ প্ৰতি চৰকাৰখনৰ পৰা যি ধৰণৰ সহযোগিতা পাব লাগে, সেইটোৰ কোনো পৰম্পৰা সৃষ্টি হোৱা নাই। আপোনাৰ জৰিয়তে এই আলোচনা হৈছে। অসম চৰকাৰখনক অনুৰোধ জনাম যে, এই Karbi Youth Festival টো অসম চৰকাৰ তৰফৰ পৰা ইয়াকো সম্পূৰ্ণ ৰূপে সহযোগিতা আগবঢ়ায় ৰাজ্যিক ভিত্তিত মহোৎসৱলৈ ৰূপান্তৰিত কৰিব পাৰে নেকি ? তেনেকুৱা ধৰণৰ Judima Festival ডিমা-হাছাও সফলতাৰে উৎযাপন হৈছিলে, সেই Judima Festival ৰ নিচিনা ডিমা-হাছাওতো এনে ধৰণৰ Festival ৰ সৃষ্টি কৰিব ৰাজ্য চৰকাৰৰ সহযোগত State Function হিচাপে State Event হিচাপে আমি যদি তাত সংগঠিত কৰিব পাৰো, কাৰ্বি আংলং আৰু ডিমা-হাছাও দুয়োখন জিলালৈ যথেষ্ট অৱদান আগবঢ়াব তাৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে আৰু এইকেইটা পৰামৰ্শ ৰাখি পুনৰবাৰ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা দুখনৰ যদি পৰিবৰ্তন হ'ব লাগে, শিক্ষা আৰু livlihood এই দুয়োটা খণ্ডত সৰ্বাধিক গুৰুত্ব দি আমি সকলোৱে পৰিকল্পনা কৰিব লাগিব বুলি কৈ মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই শ্ৰী বীৰভদ্ৰ হাগজেৰ ডাঙৰীয়াক ক'বলৈ অনুৰোধ জনাইছো।

**Shri Bir Bhadra Hagjer, Haflong :** Hon'ble Speaker Sir, to start with I will express my thanks and gratitude to Hon'ble Speaker of breaking this subject in Speakers Initiative. Sir, the 26th September ,the meeting was held on Central Hall with Chief Executive Members, Executive Members and other Socio Organization who are considered to be stake holders in Karbi Anglong and Dima Hasao district. The common strength was the 244 (A), creation of separate State within the State of Assam under the Article 244 (A) of the Indian Constitution. Now, Sir, we must first of all examine why this

demand is coming again and again. In 1971 after re-organization of Meghalaya Act, the option was given to the two districts of Karbi Anglong and then NC Hills, either to join with Meghalaya or remain in Assam. The two districts opted to remain with Assam. But in the 1969 Amendment, the 22nd Amendment, the provision for 244 (A) was inserted and there it was clearly specified that this provision is for the two districts of Karbi Anglong and NC Hills. Now, this provision has sort of facilitate the thought or the thinking that in the near future perhaps this provision will be invoked and paving the way for implementation of 224 (A) for these two districts. Whatever will be the outcome now, thing is that, why this thinking is still there? I will mention one or two issues why this is still persisting? Now, the issues are not exhausted, it's only illustrated. But then it is also giving fillip or adding to this factor, that is the demand for 224 (A). One is the education. Education is one issue which is lagging in the two districts, now three districts, namely, East Karbi Anglong, West Karbi Anglong and Dima Hasao. The Science Stream is very weak in all the three districts. As a matter of fact in West Karbi Anglong there is nice. Now, after passing the class XII, they come to Guwahati, Nogaon, even up to Jorhat as well to study for graduation course. Now what they are faced with is, immediately they are being taught in Assamese Medium. This is one hurdle or difficulties which the students face. Whereas in Karbi Anglong there are some Assamese Medium going or students are taught in Assamese, but in Dima Hasao it is not there. So, they find difficulties in understanding the classes and immediately the gap is created. When they find they cannot understanding what is being taught and it is left to their individual capacities to adjust to this absolutely new circumstances for the education into pursuing education, then these thought comes to them that had there been other assurance for us then it could have been better. Sir, I will mention one of these issues. Sir, I will mention this issue and again touch the 244 (A) where my learned friend Dr. Mansing Rongpi has very nicely elucidated on the creation of the 6th Schedule. The other one is which again Dr. Mansing Rongpi mentioned is the compulsion to go for Assamese Language while appearing the Central Service Exam under the UPSC. All the States of North of India is exempted from appearing the regional language,

accept Assam, and when we talk of Assam the difficulties starts with these two Hill Ditricts where the teaching of Assamese Language or get to the competency level to successful in UPSC Exam is some kind of a big problem, to make it short. Now for your kind information the first IAS Officer of Assam, of the first batch of the UPSC, one of the person was from NC hills, at that time sub-division district. Now, after 1978 there is no IAS Officer from the two hill districts. One came up in IPS and other one in the Indian Forest Service and the hurdle is this, we just cannot pass the regional language. So, this one issue again leads to that thought that thinking that though it matters to few individual only, but then that thinking again crops up that why not 244(A). After that, Sir I will come to that matter on reservation. Now, we come to the reservation. In the state of Assam there are 5 % reservation in ST Hills in Colleges, Schools and all Government Provincialized Schools. ST category is very very remarkable . What happens is that Sir I have already elaborated a little bit . In the provincialized Colleges there will be lecturers and those lecturers are engaged in contractual basis.If somebody is engaged in contractual basis then reservation policy is not necessary. When a post is ultimately created for regularisation then roster comes into way .If the qualification required in such a way then the new ST Hill candidates can't qualify for the post. How the norms come out here again is very very important. Now lastly we come to the point of village development Council. When we will initially hold the meeting, I will mention this point. The village development Council is under the Panchayat and PRI act . We have our own Panchayats though it is not known as Panchayat. The Karbis, The Dimasas and Tribals are living in two Hill Districts. They have their own Village Councils.Why can't the Govrnment incorporate the village council, that is already existing since ages in every thing they intends to do. What is the necessity to be so obsessive with the term Panchayat . The hon'ble High Court has already given an order on the term Panchayat that with whatever name they are being called, it means village Development Council as the Khasis as' Borisnong '. These are equivalent to Panchayat so, we have our own nomenclature for such institutions in village level. So that can be incorporated in the Act instead of naming it Panchayat under

the PRI Act. and thereby Sixth Schedule can't do anything about it.The main burden of Sixth Schedule is to seperate people and within the Constitution. The Local Development Council of the various Tribes would be a better option according to me . Sir I humbly submit it like this .

Sir ,there are other small things which I will not go in detail. Particularly for Dima Hasou it is a very small point. It does not relate but when the matter is related to socio -economic and the cadastral survey in Dima Hasau it has stopped and not under taken since 1995. I didnot know what is the reason that is creating problem in Dima Hasao. Sir once again I thank you for your initiative and I hope the Government of Assam and the Government of India will address this issue in right perspective .

**মাননীয় অধ্যক্ষ ঃ** মই হাউচক এটা কথা শুধিব খুজিছো। ইছলাম ডাঙৰীয়াক শুধিছো আমি সদনৰ সময় কিমান বজালৈ বঢ়াব পাৰো ?

**শ্ৰীআমিনুল ইছলামঃ** ১৫ মিনিট সময় আমি বঢ়াব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আমি ১৫ মিনিট সময় সদনৰ সময় বৃদ্ধি কৰিলো। এতিয়া আপুনি কওক? তাৰ পিছত Education Minister য়ে যোৱাবাৰ discussion ৰ ওপৰত তেখেতে ক'বলগীয়া আছে তাৰ পিচত তেখেতে Place কৰি দিব।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে আপোনাক ধন্যবাদ জনাইছো। আপোনাৰ initiative ত এটা গুৰুত্বপূৰ্ণ বিষয়, অসমৰ দুখন পাৰ্বত্য জিলাৰ উন্নয়ন আৰু সমস্যাৱলীৰ মূল্যায়ন আৰু সমাধান সুত্ৰ উদ্ভাৱনৰ কাৰণে এই বিশেষ আলোচনা অনুষ্ঠিত কৰাৰ কাৰণে আমি আপোনাক ধন্যবাদ জনাইছো। আমি এটা কথা চাব লাগিব যে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা দুখনৰ জনজীৱন আৰু জনসাধাৰণৰ যি সমস্যাৱলী সেইবিলাক প্ৰথমে আমি আলোকপাত কৰিব লাগিব। তাৰ ভিত্তিত কি পদক্ষেপ ল'লে সমস্যাবিলাক সমাধান হ'ব সেই বিষয়ে চৰকাৰে দৃষ্টি নিক্ষেপ কৰিব লাগিব। প্ৰথমে মই ক'ব বিচাৰো, আমি চাব লাগিব যে আমাৰ পাৰ্বত্য জিলা দুখনৰ জনসাধাৰণে কি সমস্যাৰ মাজেৰে জীৱন নিৰ্বাহ কৰে? আমাৰ পাৰ্বত্য অঞ্চলৰ লোকসকলে জীৱনত কিছুমান সংগ্ৰাম, (struggle) কৰে। আমি হয়তো তাতে থাকিলে তেনেকুৱা struggle কৰিব লাগিলহেঁতেন। এটা negative effect কৰিয়াইছে। এই বস্তুটো কিন্তু আলোচনা বিচাৰিম । কাৰণ কেইদিনমান পূৰ্বে ডকমকাত যিটো কাণ্ড হ'ল-এইটো কি কাৰণে হৈছে আমি যেতিয়া তদন্ত কৰিবলৈ গৈছিলো তেতিয়া তাত চাকৰি কৰি থকা অসমৰ আন জিলাৰ, অসমীয়া ভাষী মানুহে কৈছে- আমাৰ পাহাৰীয়া জিলা দুখনৰ জনসাধাৰণৰ মনত বঞ্চিত হোৱাৰ ভাৱ এটা আছে যে We are deprived আৰু ভৈয়ামৰ মানুহে অসমৰ নেতৃত্ব লৈছে- আমাক শাসন কৰে। আমাৰ পাহাৰীয়া জিলাৰ মানুহক মাহী আইৰ দৃষ্টিৰে চায়। এই এটা মানসিকতা common people ৰ মাজত আছে। আৰু থকাৰ কাৰনে আমাৰ main Land ৰ পৰা অৰ্থ্যাৎ ভৈয়াম অঞ্চলৰ পৰা কোনো মানুহ গ'লে তেওঁলোকে অন্য এক দৃষ্টিৰে চায়। তেওঁলোকৰ মনৰ ভাবটো হ'ল- ভৈয়ামৰ মানুহে আমাক শোষণ কৰি আছে, আমাক বঞ্চিত কৰিছে। আমাৰ উন্নয়ন নিবিচাৰে।

যেতিয়া ডকমকাৰ ঘটনাটো হয় - তাৰ ৰাইজে দেখিলে যে এই ল'ৰা দুইজন পাৰ্বত্য অঞ্চলৰ নহয়, গুবাহাটীৰ পৰা আহিছে বা বাহিৰৰ পৰা আহিছে। এইলোকেই আমাক শোষণ কৰে। গতিকে এনেধৰণৰ এটা মানসিকতা গঢ়ি উঠিছে বা ক্ৰিয়া কৰে বুলি কেইবাগৰাকী অসমীয়া ভাষী চৰকাৰী চাকৰিয়ালে আমাক কৈছিল। এই মানসিকতা দূৰ কৰাৰ বাবে আমাৰ চৰকাৰে তেওঁলোকক আস্বস্ত কৰিব লাগিব। কিছুমান এনেকুৱা আন্তৰিক প্ৰচেষ্টা বা পদক্ষেপ ল'ব লাগিব যাতে তেওঁলোকৰ মনৰ সন্দেহটো দূৰ হয়। তাত এটা ডাঙৰ সমস্যা হ'ল জনবসতি পাতল আৰু এলেকাবিলাক বহু ডাঙৰ। তাত একো একোখন গাও সেৰেঙা, জনবসতি বহু পাতল। পথ- ৰাস্তাৰ প্ৰয়োজন সকলোতে আছে। কিন্তু পুঁজি ধাৰ্য্য কৰাৰ সময়ত আমি সকলোৱে জানো তাৰ এৰিয়া অনুসৰি যিটো উন্নয়নৰ কাৰণে পুঁজি ধাৰ্য্য কৰা হয় সেইয়া যথেষ্ট কম । দ্বিতীয়তে আৰু এটা সমস্যা হ'ল এই পাৰ্বত্য জিলা দুখনত জনসাধাৰণৰ যিটো ডিমাণ্ড সকলোতকৈ বেছি ডিমাণ্ড আমি পাও , সেইটো হ'ল- ৱাটাৰ চাপ্লাই। আমাৰ ভৈয়াম অঞ্চলত Tubewell পুতিলে ২০-৩০ ফুটত পানী পাওঁ। তাত কিন্তু পানীৰ সমস্যাটো বহু ডাঙৰ। গতিকে জনসাধাৰণে তাত পানী লৈ খুব সংগ্ৰাম কৰিব লগা হয়। এই সমস্যাবিলাক আমাৰ ভৈয়াম অঞ্চলত বহু কম। গতিকে আমি পৃথক দৃষ্টিৰে তাত চাব লাগিব কিন্তু মাননীয় অধ্যক্ষ মহোদয় আমি এটা কথা বুজিব পৰা নাই যে স্বায়ত্বশাসিত পৰিষদ গঠন হোৱাৰ পিচত কাৰ্বি আংলং আৰু ডিমা হাচাওত Autonomous Council গঠন কৰাৰ পিচত সঁচাকৈ লাভাম্বিত হ'ল নে এইটো এটা negative effect কঢ়িয়াইছে। এই বিষয়ে আলোচনা বিচাৰিম বা অন্য অঞ্চলৰ যি সকল নেতৃবিন্দই আমাৰ শাসনৰ ক্ষমতাত আছে, তেওঁলোকে আমাক সমান মৰ্য্যদা দি আছে। এই মূলবিত্তিটো কিন্তু সেই অঞ্চলৰ সৰ্বাসাধৰণৰ মনত আমি গঢ় দিব লাগিব। আৰু তাৰ লগতে এই ক্ষেত্ৰত কিন্তু অধ্যক্ষ মহোদয়, আমি এটা অনুভৱ কৰিছো যে Autonomous Council গঠন হোৱাৰ পিছত হয়তো বহুত আশাৰে তাৰে জনসাধৰণে ভাৱিছিল যে Autonomous Council য়ে আমাক স্বায়ত্ব শাসনৰ জৰিয়তে এনেকুৱা উন্নয়নৰ কাৰণে কিবা special পদক্ষেপ লব আৰু আমাৰ development টো তৰন্দিত কৰিব। কিন্তু এনেকুৱা কিছুমান অভিযোগ আমি পাওঁ, Autonomous Council বিলাকে যেন তাত এনেধৰণৰ এটা ৰাজত্ব চলাই আছে যে বহুত তাৰে জনসাধৰণে কব খোজে যে Autonomous Council য়ে এই ফাণ্ডবিলাক misused কৰি আমাক deprived কৰি তেওঁলোকে নিজে কেইজনমানেহে লাভম্বিত হৈ আছে। এই এটা মনোবৃত্তি বা এনেকুৱা এটা ধাৰণা সৰ্বাসাধৰণ ৰাইজৰ মাজত আছে আৰু তাৰ যিকেইজন বিধায়ক আছে তেখেত সকলৰ লগত যদি আমি share কৰো, তেখেত সকলৰো মনত এটা আক্ষেপ যে Autonomous Council য়ে তাত যিখিনি development ৰ কাম কৰে, তাত even বিধায়ক সকলক তাত মাতাও নহয়, তাত আলোচনাও কৰা নহয়। তেওঁলোকে ভাৱে যে আমি এটা পৃথক চৰকাৰ, বিধায়ক সকল বিধান সভাৰ সদস্য, তেওঁলোকক আমাৰ মাতাৰো দৰকাৰ নাই বা তেওঁলোকৰ লগত আমাৰ আলোচনা কৰাৰো দৰকাৰ নাই, আমাৰটো আমি কৰিম। গতিকে এই যে এটা gape, আমি এতিয়ালৈ যিটো বুজি পালো, এই যিটো gape হৈ আছে, সেই কাৰণে আমাৰ বিধায়ক সকলেও even Autonomous Council ৰ fund utilised কৰাৰ ক্ষেত্ৰত participate কৰিব নোৱাৰে বা নিজৰ উপদেশ দিব নোৱাৰে। এনেধৰণৰ gape এটা তেওঁলোকে create কৰি ৰাখে। গতিকে এই কথা বিলাকে আমাৰ ৰাজ্য চৰকাৰৰ যিটো fund allot কৰে পাহাৰীয়া জিলাৰ কাৰণে, সেই allotted fund টো তেতিয়া misused হলেও যেন আমাৰ বিধায়ক সকলক বিধান সভাই কব নোৱাৰো যেন আমাৰ right নাই, এনেকুৱা এটা পৰিৱেশ সৃষ্টি

হৈ গ'ল। এই কথাটোৰ ফলত misused হোৱাৰ সুবিধাটো বাঢ়ি গ'ল আৰু সুবিধা বাঢ়ি যোৱাৰ লগে লগে জনসাধৰণে ভাৱি আছে যে আগতে যেতিয়া আমাৰ Autonomous Council হোৱা নাছিল, তেতিয়া আমাক deprived কৰিছিল, আমি ভাৱিছিলো Autonomous Council হোৱাৰ পিছত আমাৰ নিজৰ উন্নতি আমি নিজে কৰিম, আমি নিজেই ইয়াত সদস্য আমি যি সকল প্ৰতিনিধি নিৰ্বচিত কৰিম। দেখা গ'ল যে এতিয়া আগতকৈ যেন অলপ বেছি হ'ল, তাত ৰাজ্য চৰকাৰৰ sharing টো নোহোৱা হৈ গ'ল। তেওঁলোকে এটা স্বতন্ত্ৰ চৰকাৰ চলোৱাৰ নিচিনা চলাই আছে। ৰাজ্য চৰকাৰৰ sharing টো থাকিলে হয়তো এই fund misused বা দূৰ্নীতি বিলাক লেকাম লগাব পৰা এটা ব্যৱস্থা থাকিলে হয়। এতিয়া ৰাজ্য চৰকাৰক তেওঁলোকে avoid কৰি চলে, বিধায়ক সকলকো avoid কৰি চলে আৰু তেওঁলোকে যি কৰি আছে সেইটোত জনসাধৰণ সন্তুষ্ট নহয়। আচলতে জনসাধৰণৰ মনত যে ক্ষোভ, যি ক্ষোভৰ কাৰণে আজি ঝংকাৰ শইকীয়াৰ হত্যাকাণ্ডৰ যিটো ঘটনা হ'ল, দকমকা কাণ্ডৰ যিটো ঘটনা হ'ল, সেই কৰ্মচাৰী সকলে আমাক এইটো কব খুজিছিল যে, এইটো কিন্তু সেই জনসাধৰণৰ মনৰ ক্ষোভৰ এটা পৰিস্থিতি। এই ক্ষোভটো আমি নিৰাময় কৰিব পৰা নাই আৰু তেওঁলোকক আমি আশ্বস্ত কৰিব পৰা নাই আৰু তেওঁলোকে insecurity feel কৰি আছে যে we are always deprived. আগতে deprived হৈছিল, এতিয়াও deprived হৈ আছে। গতিকে এই ক্ষেত্ৰত আমি ভাৱো যে আমাৰ ৰাজ্য চৰকাৰে যিটো পলিচি, এটা পলিচি এনেকৈ বনাব লাগিব যাতে জনসাধৰণৰ মনত যি বঞ্চিত হৈছে তাত বা তেওঁলোকক মাহী আইৰ দৃষ্টিৰে আমি চাই আছো বুলি যিটো ক্ষোভ তেওঁলোকৰ আছে এইটো যাতে নিৰাময় কৰিব পাৰে। তাৰ লগে লগে আমি আৰু এটা কথা কব বিচাৰিছো যে আমাৰ Autonomous Council ৰ যিটো activity বিলাক আছে বা তেওঁলোকে যেনেকৈ আমাৰ বিধায়ক সকলকো বিশ্বাসত নলয় বা আমাক নজনাকৈ তেওঁলোকে যেনেকৈ কৰে, এই ক্ষেত্ৰত কিন্তু আমাৰ ৰাজ্য চৰকাৰৰ প'লিচি এনেকুৱা হ'ব লাগে যাতে আমি আৰু অলপ বেছি তদাৰক কৰিব পাৰো। Even এবাৰ আমাৰ Estimate কমিটিৰ মাননীয় অধ্যক্ষ বৃন্দাবন গোস্বামী ডাঙৰীয়াৰ লগত আমি এবাৰ এটা visit ত যাওঁতে তেখেতেও এবাৰ কৈছিল যে এবাৰ তাত যোৱাৰ পিছত এনেকুৱা হ'ল তাৰ কৰ্মচাৰী সকলে কৈছে আপোনালোকে আৰু আঁচনিবিলাক চাব নালাগে, আপোনালোকৰ কি আলোচনা আছে আমাৰ লগত আলোচনা কৰি ইয়াৰ পৰা গুচি যাওক। এনেকুৱা ধৰণৰ মনোবৃত্তি এটা তাত হৈ আছে, যে আঁচনি বিলাক চাব নালাগে ইয়াৰ পৰাই বুজাবুজিটো আমি কৰি লও এনেধৰণৰ, অফিচাৰ সকলেও এনেকুৱা প্ৰস্তাৱ দি দিয়ে। তেওঁলোকে ভাৱিয়ে লৈছে যে আমি কৰি আছো তাত চালেতো একোৱে নাপাব, গতিকে আমাৰ লগত বুজাবুজি কৰি লওঁক। গতিকে কথাটো এইযে এটা তেওঁলোকৰ মনোবৃত্তিৰে mind setting লৈ কাম কৰি আছে আৰু আমাৰ Estimate কমিটি খন থকাৰ কাৰণে আমাৰ চৰকাৰৰ এটা পাৰ্ট হিচাপে যোৱাৰ এটা scope যদিও আছিল, ভাৱিছে এইটোৰ পাৰটো আমি হাত সাৰিব নোৱাৰিম, গতিকে এটা বুজাবুজি কৰি পঠিয়াই দিওঁ। গতিকে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প'লিচিটো এনেকুৱা হ'ব লাগিব যাতে Autonomous Council ৰ activity খিনি গোটেইখিনি এটা দৰ্শনত আমাৰ আগত আহে। সেইটো যদি আমি ensure কৰিব পাৰো আৰু তেওঁলোকক ফাণ্ডটো ব্যৱহাৰ কৰাৰ কাৰণে বাধ্য কৰিব পাৰো তেনেহলে জনসাধৰণৰ এই ক্ষোভটো বহুত দূৰ হ'ব। দূৰ হলে তেওঁলোকে তেওঁলোকৰ মাজত even মই আজি ক'বলৈ বাধ্য হৈছো অধ্যক্ষ মহোদয়, যে সেই জনসাধৰণৰ মাজত একাংশ এনেকুৱা আছে যে আমি অসমীয়া মূল সুতিৰ পৰা অলপ পৃথক। অসমীয়া মূল সুতিৰ পৰা পৃথকতাবাদী এটা মনোবৃত্তিও গঢ় লৈ উঠিছে

যে আমি ট্ৰাইবেল বা আমি পাহাৰীয়া, তেওঁলোক অসমীয়া এটা বেলেগ, আমিও যেন এটা বেলেগ, এই ক্ষোভৰ কাৰণে পৃথকতাবাদী মনোবৃত্তি এটা গঢ় লৈ উঠি আছে। গতিকে তেওঁলোক যে আমাৰ অসমীয়া জাতীয় জীৱনৰ অৰিচ্ছেদ্য অংগ, বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ আৰু তেওঁলোক যে আমাৰে এটা component বা আমাৰে ingredient হয় আমাৰ জাতিৰ, এই কথাটো ensure কৰাৰ কাৰণে আমি কিছুমান পদক্ষেপ লব লাগিব। তেনেহলেহে তেওঁলোকৰ মনত এই দুখটো দূৰ হ'ব। তাৰ লগে লগে আৰু এটা কথাত মই ধন্যবাদ জনাইছো যে আমাৰ কাৰ্বিআংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ জনসাধৰণক যে যেতিয়া তেওঁলোক এই দুখন জিলাত এইটো প্ৰস্তাৰ দিয়া হৈছিল যে মেঘালয়ৰ লগত তেওঁলোক থাকিবনে অসমৰ লগত থাকিব। যদি তেতিয়া মেঘালয়ৰ লগত গুচি গ'লে হে তেতিয়া কিন্তু আমাৰ অসম বৰাক উপত্যকা আৰু বহ্মপুত্ৰ উপত্যকাৰ মাজত সম্পৰ্ক নাথাকিলে হেতেন। এতিয়া অসমৰ মানচিত্ৰখন অংকন কৰিলে অন্তত গোটেই অসমখন সামৰি একেলগ হয়, মাজত বেলেগ ৰাজ্য নাই, তেতিয়া কিন্তু এটা বেলেগ দ্বীপৰ নিচিনা হৈ গলে হেতেন। গতিকে এই দুখন যিহেতু আমাৰ অসমৰ মানচিত্ৰ খন continue কৰি ৰখাত এই জিলা দুখনে অৰিহনা যোগাইছে। গতিকে আমি আমাৰ অসমৰ অবিচ্ছেদ্য অংগ আৰু তাৰ জনসাধাৰণ অসমৰ ভূমিপুত্ৰ, বৃহত্তৰ অসমৰ জাতিৰ অংগ। এই ক্ষেত্ৰত আমি তেওঁলোকক আশ্বস্ত কৰিব লাগিব। তাৰ লগে লগে মই আৰু এটা কথা অনুৰোধ কৰিছো যে এই পাৰ্বত্য জিলা দুখনৰ জনজীৱনৰ যিটো বৈসাদৃশ্য আমাৰ ভৈয়াম অঞ্চলৰ যিহেতু আমাৰ জীৱন ধাৰাটো বেলেগ আৰু তেওঁলোকৰ জীৱন সংগ্ৰামটো বেলেগ। সেই ক্ষেত্ৰত আমাৰ প্ৰত্যেকটো বিভাগৰ যিবিলাক আঁচনি গ্ৰহণ কৰে, আঁচনি বিলাক যদি সমষ্টি ভিত্তিত সমানে বিলাই দিয়ে, কিন্তু পাৰ্বত্য জিলাৰ কাৰণে need base, তেওঁলোকৰ সংগ্ৰামটো চাই যে তেওঁলোক আচুতিয়া ধৰণৰ এটা আঁচনি বিলাকত কিবা ৰখা হয়, প্ৰত্যেক বিভাগৰ মন্ত্ৰী সকলে, চৰকাৰে যাতে গুৰুত্ব দিয়ে। এইখিনি কৈ মই অৱশ্যে পাৰ্বত্য জিলাৰ আৰু সদস্য সকল আছে, তেখেত সকলে details কব, আমাৰ দলৰ তৰফৰ পৰা আপোনাৰ এই উদ্যোগৰ কাৰণে আপোনাক ধন্যবাদ জনাই যাতে পাৰ্বত্য জিলা দুখনৰ জনসাধৰণক আমি আকোৱালী লব পৰাকৈ আমি এটা সঠিক, এটা সুদৃঢ় সিদ্ধান্ত আজি সদনে ল'ব পাৰে সেইটো আশা ব্যক্ত কৰি মই মোৰ বক্তব্য ইমানতে সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you, মই এতিয়া শিক্ষা মন্ত্ৰী ডাঙৰীয়াক যোৱাবাৰ আমাৰ যিটো প্ৰাথমিক, মাধ্যমিক, উচ্চ, বে-চৰকাৰী শিক্ষানুষ্ঠান সমূহত দেখা দিয়া বিভিন্ন সমস্যা সমূহৰ ওপৰত আলোচনা হৈছিল। আমি report টো circulate কৰিম, মই আজি কৰিব নোৱাৰো, মই কিন্তু কৰাই দিম। তেখেতে synopsis এটা অলপমান ক'ব আৰু ৰিপ'ৰ্টো পোৱাৰ পিছত আপোনালোকৰ লগত পিছত আমি আলোচনা কৰিম।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অধ্যক্ষ উদ্যোগ শিতানত বিগত বিধান সভা অধিৰেশনত যি বক্তব্য ৰাখিছিলে বিভিন্ন সদস্য সকলে আৰু তেখেত সকলৰ পৰামৰ্শ আমি গোটেইখিনি চাইছো। এই সংক্ৰান্তত চৰকাৰে যি তেখেত সকলৰ পৰামৰ্শ গ্ৰহণ কৰিছে আৰু তেখেত সকলৰ পৰামৰ্শৰ ওপৰত আমি ভৱিষ্যতে শিক্ষা জগতখনক কি ভাৱে আগবঢ়াই নিব বিচাৰিছো সেই সম্পৰ্কত এটা লিখিত প্ৰতিবেদন আপোনালোকৰ ওচৰত দাখিল কৰিছো। অধ্যক্ষ মহোদয়, আজি সময় প্ৰতিবন্ধিতা আছে, গতিকে মই থুলমূলকৈ দুটা মান কথা কব বিচাৰিছো। প্ৰথম কথা হৈছে যে Government is a continues process. আমি যদি অসমৰ ইতিহাস চাও তেতিয়া দেখিম কোনোবা দলে কিছুমান দিন চলাইছে, তাৰ পিছত অন্য এটা দল আহিছে, তাৰ পিছত অন্য

দল আহিছে, আকৌ আহিছে, আজি হয়তো আমি আহিছো। কিন্তু Government, এই Government টো চলিয়ে আছে এইটো কেতিয়াও শেষ হৈ নাযায়। ঠিক তেনেকৈ শিক্ষা মন্ত্ৰী হয়তো সলনি হৈ আছে, কিন্তু শিক্ষা লগত জড়িত যি বিষয়বোৰ, সেই বিষয়বোৰ কিন্তু সদায় প্ৰাসঙ্গিক হৈ আছে। মই শিক্ষামন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰা বৰ বেছি দিন হোৱা নাই। কিন্তু শিক্ষামন্ত্ৰী দায়িত্ব গ্ৰহণ কৰাৰ ঠিক পিছতে মই আমাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই মোক লিখিত ভাৱে তেখেতৰ সক্ৰান্তত যিখিনি কথা সেইখিনি কথা জনাইছিলে। মইও তেখেতক লিখিতভাৱে এটা কথা কৈছিল যে কোনোৱা শাসকীয় দলত আছে, কোনোৱা বিৰোধী দলত আছে, সেইটো ডাঙৰ কথা নহয়। কিন্তু আমি সকলোৱে ৰাজনীতি জগতখনত আহিছো, আমাৰ অসমখনক দেশখনক ভাল কৰিবৰ কাৰণে সমাজখনক উন্নত কৰিবৰ বাবে। সেইবাবে আমাৰ সকলোৰে সহযোগীতাৰ মাধ্যমৰে আমি আগবাঢ়ি যাব পাৰিম। গতিকে মই বিৰোধী দলৰ দলপতি ডাঙৰীয়াক আনুষ্ঠানিকভাৱে ধন্যবাদ জনাইছো যদিও মই লিখিতভাৱে আগতে কৈছিলো যে আমি সমালোচনা বিচাৰো। শিক্ষাজগতখন যদি কিছু খেলি-মেলি আহিছে আপোনালোকৰ দলৰ চৰকাৰৰ দিনতে হৈছে নে আমাৰ চৰকাৰৰ দিনত হৈছে এনেকুৱা ধৰণৰ বিতৰ্ক শিক্ষা জগত খনক আগবঢ়াই নিনিয়ে। গতিকে কোন দলে কি কৰিলে কোনো কিয় কৰা নাছিলে, আপোনালোকে নকৰা কাৰণে আজি আমি এনেকুৱা ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হৈছে। এনেকুৱা ধৰণৰ বিতৰ্কৰ মই ভাৱো অৱসান হব লাগে। আজি যিসকল মাননীয় সদস্য তেখেত সকলৰ পৰামৰ্শ দিছিলে মই গোটেইখিনি পঢ়িছো। মই পঢ়ি দেখিছো, সকলোৰে মনত কিন্তু এটাই ইচ্ছা এটাই আগ্ৰহ সেইটো হৈছে আমাৰ সমাজখনত শিক্ষাৰ যি এটা Down Hill গৈ আছিলে এই Down Hill যিটো প্ৰক্ৰিয়া সেইটো বন্ধ কৰিব লাগে আৰু বন্ধ কৰি পেলাই মাতৃভাষাৰ প্ৰসাৰ আৰু মাতৃভাষাৰ বিদ্যালয় সমূহক চৰকাৰী বিদ্যালয় সমূহক উন্নত কৰাৰ প্ৰয়োজন। সেইবাবে আজি আমি এখন Assam School Education Act. 2019 Draft প্ৰস্তুত কৰিছো আৰু এইখন মাননীয় বিধায়ক সকলৰ মাজত বিতৰণ কৰি দিয়া হব আৰু তাৰ পিছত পৰৱৰ্তী অধিৱেশনত যেতিয়া উত্থাপন কৰিম এই সম্পৰ্কে আমি যথেষ্ট চিন্তা-চৰ্চা কৰিম। কৰি পেলাই আমি হয়তো এখন Education Policy কিয়নো আজিলৈকে আমাৰ অসমত যিটো আমাৰ School Education টোৰ সম্পৰ্কে কোনো নিৰ্দিষ্ট চিন্তা ধাৰা কিন্তু হোৱা নাছিলে, শিক্ষাৰ ক্ষেত্ৰত যিমান পৰীক্ষা নিৰীক্ষা হৈছে শিক্ষাৰ লেখীয়াকৈ পৰীক্ষা নিৰীক্ষা কোনো বিভাগতে হোৱা নাই। সকলোৰে একো একোটা নিজস্ব চিন্তা আছে আৰু সেই চিন্তাত তেখেত সকলৰ প্ৰতিফলিত কৰিব বিচাৰিছে। কেতিয়াবা হয়তো এই যিবোৰ চিন্তা পৰৱৰ্তী দিনত হয়তো সঠিক হোৱা নাছিল বুলি হয়তো প্ৰমাণিত হৈছে। মই কাকো দোষ কৰিব খোজা নাই, আমি মাথো, মই অনুভৱ কৰো যে আমি সামগ্ৰীকভাৱে যদি এটা সুষ্ঠিৰ চিন্তাৰে অসমৰ শিক্ষা জগত খনক আগবঢ়াই নিব পাৰো । তেতিয়া হলে আমাৰ যি সকল উত্তৰ পুৰুষ, উত্তৰ পুৰুষ সকলৰ ভৱিষ্যতক আমি উন্নত কৰিব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ হাতত লিখিত প্ৰতিবেদন দাখিল কৰিছো, কিন্তু থুল মুলকৈ দুটা চাৰিটা কথা কম। প্ৰথমতে আমাৰ চৰকাৰী মাধ্যমৰ যিবোৰ বিদ্যালয় আছে, এই বিলাকৰ যি মাধ্যমত পাঠদান কৰা হয়, সেইটো হৈছে মাতৃভাষা এই মাতৃভাষা অসমত বিভিন্ন জনগোষ্ঠী আছে, তেখেত সকলৰ সকলোৰে ভাষা সামগ্ৰীকভাৱে সামৰি আমাৰ প্ৰাথমিক, উচ্চ প্ৰাথমিক বা মাধ্যমিক শ্ৰেণী আমি পাঠদান কৰিছো। এই ক্ষেত্ৰত মই অনুভৱ কৰো যে প্ৰাক্ প্ৰাথমিক আমাৰ অসমত প্ৰাক প্ৰাথমিক প্ৰায় ৩৬,৫০০ খন মান এতিয়াও প্ৰাক প্ৰাথমিক (ক) শ্ৰেণী বুলি কয় এই (ক) শ্ৰেণীটো চলিয়ে আছে। কিন্তু পৰ্য্যায়ক্ৰমে মই অনুভৱ কৰো যে আমি

এটা সময়ত অংগনবাড়ী মাধ্যমেৰে প্ৰাক প্ৰাথমিক শিক্ষা দান কৰাৰ এটা চিন্তা কৰিছিলো। কিন্তু তাৰ ফলত ২ টা কথা হয় এটা কথা হৈছে, যে প্ৰাক প্ৰাথমিক শিক্ষাৰ যদি এখন বিদ্যালয় নাথাকে তেতিয়া হলে প্ৰাক প্ৰাথমিক বিদ্যা কোনোৱা এখন ব্যক্তিগত খণ্ডৰ কোনোৱা নাৰ্চাৰী বা কেজি বিদ্যালয় বোৰত পঢ়ি পৰৱৰ্তী সময়ত কিন্তু চৰকাৰী বিদ্যালয় সমূহলৈ সেই ছাত্ৰ-ছাত্ৰী সকলক বা অভিভাৱক সকলে পঠাব নোখোজে। গতিকে মই অনুভৱ কৰো যিটো আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াইও তেখেতৰ পৰামৰ্শত কৈছে। যে প্ৰাক্ প্ৰাথমিক যিটো শ্ৰেণী এই প্ৰাক প্ৰাথমিক শ্ৰেণীৰ আমি আমাৰ চৰকাৰী যিবোৰ প্ৰাথমিক বিদ্যালয় আছে। তাত আমি অন্তৰ্ভূক্ত কৰাৰ প্ৰয়োজন আছে, ইয়াৰ লগতে কিছু প্ৰসংগ আহি যায়, আৰু সেই প্ৰসংগবোৰ হ'ল যে আমি শিক্ষক সকলোকো কিন্তু আধুনিক শিক্ষা প্ৰদানৰ যিটো পদ্ধতি সেই আধুনিক শিক্ষা প্ৰদানৰ পদ্ধতি বোৰৰ সম্পৰ্কে তেখেত সকলে প্ৰশিক্ষিত কৰিব লাগিব। তেখেত সকলোকো আমি এই ক্ষেত্ৰত সজাগ কৰিব লাগিব আৰু কোনোৱাই যদি তেনেকুৱা ধৰণৰ প্ৰশিক্ষণ লোৱা নাই বা তেখেত সকলৰ প্ৰশিক্ষণ নাছিলে, তেখেত সকলে যেতিয়া যোগদান কৰিছিলে তেখেত সকলৰ সেই প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। এই ক্ষেত্ৰত মই আপোনাক জনাব বিচাৰিছো যে বিগত যিটো বাজেট অধিৱেশনৰ যিখন বিত্ত মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ভাষণ দিছিলে তাত কেইবাটাও এনেকুৱা ধৰণৰ পদক্ষেপৰ কথা কোৱা হৈছে। মই থুল মূলকৈ এইটো কব পাৰো যে এই ক্ষেত্ৰত যথেষ্ট আগবাঢ়িছো হয়টো ২/৪ দিনৰ ভিতৰতে আপোনালোকে ফলাফল দেখিবলৈ পাব। কিয়নো আমি যিটো B.Ed Colleges আছে বা B.Ed শিক্ষাত যিটো আমাৰ অনুষ্ঠান বোৰ আছে। এইবোৰ আমাৰ প্ৰাথমিক শিক্ষাত ৰখা হৈছিলে কিন্তু মই দেখিছো যে বিৰোধী পক্ষৰ সৈতে বিভিন্ন সদস্য সকলে বিচাৰিছে যে এই B.Ed কলেজ সমূহক আমি উচ্চশিক্ষাৰ যিটো বিভাগ উচ্চ শিক্ষা বিভাগৰ লগত জড়িত কৰিলে আৰু হয়টো অধিক ফলপ্ৰসু হব। সেই সম্পৰ্কে আমি সিদ্ধান্ত লৈছো মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ সফলতাৰ তালিকা মই আপোনালোকৰ আগত দাঙি ধৰিব নালাগে সেই সম্পৰ্কে আপোনালোকে জ্ঞাত। আমি বিভিন্ন সময়ত অনুভৱ কৰিছো যে আধুনিক শিক্ষাৰ ক্ষেত্ৰত আমি তথ্য প্ৰযুক্তিক গ্ৰহণ কৰিব লাগিব আৰু তথ্য প্ৰযুক্তিত যদি গ্ৰহণ কৰিব লাগে সেই তথ্য প্ৰযুক্তিক আমি ছাত্ৰ-ছাত্ৰী সকলক মাধ্যমিক পৰ্য্যায়ৰ পৰা প্ৰাথমিক পৰ্য্যায়ৰ তেখেত সকলক আমি এই শিক্ষা প্ৰদান কৰিব লাগিব। শিক্ষাৰ সম্পৰ্কে তেখেত সকলক আমি জ্ঞাত কৰিব লাগিব আৰু সেইবাবে আমি বৰ্তমান যিটো IT, এই IT ৰ লগত সংগতি ৰাখি তথ্য প্ৰযুক্তিৰ মাধ্যমেৰে আমি এই ক্ষেত্ৰত পদক্ষেপ লবলৈ আৰম্ভ কৰিছো। দ্বিতীয়তে, মই যিটো কথা কব বিচাৰিছো সেইটো হৈছে যে আমাৰ উত্তৰাধিকাৰী সূত্ৰে আমি কিছু সমস্যা পাইছো যি বিলাক সমস্যা হয়তো শিক্ষা জগতখনত আমি সমাধান কৰাৰ প্ৰয়োজন আছে। শিক্ষক সকলৰ সমস্যা তেখেত সকলৰ নিযুক্তিৰ সমস্যা। বা নতুনকৈ শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত কিছু সমস্যাৰ সন্মুখীন হৈ আহিছো, সেইটো আজিৰ কথা নহয়, এইটো পৰাম্পৰাগতভাৱে চলিয়ে আহিছে। মই আশা কৰো যে এই সদনৰ সকলো সদস্যকে অনুৰোধ কৰো যে এই ক্ষেত্ৰত সকলোৰে সহায় সহযোগীতাৰে আমি এই সমস্যা সমূহ পৰ্য্যায়ক্ৰমে সমাধান কৰিব লাগে। কিয়নো If we allow any germ to attack in any part of our body other then control it সেইটোৱে আমাৰ গোটেই শৰীৰকে ক্ষতি কৰিব। মই এই ক্ষেত্ৰত সকলো সদস্যৰে সহায়-সহযোগিতা বিচাৰিছো। বিৰোধী পক্ষৰ যি সকল মাননীয় সদস্য আছে মই তেখেত সকলোৰো সহায়-সহযোগিতা বিচাৰিছো। আৰু আশা কৰিছো যে তেখেত সকলৰ যিটো ইতিবাচক পৰামৰ্শ সকলোকে একত্ৰিত কৰি আমি আমাৰ উচ্চ শিক্ষায়ে হওঁক বা কাৰীকৰি

শিক্ষাৰ ক্ষেত্ৰত আমি যথেষ্ট পদক্ষেপ লৈছো আপোনালোক সকলোৱে জানে এই সকলো দিশক সামৰি অসমৰ শিক্ষা জগতখনক এটা সামগ্ৰীক উন্নয়নৰ পথত লৈ যাব বিচাৰো। যাতে আজি আমি কি শুনো আমাৰ ল'ৰা-ছোৱালি য়ে বাহিৰলৈ পঢ়িব যাবলগীয়া হৈছে। বিশ্বৰ যিবোৰ বিশ্ববিদ্যালয় তালিকা প্ৰকাশ কৰা হয় সেই তালিকাত কিন্তু চাব ভাৰতবৰ্ষৰ শিক্ষানুষ্ঠান বিলাকৰ যি Placing এইটো প্ৰায় ২০০ৰ পিছতহে আৰম্ভ হয় ৫০০খন তালিকা প্ৰস্তুত কৰা হয়। অধ্যক্ষ মহোদয়, আপুনি বিষয়োৰ ওপৰত সকলোকে বক্তব্য ৰাখিবলৈ সুযোগ দিলে আৰু আজি সময়ৰ নাটনি হোৱাৰ স্বত্বেও মোক দু-আষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো আৰু বিষয়টিৰ ক্ষেত্ৰত সদনৰ সকলো সদস্য-সদস্যাৰ সহায়-সহযোগিতা কামনা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় শিক্ষা মন্ত্ৰীৰ তৰফৰ পৰা যিখন প্ৰতিবেদন পাইছো সেইখন মই সদনৰ সকলো মাননীয় সদস্য-সদস্যাৰ জ্ঞাতাৰ্থে দাখিল কৰি দিম। শিক্ষা বিভাগৰ সমস্যাক লৈ আমি চাৰিদিন ধৰি ষ্টেকহোলডাৰ সকলৰ লগত আৰু তাৰি পিছত অধ্যক্ষ বিশেষ উদ্যোগ শিতানত প্ৰায় দুদিন ধৰি সদনত আলোচনা কৰিছিলো। তাত শিক্ষা বিভাগৰ সমস্যাৰ ওপৰত ভালেখিনি কথা আহিছিল। মন্ত্ৰী ডাঙৰীয়া বাহিৰৰ পৰা পৰহি আহিছে - তথাপিও সেই বিষয়সমূহৰ ওপৰত সদনত প্ৰতিবেদনখন দিলে - তাৰ বাবে ধন্যবাদ জনালো। মই মাননীয় সদস্য সকলক এটা অনুৰোধ কৰিব বিচাৰিছো যে - আজি আবেলি যিসকল মাননীয় সদস্যই বক্তব্য ৰাখিব বিচাৰে তেওঁলোকে যাতে ১০-১২ মিনিটৰ ভিতৰত বক্তব্য শেষ কৰে যেন। লগতে সদনক আৰু এটা কথা অৱগত কৰিব বিচাৰিছো যে - আজি পিছবেলা দুই বজাত সদন আৰম্ভ হ'ব বুলি মই সদনত যোৱাকালি ঘোষণা কৰিছিলো যদিও বিশেষ কাৰণত আজিৰ সদন আবেলি দুই বাজি পোন্ধৰ মিনিটলৈ স্থগিত ৰখা হ'ল।

**শ্ৰী আব্দুল খালেক,বিধায়ক ঃ মা**ননীয় অধ্যক্ষ মহোদয়,আপুনি সদনত কৈছিল যে পৰৱৰ্তী আলোচনা ২ —১৫ ৰ পৰা আৰম্ভ হব। সময় পাৰ হৈ গ'ল, এলাৰ্মও নাবাজিল , অধ্যক্ষ মহোদয়। এইটো নজিৰবিহীন ঘটনা এতিয়ালৈকে সদনত মন্ত্ৰীও অহা নাই। প্ৰধান সচিব আছে। এনেকুৱা ঘটনা যাতে ভৱিষ্যতে নহয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। ভৱিষ্যতে এইটো নহ'ব। ২ —১৫ ত আৰম্ভ কৰাৰ মোৰো ইচ্ছা আছিল , সেয়েহে আজি মই ২ —১৫ বজাত সময় দিছিলো। যিহেতু সময়ত আৰম্ভ কৰিব পৰা নগল মই সময় বেছি দিব বিচাৰিছো। পাৰিলে আমি কিছু সময় এক'মোডেট কৰো।সাধাৰণতে বিয়লি ৩ বজাৰ পৰা আমাৰ ৰেগুলাৰ টাইম হয়। মইহে সময়টো অলপ আগুৱাই দিছিলো। গড়কাপ্তানি বিভাগে সকলো বিধায়কক লগত লৈ আমাৰ যিটো গেপ আছে সেই সময়খিনিতে ডেৰ বজাত তেওঁলোকে এখন মিটিং কৰিব বিচাৰিছে চাহ বাগান অঞ্চলৰ পথসমূহ নিৰ্মাণ কৰা আঁচনি সম্পৰ্কত। সেইমৰ্মে তেওলোকে মিটিংখন ডেৰ বজাত দিলে । মই ভাবিলো যে ১৫ মিনিট পিছত যদি মিটিংখন শেষ হয় তেতিয়া তাত থকা বিধায়ক সকলেও ইয়ালৈ আহিব পাৰিব। ঠিক আছে, এতিয়া আমি আলোচনালৈ আহিছো। মই প্ৰথমতে শ্ৰীজয়ৰাম ইংলে ডাঙৰীয়াক কবলৈ অনুৰোধ কৰিছো।

**শ্ৰীজয়ৰাম ইংলে, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাহাৰীয়া ৰাইজৰ কথাটো আগত ৰাখি যিটো ইচ্যু লৈ পেলাই অভাৱ-অভিযোগৰ কথা পাতিবলৈ আজি সদনত যি ইনিচিটিভ লোৱা হৈছে তাৰ বাবে আপোনাৰ লগতে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ সংবিধানৰ গণ্ডীত আজিলৈকে কি কি হৈ আছে বা কি কি হ'ব লাগে, ছয় জনগোষ্ঠীৰ ক্ষেত্ৰত সংবিধানত থকা প্ৰভিজন ১৯৩৫, ১৯৩৬ ৰ পৰা আহি, বৃটিছৰ দিনৰ পৰা আহি আহি বৰ্তমানৰ

অৱস্থালৈকে যিটো আছে সেইখিনি ডাঃ মনসিং ৰংপি ডাঙৰীয়াই বৈঠকত ডাঙি ধৰিলে আৰু লগতে তাত ৰণোজ পেগু ডাঙৰীয়াকে ধৰি অন্যান্য আমাৰ মাননীয় বিধায়ক সকলে যি ধৰণে সহযোগ কৰিলে তেওঁলোকক মই ধন্যবাদ জনাইছো। আজি পাহাৰীয়া ৰাইজৰ মনত আমি প্ৰতাৰিত হোৱাৰ কাৰণে আমাৰ উন্নয়ন নহ'ল আৰু এতিয়া উন্নয়নৰ সম্ভাৱনাও তেনেকৈ দেখা নাই, এই কথাটো মনত শিপাবলৈ লৈছে। অধ্যক্ষ মহোদয়, আমি যদি অতীতলৈ ঘূৰি চাবলৈ যাও তেতিয়া দেখা যায় যে, বহুতো সময়ত বহুতো কথা কোৱা হৈছিল, কিন্তু ৰূপায়ণৰ ক্ষেত্ৰত সেইটো হোৱা দেখা নাযায়। বিশেষকৈ আমাৰ আগৰ মাননীয় মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ দিনতে যিটো Assam Re-organizastion হৈছিল, সেই সময়তো কিছুমান কথা কৈছিল, মই সদনক জনাবলৈ পায় সুখী অনুভৱ কৰিছো যে স্বাধীনতাৰ পিচৰে পৰা মোৰ দেউতাই ১নং সমষ্টিৰ পৰা অসমৰ জনপ্ৰতিনিধি হিচাপে নিৰ্বাচিত হৈ আহিছিল। তেতিয়া তেখেতৰ লগত কথা বিলাক পাতোতে মই কিছুমান কথা উপলব্ধি কৰো। তেতিয়া কৈছিল যে ভাৰতীয় সংবিধানৰ ২৪৪ নং অনুচ্ছেদৰ অধীনত মেঘালয় ৰাজ্যক অট'ন'মাচ ৰাজ্য হিচাপে ঘোষণা কৰা হব আৰু সেই ৰাজ্যত কেনেধৰণৰ উন্নয়ণমূলক কাম কৰা হব। তেতিয়া কোৱা হৈছিল যে আপোনালোক অসমতে থাকক, অসমৰ লগত মিলি থাকক, বৰঘৰৰ লগতে সদস্য হিচাপে থাকক তেতিয়া আপোনালোকৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে একো অভাৱ অনুভৱ কৰিব দিয়া নহব আৰু আপোনালোকক উন্নয়ণৰ দিশত আগুৱাই নিয়াত আমি সৰ্বতপ্ৰকাৰে সহায় কৰিম। কিন্তু কালক্ৰমত দেখা গৈছে যে কথাটো তেনেকৈয়ে থাকি গল। আকৌ মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ দিনতো একেই ধৰণৰ Commitment দিলে আৰু সুদীৰ্ঘ এই দুটা Commitment দিয়াৰ পিচত অসমতে থাকি গল কাৰ্বি-আংলং আৰু ডিমা হাচাওঁ (সেই সময়ত উত্তৰ কাচাৰ পাহাৰ জিলা আৰু মিকিৰ পাহাৰ জিলা হিচাপে আছিল)।

১৯৭৯ চনত মূখ্যমন্ত্ৰী শৰৎ সিংহ চাৰ আছিল, তেখেতেওঁ কিছু প্ৰতিশ্ৰুতি দিছিলে, কিন্তু সেইবোৰো প্ৰতিশ্ৰুতি হৈয়েই থাকিল, কোনো ধৰণৰ সহায় সহযোগীতা আগবঢ়োৱা দেখা নগল। তাৰ পিচতে কম সময়ৰ বাবে মুখ্যমন্ত্ৰী হৈ আছিল গোলাপ বৰবৰা ডাঙৰীয়া। তেখেতে কৈছিল যে আপোনালোকৰ কথাবোৰ Study কৰি থকা হৈছে। আপোনালোক পাহাৰীয়া মানুহ আপোনালোকৰ বহুতো নাটনি, টকা পইছাৰ অভাৱ আদি আছে। Fund ৰ প্ৰয়োজন আছে গতিকে ইয়াৰ বাবে চিন্তা-চৰ্চা কৰি থকা হৈছে। ইয়াৰ পিচত পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে আছিল হিতেশ্বৰ শইকীয়া দেৱ। তেখেতে কাউন্সিলৰ প্ৰধান সচিব আৰু জিলা উপায়ুক্তকলৈ এখন Study Committee গঠন কৰি দিছিল। ১৯৯২ চনৰ কথা, ডিমা হাচাওঁ তেতিয়া উত্তৰ কাচাৰ পাহাৰ আছিল, তাতো একেধৰণৰ Committee বনাই দিছিল। Study Committee ৰ দায়িত্ব আছিল সেই অঞ্চলৰ অভাৱ আভিযোগ বিলাক সন্নিবিষ্ট কৰি কি কৰিলে ভাল হয়, Funding কিমান জৰুৰী এই গোটেই বিলাক কথা পুংখানুপুংখ ভাৱে Study কৰি প্ৰতিবেদন দাখিল কৰিব লাগে। ১৯৯৪ চনত Study Committee এ Report দাখিল কৰিলে, কিন্তু Study Committee ৰ Report ত কি আছিলে সেইটো ৰাজহুৱা নকৰিলে ফলত আজিলৈকে কোনেওঁ ভিতৰুৱা কথা বিলাকৰ বিষয়ে গমকে নাপালে। আকৌ ১৯৯৫ ত MOU Agreement হ'ল আৰু তাত ৩০ টা বিভাগ হস্তান্তৰ কৰাৰ কথা কলে, কিন্তু আজিলৈকে মাত্ৰ ২৬ টা বিভাগহে হস্তান্তৰ কৰিলে বাকী ৪ টা বিভাগ যেনে - Sales Tax, Exise, Printing & Stationary and Transport. থাকিয়ে গল। এই ৪ টা বিভাগ আজিকোপতি হস্তান্তৰ নকৰিলে। ইয়াৰ পাচত ক্ৰমান্বয়ে ইটোৰ পিচত সিটো কিবাকিবি Commitment আহিয়েই আছে, গতিকে ৰাইজে এতিয়া

এইবিলাকক এটা প্ৰতাৰণাৰ দলিল হিচাপে ভাবিবলৈ লৈছে কাৰণ এইবিলাক বাস্তৱত ৰূপায়িত হোৱা নাই। গতিকে এই অঞ্চলৰ জনসাধাৰণে এতিয়া বিশ্বাস কৰিবলৈ লৈছে যে আমাক মাহী আইৰ চকুৰে চাই আছে। আজি যদি কাৰ্বি-আংলং, ডিমা হাচাও ৰাইজৰ শিক্ষা-দীক্ষা, স্বাস্থ্য আদিকে ধৰি আৰ্থ-সামাজিক উন্নয়ণৰ দিশটো চাবলৈ যায়, তেতিয়া সেই Commitment বিলাকৰ কথা মনত পৰে। তেতিয়াৰ মাননীয় মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ দিনৰে পৰা এটাৰ পিচত আনটো MOU Agreement ৰ পৰা Study Committee ৰ Report লৈকে Commitment বিলাক প্ৰতাৰণাৰ দলিল হিচাপে আহিয়েই আছে। তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ ভাষ্য মতে -' আজি মেঘালয় অসমৰ পৰা আতৰি আহি উন্নতি কৰিব বিচাৰিছে, কিন্তু কিমান কৰিব ! গতিকে আপোনালোক অসমতে থাকক। অসমতে থাকি অসমৰ লগত সহযোগীতা আগবঢ়ায় যাওঁক, আমি যিমান পাৰো আপোনালোকক সহায় কৰিম আৰু আপোনালোকে একো অভাৱ অনুভৱ নকৰিব।' এবাৰ আমি কেইজনমান লগহৈ মেঘালয়ৰ সীমান্তবৰ্তী অঞ্চলত থকা গাওঁত বসবাস কৰিবলৈ লৈছিলো, কিন্তু সন্ধিয়া হোৱাৰ লগে লগে আমি দেখিবলৈ পালো যে মেঘালয়ৰ অন্তৰ্গত গাওঁ সমূহ লাইটৰ পোহৰত জিলিকি আছে আৰু আমাৰ গাওঁ বিলাক চাকি, লেম্প আৰু খৰি জ্বলাই পোহৰৰ ব্যৱস্থা কৰিব লগা হৈছে। তাৰোপৰি মেঘালয়ৰ অন্তৰ্গত গাওঁ সমুহত সীমান্তবৰ্তী অঞ্চললৈকে পকী ৰাস্তা আছে, কিন্তু আমাৰ ইয়াত লুংলুঙীয়া ৰাস্তায়েদি ৫-৬ ঘণ্টা খোজকাঢ়ি গাওঁ বিলাকত যাব পাৰি। গতিকে প্ৰশ্নটো হল মেঘালয়ে আজি কেনেকৈ উন্নতি কৰিলে আৰু আমাৰ অঞ্চল বিলাকত উন্নতি কিয় নহ'ল, কিয় পিচপৰি থাকি গল ? চৰকাৰক প্ৰশ্ন কৰিলে কয় - দুৰ্নীতি হৈছে। দুৰ্নীতি ক'ত হোৱা নাই, সকলোতে হৈছে । কিন্তু উন্নতিও হ'ব লাগে। নাগালেণ্ড বোৰ্ডাৰলৈকে গ'লে সেইটো দেখা পায়। মাইনচ্ এণ্ড মিনাৰেলচ্ৰ মন্ত্ৰী ডাঙৰীয়াই যিটো ৰিপ্লাই দিলে যে আমাৰ ইয়াত ইমান মাইনচ্ এণ্ড মিনাৰেলচ আছে, বিশেষকৈ মই ক'ব বিচাৰো ৰিচ'ৰ্চ মবিলাইজেশ্যনৰ ক্ষেত্ৰত কাৰ্বিআংলং অটোনমাচ কাউঞ্চিল, ডিমা হাচাও অটোনমাচ কাউঞ্চিলত সেই সুবিধাটো আজিলৈকে দিয়া দেখা নাই। ইয়াৰ প্ৰত্যেকটো এৰিয়াতে কয়লা আছে, চূণ-শিল আছে, porcelain আছে সেইখিনি আজিলৈকে এক্সট্ৰেক নহ'ল। কিন্তু চোৰ বিলাকে চোৰ কৰি নি আছে। ৰয়েলিটি বা তেনেকুৱা ধৰণৰ টেক্সৰ পৰা আমি বঞ্চিত হৈ আছো। যদি চিকিৎসা ব্যৱস্থা নাগালেণ্ড বোৰ্ডাৰত থাকে আমাৰ এইফালে ঔষধ পাতি নাপাব। যাব লাগিব ডিমাপুৰলৈ, মনেচ্নাইলৈ, কান্দুলি পাৰ হৈ মেঘালয় এৰিয়ালৈ আৰু খাটখাচালা পাৰ হৈ তেওঁলোকৰ সৰু সৰু টাউন চিপ, তিনিআলি, চাৰিআলি আছে, ফাৰ্মাচী বিলাক আছে তাতে গৈ আমি ঔষধ বিলাক লব লাগে। গতিকে এইখিনিয়ে পৰামৰ্শ। এটা সময়ত মই দিল্লীৰ আজাদপুৰ চবজিমণ্ডীলৈ যাওঁতে তাত থকা আদাবোৰ দেখি সুধিছিলো যে এইবোৰ কৰ পৰা অহা ? তেওঁলোকে ক'লে যে মেঘালয়ৰ পৰা অহা। মই নিজেই দেখিছো যে তাত অসমৰ পৰা যোৱা আদা আজাদপুৰ চবজি মণ্ডীত দম হৈ আছে। তেতিয়াই মোৰ এটা চিন্তা হৈছে যে আমাৰ বস্তুৰ মালিক হৈ গ'ল বেলেগ। তাৰমানে আমাৰ ৰাস্তা নাই আৰু অসাধু মানুহ কিছুমানে বেচি আছে। যিটো কাৰণে ঘৰৰ মানুহে ৪০৭ বা মূৰত খাওত তুলি লৈ গৈ মেঘালয়ত বিক্ৰী কৰে। যাৰ ফলত এইটো মেঘালয়ৰ আদা হৈ গ'ল। ঠিক তেনেদৰে দালচিনি বা অন্যান্য বস্তু বিলাক বাহিৰে বাহিৰে অন্যান্য ঠাইলৈ গৈ আছে। গতিকে প্ৰতাৰনাৰ দলিল হিচাবে গোটেই খিনি লৈ পেলাই আগন্তুক দিনত যে আৰু বেছি ৰাইজে আশা কৰিব এইকাৰণে মাজে মাজে তেওঁলোকৰ ধৈৰ্য্য নাইকিয়া হৈ যায়। অটোন'মাচ ষ্টেট খোজাৰ কাৰণে দলৰ নামেই হৈ গ'ল এ এচ ডি চি (অটোন'মাচ ষ্টেট ডিমাণ্ড কমিটি)। তাৰ পিছত কিছুমান উগ্ৰ জাতীয়তাবাদী ভাৱ লৈ বা তেনেকুৱা ধৰণৰ কিবা

প্ৰতাৰণা কৰা কথাখিনি মনত লৈ পেলাই কিছুমানে হাতত বন্দুক লৈ উগ্ৰপন্থী হিচাবে কাম কৰিবলৈ আৰম্ভ কৰিছে। এসময়ত নবীন বৰ্মা জী তেতিয়াৰ হোম চেক্ৰেটাৰীৰ লগত কথা পাতোতে তেখেতে কৈছিলে আৰু মই কৈছিলো যে আমাৰ পাহাৰীয়া মানুহে বন্দুক লৈ ভাল পায়। আগৰ দিনতো জীৱ-জন্তুৰ ভয়ত বন্দুক হাতত লৈছিলে। কিন্তু এতিয়াও এনেকুৱা অৱস্থা আহিছে যে আমাৰ প্ৰাপ্যটো আদায় কৰিবলৈবন্দুক লোৱাৰ দৰকাৰ। এনেকুৱা ধৰণৰ এটা বেয়া চিন্তা তেওঁলোকৰ মনত সোমাই গৈছে। এই যে ইমান দিনৰ পৰা প্ৰতাৰিত হৈ আজি মানুহে ক'বলৈ লৈছে যে আমাৰ সৰ্বাংগীন উন্নতিৰ কাৰণে এইবিলাক কথা সমীচিন হোৱা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আজি মই সদনত এইটোৱে জনালো যে অসম বিভক্ত নকৰাকৈ অসমৰ চাৰিসীমা একে ৰাখি ষ্টেট উইদিন ষ্টেট আৰটিকুলটো ইম্পলিমেণ্ট কৰিব লাগে, আপোনাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰলৈ ৰিক'মেণ্ড কৰিব লাগে আৰু শক্তিশালী অসম গঢ়াত সৰ্বাংগীন উন্নতি কৰাত যাতে এই পাহাৰীয়া জিলা তিনিখনে অৰিহণা যোগাব পাৰে তাৰ বাবে অনুৰোধ জনালো। ক'বলগীয়া বহুতো আছে কিন্তু যিখিনি মূল কথা সেইখিনি কলো। গতিকে পুনৰ আপোনাক তথা মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তব্য সামৰনি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দেবব্ৰত শইকীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে আপোনাক এই পাৰ্ব্যত্য জিলা কেইখনৰ উন্নয়ণৰ বাবে অধ্যক্ষৰ উদ্যোগত যি আলোচনাৰ আয়োজন কৰিলে তাৰ বাবে ধন্যবাদ জনাইছো। মই আলোচনাৰ প্ৰাক্ মূহুৰ্তত উপস্থিত থাকিব পৰা নাছিলো যদিও আপুনি দিয়া কাগজ খিনিৰ পৰাই গোটেইখিনি গম পাইছো যে অঞ্চলটোৰ বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী লোকে এনেকুৱা এটা মূহুৰ্তৰ বাবে যেন অপেক্ষা কৰি আছিল আৰু আপুনি এই সুযোগটো দিছে। যিহেতু যোৱা সময়চোৱাত তাত বিভিন্ন ধৰণৰ উন্নয়ণ মূলক কথাবিলাকক লৈ কিছু অসন্তুষ্টি চলি আছে। ১৯৫১ চনতে গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত তাতে যি অটোন'মাচ ব্যৱস্থা কৰিব লাগে সেইখিনিৰ বাবে প্ৰচেষ্টা হাতত লোৱাৰ পিছত আমি ষষ্ঠ অনুসূচীৰ যি সাংবিধানিক ভাৱে কমিটি কৰিব লাগে সেই কমিটি গঠন হোৱাৰ পিছত অসম তথা পাহাৰীয়া ৰাজ্য কেইখনত এনেকুৱা ধৰণৰ আৰ্টিক'ল ৪৪ ৰ সৌজন্যত যিটো সুবিধা পাইছো আৰু ইয়াৰ দ্বাৰা যোৱা সময়চোৱাত বিভিন্ন ধৰণৰ কাম যাতে পোনপটীয়াকৈ কৰিব পাৰি। যিসকল জনজাতি তেখেত সকলক সুযোগ বিশেষভাৱে দিয়া হৈছে। আৰটিকল ২৭৫ ৰ অধীনতো পুঁজি আৱণ্টনৰ বিশেষ প্ৰভিজন ৰখা হৈছে আৰু মোৰ পূৰ্বৰ বক্তাজনে কোৱাৰ দৰে পূৰ্ববৰ্তী এখন চৰকাৰ হিতেশ্বৰ শইকীয়াৰ দিনতো বিভিন্ন জনগোষ্ঠী সমূহক স্বায়ত্ব শাসন প্ৰদানৰ ব্যৱস্হা কৰা হৈছিল। ঠিক তেনেদৰে ইয়াৰ পূৰ্বৰ গগৈ চৰকাৰৰ সময়ত বড়োলেণ্ডক চিক্স চিডুল দিয়াৰ নিচিনাকৈ মিছিং বা দেউৰী, ঠেঙাল কছাৰী বা অন্যান্য বিভিন্ন জনগোষ্ঠীক তেওঁলোকে কিছু কাম নিজাববীয়াকৈ কৰিবৰ বাবে কিছু সাংবিধানিক সুবিধা দিয়া হৈছিল। যিখিনিয়ে ইয়াত প্ৰতিনিধিত্ব কৰিলে আমি দেখিলো যে বিভিন্ন জনৰ বিভিন্ন ধৰণৰ সমস্যা সেই অঞ্চলত আছে। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত, যোগাযোগ, মাটি আৰু তেওঁলোকৰ প্ৰতিনিধিত্ব মূলক আৰু যিসকল চৰকাৰী পি জি আৰ ভি জি আৰত থকাই হওঁক বা অন্যান্য বিভিন্ন ধৰণৰ সমস্যা তেওঁলোকে বহু দিন ধৰি ভূগি আহিছে। আমি এতিয়া ৰাজনৈতিক ভাৱেও এটা যি জনমত গঢ়ি উঠিছে তেখেত সকলৰ যিটো সাংবিধানিক ভাৱে ৰাজ্যৰ ভিতৰতে এখন ৰাজ্য হোৱাৰ সেইটোও আছে। কিন্তু এইটোৱে মূল কথা নহয়। যিহেতু পুঁজিৰ ক্ষেত্ৰতো তুলনামূলক ভাৱে দেখুওৱা হৈছে যে পুঁজি যিমান আছে পপুলেশ্যন ভিত্তিত যদি সিমানখিনি পুঁজি আৱণ্টন হয় সেইখিনিয়ে যথেষ্ট কম হয়।

সেইকাৰণে প্ৰকৃততে নীড বেচড পুঁজিৰ আবণ্টন হ'ব লাগে।সেইটো এটা উল্লেখনীয় প্ৰস্তাৰ, বিভিন্ন ধৰণৰ মেম'ৰেণ্ডাম আহিছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমখন বিভিন্ন জাতি-জনজাতিৰে গঢ় লোৱা এখন ৰাজ্য। অসমখন পিছপৰা বুলি প্ৰায় সকলোৱে কয়। ভাৰতবৰ্ষৰ উন্নত ৰাজ্য হ'ল ৰাজস্থান, গুজৰাট আদি। আজি ৰাজস্থানত গুজ্জাৰ আৰু জাট সকলে , গুজৰাটত পাটিদাৰ সকলে পিছপৰা বুলি দাবী কৰি আৰক্ষণ আদি বিভিন্ন দাবী কৰিছে। অসমতো বিভিন্ন জাতি জনজাতিয়ে পিছপৰা বুলি সংৰক্ষণ দাবী যোৱা সময়চোৱাত কৰি আহিছে। কিছুমানে মহকুমা, কিছুমানে জিলা আৰু কিছুমানে regional council অথবা ৰাজ্যৰ দাবী কৰিছে। কিন্তু মই অসমৰ পুনৰ বিভাজনৰ কথা বক্তা সকলে কোৱাৰ দৰে ক'ব নিবিচাৰো। আমি সমন্বয় বিচাৰো আৰু সকলোৰে সম-অধিকাৰ হোৱাটো প্ৰয়োজন। যিহেতু ১৯৫১ চনত কাৰ্বিআংলং জিলা গঠিত হওঁতে নগাওঁ জিলা, অবিভক্ত শিৱসাগৰ জিলা বিভিন্ন অঞ্চললৈ তাত থকা মাটি আৰু লোক সকলক লৈও এই নতুন সংযুক্ত জিলা গঠন হৈছিল। গতিকে সেই সময়ত সেই অঞ্চলত বসবাস কৰা লোক সকলৰ যিখিনি আছিল, তেখেত সকলৰ কথাখিনিও বৰ্তমান সময়ত চিন্তা কৰাৰ প্ৰয়োজন আছে। যিহেতু যোৱাকালিও কিছু লোকে আমাৰ বিধান সভাৰ সন্মুখত ধৰ্ণা দি আছিল। পৰৱৰ্ত্তী পৰ্য্যায়ত বিভিন্ন সময়ত বিভিন্ন ধৰণৰ চুক্তিও হ'ল। এইবোৰ বিষয় যিহেতু কেন্দ্ৰীয় চৰকাৰৰ লগত জড়িত হৈ আছে, সেয়েহে বিভিন্ন MOU চুক্তিও কৰা হৈছে। এইখিনিৰ যোগেদি কিছুমান কাম নিশ্চিত কৰা হৈছে। যোৱা সময়ছোৱাত এই অঞ্চলসমূহ যথেষ্ট পিছপৰা আছিল সেইকাৰণে ভৈয়মৰ পৰাই কিছুমান লোক গৈ তাত শিক্ষানুষ্ঠানৰ লগতে অন্যান্য অনুষ্ঠান পতাতো সহায় কৰিছিল। কিন্তু শেষতীয়াকৈ যিটো Human Development ৰ Interest দেখুৱাইছে, তাত তুলনামূলকভাৱে অসমৰ Average ৰ লগত একেবাৰে শেষত হাইলাকান্দি আৰু ধুবুৰী আছে। তাত এই পাহাৰীয়া জিলাকেইখন সিমান পিছপৰি থকা নাই। এইটো আমাৰ কাৰণে এটা ভাল খবৰ। এইখিনি হৈছে, যোৱা সময়ছোৱাত পোৱা সহায়-সহযোগিতাৰ বাবে। যিখিনি কথা ইয়াত উল্লেখ হৈ আছে, তাৰ ভিতৰত শেষতীয়াকৈ আমাৰ বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ লগত অসহিষ্ণুতা দেখা পাইছো। আমাৰ ভৈয়াম অঞ্চলৰ বিভিন্ন জনৰ লগত অতি নিন্দনীয় ঘটনা যোৱা সময়ছোৱাত সংঘটিত হৈছে। ইয়াৰ ফলত এটা উত্তেজনাই বিৰাজ কৰিছে। গতিকে এই জিলাকেইখনৰ বিষয়ে আমি আলোচনা কৰিবলৈ আগবাঢ়িছো। যাতে কোনো ধৰণৰ অসহিষ্ণুতা বা বিৰূপ প্ৰভাৱ নপৰে তাৰ বাবে আমি সকলোৱে চেষ্টা কৰা উচিত। স্বায়ত্ব শাসিত ৰাজ্য, তাৰ সকলো নেতাই বিচাৰিছে। এইটো কেনেধৰণে হ'ব, মই ক'ব নোৱাৰো। কিন্তু যোৱা সময়ছোৱাত বিভিন্ন নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্ত্তত শাসকীয় দলৰ বিভিন্ন জনে সেই অঞ্চলৰ ৰাজহুৱা সভাত প্ৰতিশ্ৰুতি দিয়া আমি দেখিবলৈ পাইছো। সেইকাৰণে এই গোটেই সমস্যাবোৰৰ ক্ষেত্ৰত উন্নয়নৰ বাবে পুঁজি আৱণ্টন কম তেনেকুৱা নহয়। ইয়াৰ লগতবৰ্তমান সময়ত সকলো ক্ষেত্ৰতে গা-কৰি উঠা দুৰ্নীতিটোও এটা অংগ হৈ পৰিছে। সেয়েহে যিকোনো প্ৰকাৰে দুৰ্নীতি যাত ৰোধ হয়, তাৰ বাবে প্ৰচেষ্টা ল'ব লাগে। তেওঁলোকৰ বিৰুদ্ধে যদি কোনো দুৰ্নীতিৰ অভিযোগ থাকে, তেনেহ'লে যিকোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। দল পৰিৱৰ্ত্তন কৰিলে যে দুৰ্নীতিৰ ধাৰা বা সংজ্ঞা পৰিৱৰ্ত্তন নহয়, সেই কথাটো আমি সকলো ৰাজনৈতিক দলৰ মানুহে চিন্তা কৰিব লাগিব। তেতিয়াহে চৰকাৰী পুঁজিৰ যি ব্যয় হয়, তাৰ প্ৰকৃত উদ্দেশ্য বা লক্ষ্যত সফল হ'ব পাৰিম। এটা কথা স্বীকাৰ্য্য যে ১৯৫১ চনত জনজাতিৰ সংখ্যা সেই অঞ্চলত ৯০শতাংশ আছিল। পৰৱৰ্ত্তী সময়ত সেইটো কমি আহি ৫০ ৰ পৰা ৬০ শতাংশ হৈছে। কিন্তু ইয়াৰো যিখিনি ঐতিহাসিক কাৰণ আছে, সেইখিনিও আমি বিশ্লেষণ কৰিব লাগিব। যেতিয়া আমি তথ্যৰ তুলনা কৰো, কেৱল এটা দিশত তুলনা কৰিলে প্ৰকৃত ব্যাখ্যা

নহ'ব পাৰে। সেয়েহে মই ভৰো যে আজি আপোনাৰ নেতৃত্বত ইয়াত যি আলোচনা হৈছে, সেই আলোচনাৰ যোগেদি পূৰ্বে যিখিনি কৰিব পৰা গৈছিল আৰু নতুনকৈ যিখিনি প্ৰস্তাৱ আহিছে, সেই আটাইখিনি লৈ যিখিনি পুঁজিৰ ব্যয় হ'ব সেইখিনি যাতে ঠিক মতে ব্যৱহাৰ কৰে। মই আজি কিছুদিন আগত হাফলং গৈছিলো। তাত আমাৰ পূৰ্বৰ বিধায়কৰ এটা আলোচনাত আমাৰ সংবাদিক সকলে এটা কথা কৈছিল যে যাতায়ত ব্যৱস্থাটো চাব লাগে। গাড়ীৰে আহি থাকোতে মই দেখিছিলো যে ASTC বাছত লিখা আছে Under ONGC Operation, গুৱাহাটীৰ পৰা হাফলঙলৈ যাব। ইয়াৰ পৰা মই বুজি পালো যে যিখিনি বাছ ONGC ৰ কৰ্মচাৰী সকলক নতুনকৈ দিয়া হৈছিল, স্থানীয়ভাৱে ৩০ কিলোমিটাৰ চলিবলৈ। সেইখিনি দি কমিশ্যন কৰাৰ পিছত আমাৰ ৰাজ্যিক পৰিবহন নিগমে দূৰণীবটীয়া বাছ হিচাপে গুৱাহাটীৰ পৰা হাফলঙলৈ চলাইছে। এনেকুৱা কিছুমান পদক্ষেপ যাক আমি ভুল বুলি ক'ব পাৰো। সেইবোৰ যদি আমি লওঁ তেতিয়াহ'লে যিবোৰ কথা ইয়াত উত্থাপন হৈছে, ভৱিষ্যতেও উত্থাপন হৈ থাকিব। সেইকাৰণে আপোনাৰ যি পদক্ষেপ সেই পদক্ষেপ সমূহ পৰৱৰ্ত্তী সময়ত অসম চৰকাৰে কৰিব আৰু কেন্দ্ৰীয় চৰকাৰলৈ কিছুমান পৰামৰ্শ এই বিধানসভাৰ ফালৰ পৰাই যাব। এইখিনি আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ডাঃ নোমল মোমিনে কওঁক।

**ডাঃ নোমল মোমিন, বিধায়ক (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাৰ্বি আংলং আৰু ডিমা হাচাও তিনিখন পাহাৰীয়া জিলাৰ ওপৰত আলোচনাৰ বাবে যি সুবিধা দিলে তাৰ বাবে আপোনাক আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাই মই মোৰ বক্তব্য আৰম্ভ কৰিছো। কাৰ্বি আংলং জিলাখন ১৯৫১ চনত গঠন হৈছিল। নগাঁও, শিৱসাগৰ আৰু মেঘালয়ৰ পৰা কিছু অংশ কাটি আনি গঠন কৰা হৈছিল। ই বৰ্তমান ১০ হাজাৰ ৪শ ৩৪ বৰ্গ কিলোমিটাৰ। কৰ্বি আংলঙৰ যি প্ৰকৃতিক সৌন্দৰ্য্য সেই বিষয়ে আমি সকলোৰে জানো। কাৰ্বি আংলংখন দেখিলে বহুতো মানুহে ভিতৰৰ পৰা কি আছে সেইটো বুজিব নোৱাৰিব। যেতিয়া মেট্ৰিকৰ ৰিজাল্ট দিয়ে আমি দেখা পাওঁ যে উত্তীৰ্ণৰ হাৰ ১৯ শতাংশ, ২৭ শতাংশ। একেবাৰে শেষৰ পৰা আমি দ্বিতীয় বা তৃতীয় স্থানত থাকো। সেইটো চাই আমি কওঁ যে কাৰ্বি আংলঙৰ ফলাফল বেয়া হৈছে। কিন্তু ইয়াৰ মুখ্য কাৰণটোলৈ যাবলৈ আমি চেষ্টা নকৰো। বাহিৰৰ পৰা চাই আমি এটা অনুভৱ লৈ থাকো। ইয়াৰ মূল কাৰণ হৈছে যে শিক্ষা ব্যৱস্থা বেলেগ জিলা সমূহত যেনেকৈ ভালকৈ চলি আছে, আমাৰ তাত সেই ধৰণে নাই। ছাত্ৰ-ছাত্ৰী সকলে যিটো পৰিৱেশ পাব লাগে, সেই পৰিৱেশটো নাপায়, যি ধৰণৰ শিক্ষক পাব লাগে পাহাৰীয়া অঞ্চল সমূহত সেই ধৰণৰ শিক্ষক নাপায় আৰু এটা ডাঙৰ কাৰণ হৈছে স্কুল-কলেজ সমূহত যিবোৰ খালী পদ আছে সেইবোৰ এতিয়াও পূৰণ কৰা হোৱা নাই। যাৰ বাবে বহু শিক্ষকৰ অভাৱ পৰিলক্ষিত হয়। এনে ক্ষেত্ৰত সেই অঞ্চলবোৰৰ পৰা ভাল ফলাফল লাভ কৰিম বুলি কেনেকৈ আশা কৰিব পাৰে। আমি প্ৰাথমিক শিক্ষা যদি ভালদৰে দিব নোৱাৰো তেনেহ'লে মেট্ৰিকত ভাল ৰিজাল্ট আশা কৰাটো আমাৰ বাবে ভুল হ'ব। আমাৰ পাহাৰত যিখিনি প্ৰাথমিক স্কুল আছে, সেইখিনি বৰ বেয়া অৱস্থাত আছে। কিছুমান স্কুলত শিক্ষক নাযায়, কিছুমানত শিক্ষকে ভেৰণীয়া শিক্ষক দিয়ে। ৪ৰ পৰা ১০ হাজাৰ টকা দি অৱে স্থানীয় যুৱকক শিক্ষা দিবলৈ দিয়ে। এনেকুৱা এটা পৰিস্থিতি আমি কাৰ্বি আংলঙত দেখিবলৈ পাইছো। মই বৰ্তমানৰ বিত্ত মন্ত্ৰী তথা প্ৰাক্তন শিক্ষা মন্ত্ৰীক ধন্যবাদ দিছো যে তেখেতে শিক্ষাৰ কাৰণে ৫০ লাখকৈ টকা প্ৰত্যেকজন বিধায়ককে দিছিল। আমি স্কুল এখন বনাবলৈ যেতিয়া মিথিলা অঞ্চল বুলি এটা ঠাইত গৈছিলো ২৬ কিলোমিটাৰ আমি ট্ৰাকেৰে গৈছিলো। যাৰ বাবে ৩.৩০ ঘণ্টা সময় লাগিছিল। তেনেকুৱা এটা পৰিস্থিতি কাৰ্বি আংলঙত এতিয়াও বিৰাজমান। ৰাস্তা-পদুলি

নাই, স্কুলৰ অৱস্থাও শোচনীয়। আমাৰ তাত যিবিলাক খালী পদ আছে, ST Hills ৰ বাবে সেই বিষয়ে মই যোৱা অধিৱেশনত প্ৰশ্ন কৰিছিলো, কিমান খালী আছে? তেওঁলোকে জনাইছিল যে ৩ হাজাৰ ২ শ ৩৪ টা পদ খালী হৈ আছে। এই পদসমূহ যদি বছৰ বছৰ ধৰি খালী হৈ থাকে পূৰণ কৰা নহয়, আমাৰ বহুত অসুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এই বেক লগ অকল কাৰ্বি আংলঙতে নহয় গোটেই অসমতে আছে। এইটো গোটেই অসমতে কৰিব লাগিব। মই ভাৱো যে ST Hills ৰ পদসমূহ খালী থকাৰ কাৰণ আৰু এটা হ'ব পাৰে সেইটো হৈছে আমাৰ বিভিন্ন চাকৰি বিশেষকৈ কলেজ সমূহত ST Hills ৰ কাৰণে সংৰক্ষণ থাকে। কিন্তু বিভিন্ন সময়ত তেওঁলোকে এইটো পূৰণ কৰিব নোৱাৰে। আপুনি এই বিষয়ে অধ্যয়ণ কৰিব।

**ডাঃ নোমল মোমিন, বিধায়ক (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ST/SC Commissioner ৰ লগত যোৱা মাহত মই এখন মিটিং কৰিছিলো, তাত চেয়াৰমেন ডাঙৰীয়াও আমাৰ লগত আছিল। আমি দেখিছিলো যে টেকনিকেল লাইনৰ Grade-I,Grade-II- ত আমাৰ Resources নাই। সেই কথাটো আমি মানি লৈছো। কিন্তু ST Hills ৰ Grade-III আৰু Grade-IV ৰ যদি পদ খালী থাকে আমি ভাৰিবলৈ বাধ্য হ'ম যে আমাৰ Resources নাই। কাৰণ এই পদসমূহৰ কাৰণে Class- VIII লৈকে পঢ়িলেই হ'ল। আমি এই মিটিঙত এটা অনুৰোধ জনাইছিলো যে এইবিলাক Immediately Fillup কৰিব লাগে।

আমি অনুৰোধ কৰিছিলো যে এইবোৰ অতি শীঘ্ৰে পূৰণ কৰিব লাগে। তেতিয়া বিত্ত বিভাগৰ পৰা কৈছিল যে তেওঁলোকৰ ওচৰলৈ যদি প্ৰস্তাৱ যায় তেন্তে, special drive দি immediately backlog বোৰ fillup কৰিব।

**মাননীয় অধ্যক্ষঃ** এইটো এতিয়া কি পৰ্যায়ত আছে?

**মাননীয় ডাঃ নোমল মমিন, (বোকাজান)ঃ** যোৱা মাহত মিটিং অনুষ্ঠিত হওঁতে বিত্ত বিভাগলৈ লিখাৰ বাবে instruction দিয়া হৈছিল আৰু সেইখন মিটিঙত Chairman হিচাপে নাৰ্জাৰী ডাঙৰীয়া আছিল।

অধ্যক্ষ মহোদয়, আপুনি যদি পদক্ষেপ লয়, তেন্তে কাৰ্বি আংলঙৰ S.T. (Hills) Category ৰ যুৱক সকল খুউব উপকৃত হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**মাননীয় ডাঃ নোমল মমিন, (বোকাজান)ঃ** অধ্যক্ষ মহোদয়, বড়োলেণ্ডত বড়ো ভাষাটো বিশ্ববিদ্যালয় পৰ্যায়লৈকে আছে। কিন্তু, কাৰ্বি আংলঙত কাৰ্বি ভাষাটো Class IV, V লৈকেহে আছে। গতিকে কাৰ্বি ভাষাটো বিশ্ববিদ্যালয় পৰ্যায়লৈকে প্ৰৱৰ্তন কৰি ইয়াৰ ব্যৱহাৰ বাধ্যতামূলক কৰিব লাগে যাতে ইয়াৰ পৰা কাৰ্বি-আংলঙৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধা হয় তথা অনাকাৰ্বি সকলেও যদি এই ভাষাটো শিকে, তেন্তে তেওঁলোকৰ মাজত ভাৱৰ আদান-প্ৰদান হ'ব, সকলোৰে মাজত মিলা-প্ৰীতিৰ এটা বাট হ'ব বুলি মই ভাৱো। ইয়াৰ লগতে, Sixth Schedule ৰ অধীনত যিবোৰ অন্য Tribes আছে, যেনে, গাৰো, ৰেংমা, ডিমাচা, তিৱা আদিৰ মাতৃভাষাটো যাতে improve হয়, তাৰ বাবে সেই অঞ্চলত Language Teacher ৰ নিযুক্তি দিব লাগে। 1952 ত UNESCO ত মাতৃভাষা encourage কৰাৰ বাবে কোৱা হৈছে, গতিকে সেই আধাৰত আমি মাতৃভাষা সমূহৰ প্ৰতি গুৰুত্ব দিব লাগে।

অধ্যক্ষ মহোদয়, ডিফুত এখন B.Ed College খোলাৰ কথা কোৱা হৈছিল, গতিকে

তাৰ ওপৰতো চিন্তা-চৰ্চা কৰি সোনকালে স্থাপন কৰিলে ভাল হ'ব। ডিফুত B.Ed College ৰ বাবে প্ৰস্তাৱ দিয়া হৈছিল, কিন্তু এতিয়ালৈকে হোৱা নাই সেয়েহে তাৰ ওপৰত আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগে । লগতে ডিফু কলেজত Geology, Anthropology এই বিষয় সমূহ introduce কৰিব লাগে। Anthropology বিষয়টো তাত introduce কৰিলে তাৰ ছাত্ৰ-ছাত্ৰী সমূহে জাতি-জনগোষ্ঠীৰ ওপৰত গৱেষণা কৰিব পাৰিব। ঠিক তেনেদৰে, হিন্দী, নেপালী (MIL) বিষয় সমূহো যদি আমি introduce কৰো তেন্তে আমি নিশ্চয় উপকৃত হ'ম।

আমি যদি কাৰ্বি আংলঙৰ স্বাস্থ্য খণ্ডৰ কথা ক'বলৈ যাওঁ, তেতিয়া দেখিবলৈ পাওঁ যে তাৰ স্বাস্থ্য খণ্ডটোৰ অৱস্থা বৰ করুণ। মোৰ সমষ্টিত যিখন হস্পিতাল আছে, তাত আজিলৈকে এটা cesarean operation কৰিব পৰা ব্যৱস্থাটো develop হোৱা নাই। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যোৱা মাহত এটা sanction দিছে গতিকে O.T. ৰ table বোৰ হৈ গ'লে হয়তো তাত cesarean section কৰিব পাৰিম। কিন্তু cesarean section কৰিবলৈ হ'লে আমাক resource ৰ লগতে Doctor, Anaesthetist, Paediatrician, Gynaecologist ৰ দৰকাৰ হ'ব। গতিকে এইখিনিৰ যাতে ব্যৱস্থা কৰি দিয়ে তাৰ বাবে মই অনুৰোধ জনালো। কাৰ্বি আংলঙৰ স্বাস্থ্য খণ্ডৰ বিষয়ে মই আৰু এটা কথা ক'ব বিচাৰিছো যে, কাৰ্বি আংলঙৰ বহু অঞ্চলত ডাক্তৰ সকলে permanent basis ত চাকৰি কৰি আহিছে আৰু কিছুমান ডাক্তৰক এবছৰৰ বাবে temporary basis ত নিযুক্তি দিয়া হয়। এইবাৰ কাৰ্বি আংলঙত ৩৪ জন ডাক্তৰক এবছৰৰ বাবে temporary basis ত নিযুক্তি দিছে আৰু তাৰ বাবে মই ধন্যবাদ দিছো। লগতে মই ডাক্তৰ সকলকো ধন্যবাদ দিছো যে তেওঁলোকে কাৰ্বি আংলঙৰ নিচিনা দুৰ্গম অঞ্চলত কষ্ট কৰি আমাৰ লোক সকলক service দি আছে। মই বিধান সভাৰ মজিয়াত এটা কথা ক'ব বিচাৰিছো যে MBBS পাছ কৰাৰ পিছত through APSC, যি সকল ডাক্তৰক permanently নিযুক্তি দিয়া হয়, তেখেত সকলক কিছুমান বিষয়ত যেনে, Medicine, Surgery, Gynaecology এনেবোৰ বিভাগত এবছৰৰ বাবে মেডিকেল কলেজ সমূহত প্ৰশিক্ষণ দিব লাগে। প্ৰশিক্ষিত হোৱাৰ পিছত তেওঁলোকে খুউব সুন্দৰ ভাৱে চিকিৎসা প্ৰদান কৰিব পাৰিব। কাৰণ আমি অকল Civil Hospital ত হে Specialist Doctor পাওঁ। তাৰ বাহিৰে অন্যত নাপাওঁ। ডিফুত যেতিয়া মেডিকেল কলেজখন সম্পূৰ্ণ হ'ব, মই ভাৱো যে আমাৰ বহু খিনি অসুবিধা দূৰ হ'ব।

শিক্ষা খণ্ডৰ ক্ষেত্ৰত কাৰ্বি আংলঙৰ ডিফুত University campus এটা আছে, কিন্তু তাত permanent Hills University দিব লাগে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ বিষয়ে চিঠি লিখিছে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু, এই লিখা খিনিৰ ওপৰত আমি pressure দিব লাগে যাতে কাৰ্বি আংলঙত Hills University ৰ বাবে এই বছৰতে sanction পাওঁ। এনে হ'লে আমাৰ কাৰ্বি আংলং বাসী সঁচাকৈয়ে উপকৃত হ'ব।

কাৰ্বি আংলং আৰু ডিমা-হাচাও হ'ল agricultural based area. তাত খেতিৰ বাবে বৰ সুবিধা আছে। এতিয়া Bamboo Mission আহিছে, সেই Bamboo ৰ পৰা আমি বিভিন্ন ধৰণে উপকৃত হ'ব পাৰো। কাৰ্বি আংলং আৰু ডিমা হাচাওৰ পৰা গোটেই ভাৰত বৰ্ষতেই Bamboo ৰ supply দিব পাৰিম। আনহাতে, কাৰ্বি আংলং আৰু ডিমা হাচাওত কমলা টেঙা, আদা, হালধি, আনাৰস আদিৰ যথেষ্ট খেতি হয়। এই ক্ষেত্ৰত আমি যদি Food Processing Unitবা Juice Factory বনাই দিওঁ, তেন্তে তাৰ খেতিয়ক সকল উপকৃত হ'ব আৰু ইয়াৰ অধিক খেতি কৰিবলৈ অনুপ্ৰেৰিত হ'ব। হালধি ৰসৰ চাহিদা গোটেই পৃথিৱীতে আছে। ইয়াৰ দ্বাৰা Anti-Cancer Drug

produce কৰা হয়। সেয়েহে হালধিৰ ক্ষেত্ৰত আমি যদি ব্যাপক হাৰত খেতি কৰিবলৈ যাওঁ তেন্তে আমি নিশ্চয় উপকৃত হ'ম।

Mines & Minerals ৰ কথা ইতিমধ্যে ক'লেই, গতিকে মই আৰু ক'ব নিবিচাৰো। Sixth Schedule যি নিয়ম-নীতি, সেইখিনি ভংগ নকৰাকৈ Mines & Minerals খিনি আমি কিদৰে explore কৰিব পাৰো তাৰ বিষয়ে চিন্তা কৰিব লাগে।

অধ্যক্ষ মহোদয়, Tourism ৰ বাবে Kanthilangso, Dokmoka, Kaipholangso, Deopani ৰ থান, যিখন গোটেই বিশ্বতে প্ৰসিদ্ধ, গৰম পানী আদি ঠাই সমূহ পৰ্যটনৰ বাবে promote কৰিব লাগে। আনহাতে আমাৰ তাত অতিশয় পুৰণি বৌদ্ধ মন্দিৰ এটা আছে যিটো চাবলৈ বিদেশৰ পৰা বহু পৰ্যটক আহে। গতিকে মই ভাৱো, এই স্থান সমূহ উন্নত কৰিলে আমাৰ বৰ সুবিধা হ'ব।

অধ্যক্ষ মহোদয়, আমি ভাৱিছো যে আমাৰ Fund কম হৈ আছে, গতিকে, প্ৰত্যেকটো বিভাগত চাহ জনজাতিৰ বাবে যেনেদৰে ৫% বাজেট allocate কৰা হৈছে ঠিক তেনেদৰে কাৰ্বি আংলং আৰু ডিমা হাচাওৰ বাবেও প্ৰত্যেকটো বিভাগে ৫% কৈ বাজেট allocate কৰি দিয়ে। কিয়নো এনে হ'লে পাহাৰীয়া জিলাৰ উন্নয়নৰ ক্ষেত্ৰত বেছি সুবিধা হ'ব। অধ্যক্ষ মহোদয়, পাহাৰীয়া জিলাৰ পৰা হোৱা মন্ত্ৰী জনক সদায় অকল H.A.D. ৰ Ministry য়ে দিয়ে। পাহাৰীয়া জিলাত কেৱল H.A.D. ৰ Minister ৰে প্ৰয়োজন আছে নেকি? সেই মন্ত্ৰালয়ত তিনিখন পাহাৰীয়া জিলাক লগ কৰি দিয়া হয়। আমাৰ অসমত বহুতো পাহাৰ আছে গতিকে H.A.D ৰ অধীনত অসমৰ সকলো পাহাৰীয়া অঞ্চলকে অন্তৰ্ভূক্ত কৰি তাৰ উন্নয়নৰ বাবে H.A.D. ৰ Ministry গঠন হ'ব লাগে। তেতিয়াহে অসমৰ ৰাইজে ভাৱিবলৈ বাধ্য হ'ব যে, পাহাৰীয়া অঞ্চলৰ পৰা হোৱা মন্ত্ৰী গৰাকীয়ে সকলো ক্ষেত্ৰতে উন্নয়নৰ হকে কাম কৰিবলৈ আগবাঢ়ি আহিছে। অধ্যক্ষ মহোদয়, কাৰ্বি আংলং জিলাৰ ক্ষেত্ৰত আমি আমাৰ জন্মলগ্নৰ পৰাই Indian Constitution ৰ Article 244 (A) ৰ বিষয়ে পাই আহিছো। সংসদত এই ধাৰাটো ১৯৬৯ চনত গৃহীত হৈছিল আৰু তাৰ পিছতে মেঘালয়ে ইয়াৰ সোৱাদ পালে কিন্তু কাৰ্বি আংলঙে ইয়াৰ সোৱাদ নাপালে যাৰ ফলত কাৰ্বি আংলঙৰ বাসিন্দাই সদায়ে Article 244 (A) ৰ বিষয়ে প্ৰস্তাৱ আগবঢ়োৱাৰ লগতে আন্দোলন কৰিব লগীয়া হৈ আছে। এইটো ক্ষেত্ৰত আমি চাব লাগে যে সকলো জাতি-জনগোষ্ঠী, Regional Council, Village Council ইত্যাদিক লগত লৈ Sixth Schedule ৰ spirit ত Article 244 (A) implement কৰিব পাৰো নে নাই। কাৰ্বি আংলং আৰু ডিমা-হাচাওত থকা সকলো জাতি-জনগোষ্ঠী, যেনে- কাৰ্বি, বড়ো, ৰাভা, গাৰো, গোৰ্খা, তিৱা, ডিমাচা, নগা, বঙালী, ভোজপুৰী ভাষী আদিকে ধৰি ২৯ টা জাতি-জনগোষ্ঠীৰ মিলন স্থলী ৰূপে একে লগ হৈ জিলা দুখনৰ উন্নয়নৰ হকে কাম কৰিব লাগিব। অধ্যক্ষ মহোদয়, ডিমা-হাচাওৰ C.E.M ডাঙৰীয়াই মোৰ সৈতে টেলিফোন যোগে কথা পাতোতে কৈছিল যে P.W.D আৰু P.H.E Department দুটা full-fledged হোৱা নাই লগতে সেই বিভাগৰ বিষয়া সকলকো নিয়োগ কৰা হোৱা নাই। গতিকে তাত এই বিভাগ দুটা যাতে full-fledged হয় তাৰ বাবে আমি চেষ্টা কৰিব লাগিব। আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে, 'Sabka saath Sabka Vikash'. গতিকে তেখেতে কোৱাৰ নিচিনাকৈ কাৰ্বি সকলৰ লগতে ডিমাচা সকলৰো বিকাশ হ'ব লাগিব। তেতিয়াহে নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কোৱা 'সবকে সাথ সবকা বিকাশ' কথাষাৰ সফল হ'ব।

অধ্যক্ষ মহোদয়, মোৰ আৰু ক'বলগীয়া আছিল যিখিনি ক'লে আমি হয়তো আৰু

অলপ উপকৃত হ'লোহয়। কিন্তু সময় যিহেতু কম মই এইখিনিকে কৈছো। আমাৰ মাটিৰ যিটো পট্টা, সেই পট্টাৰ কাৰণে ভাৰতীয় 6th Schedule ৰ সংবিধানে যিটো permit কৰে, সেই permission ৰ ওপৰত আমাৰ মাটিৰ পট্টাটো দিব লাগে। কাৰ্বি আংলংত বৰ্তমান মাটি কাৰ পৰা লোৱা হৈছে , কিয় লোৱা হৈছে এনেকুৱা ধৰণৰ explaination call কৰি তেনেকুৱা ধ ৰণৰ চিঠি বিতৰণ হৈছে যাৰবাবে লোকসকল ভীতিগ্ৰস্ত হৈ আছে। । অধ্যক্ষ মহোদয়, এনেকুৱা ধৰণৰ পৰিস্থিতি কাৰ্বি আংলংত বন্ধ হ'ব লাগে। সদৌ শেষত, মই আমাৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ এটা উক্তি দি মোৰ ভাষণ সামৰিব বিচাৰিম---“চোটা দিলছে ক'য়ী বৰা নেহী হোতা, টুটা দিলছে ক'য়ী খড়া নেহী হো সকতা”। সেইকাৰণে আমাৰ অসমৰ যিমান মন্ত্ৰী ডাঙৰীয়া আছে, মুখ্যমন্ত্ৰী মহোদয়ো আছে আৰু অধ্যক্ষ ডাঙৰীয়াও আছে, কাৰ্বি আংলং আৰু ডিমা হাচাওক আপোনালোকে চোটা দিলছে নেহী, বৰা দিলছে দেখনা পড়েগা। তেতিয়াহে আমি কাৰ্বি আংলং আৰু ডিমা হাচাওৰ লোক সকল আগবাঢ়িব পাৰিম। সেইকাৰণে মই কাৰ্বি আংলং আৰু ডিমা হাচাওৰ যিমান সংগঠন আছে আৰু যিসকল নেতা আছে সকলোকে আহ্বান কৰিছো, টুটা দিলচে নেহী, হমে দিল জোড়না পড়েগা। দিল জোড়কে হমলোগ আগে বঢ়েঙ্গে অৰ আচাম মে হমলোগ ভাই বেহেন কি তৰহ ৰহেঙ্গে। development ৰ কাৰণে চৰকাৰক আমি যিখিনি সহায় আগবঢ়াব লাগে, সেইখিনি নিশ্চয় আগবঢ়াম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মই সকলো মাননীয় সদস্যকে কৈছো আমাৰ সময়টো সীমিত কিন্তু আপোনালোকৰ যদি ক'বলগীয়া কিবা গুৰুত্বপূৰ্ণ কথা ৰৈ যায় আপোনালোকে সেইখিনি মোক দিলে it will be a part of your speech. এতিয়া শ্ৰী মহন্ত ডাঙৰীয়া।

**শ্ৰী প্ৰফুল্ল মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাহাৰীয়া জিলা দুখনৰ বিভিন্ন সমস্যা লৈ বিভিন্ন সময়ত আলোচনা হৈ আহিছে আৰু অধ্যক্ষ ডাঙৰীয়া, ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আগে-আগে Constituent Assembly ত North East region ৰ জনজাতীয় লোক সকলৰ যি সমস্যা, এই সমস্যা বিতংভাৱে আলোচনা হৈছিল। তাৰ পিছতে 6th Schedule টো insert কৰা হৈছিল। তেতিয়া কৈছিল যে---“ Great care has been restored when the Question of providing a proper constitutional set up for the Tribal Areas of North East was debated in the Constituency Assembly.” আৰু এই Constituent Assembly ত বিভিন্ন বিষয় আলোচনা কৰাৰ পিছত মাননীয় অধ্যক্ষ মহোদেয়ক তেতিয়া premier বুলি কোৱা হৈছিল, গোপীনাথ বৰদলৈক সভাপতি হিচাপে লৈ এখন কমিটি গঠন হৈছিল, য'ত শ্ৰী জে. এম নিকলচ্ ৰয়, ৰূপনাথ ব্ৰহ্ম, এ বি তক্কৰ, এম নক্সা member আছিল আৰু পাছত তেওঁক replace কৰি আলিবাৰ ইংতিক সদস্য নিৰ্বাচন কৰা হৈছিল। এই কমিটিখন গঠন হৈছিলে আৰু তেওঁলোকে গোটেই অসম province, যিহেতু সেই সময়ত অসমখন province আছিলে, তেওঁলোকে গোটেই অসমখন ভ্ৰমন কৰি এটা ৰিপোৰ্ট দাখিল কৰিছিলে। এই Sub-committee ত তেওঁলোকৰ আলোচনাৰ পিছত ২য় ৰিপোৰ্টটো দাখিল কৰিছিল ২৮ জুলাই ১৯৪৭। তেতিয়া সেই কমিটিখনত সভাপতি আছিলে চৰ্দাৰ বল্লভভাই পেটেল আৰু Advisory Committee য়ে ৭ ডিচেম্বৰ ১৯৪৭ আৰু ২৪ ফেব্ৰুৱাৰী ১৯৪৮ ত তেওঁলোকে এই সংক্ৰান্তত বিতংভাৱে আলোচনা কৰি President, Constituent Assembly ত এই পৰামৰ্শ সমূহ আগবঢ়াইছিল। তাৰ ভিতৰত দুটা পৰামৰ্শ তেওঁলোকে ammend কৰিছিল--(১) The Assam High Court shall have power to revision in cases where

there is a failure of justice and where the authority excercised by the district council is without jurisdiction. (২) The plains portion were to be excluded from schedule B of the areas which were recommended for the intrusion of the schedule by the sub-committee.

অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ বাহিৰেও অসম বা উত্তৰ পূৰ্ব্বাঞ্চলৰ সেই সময়ৰ জনজাতীয় ৰাইজৰ উন্নতিৰ কাৰণে এই কমিটিখনে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। ছাইমণ্ড কমিচনৰ আগতেও তেওঁলোকে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল আৰু এই Constituent Assembly ত ৫,৬ আৰু ৭চেপ্তেম্বৰ ১৯৪৯ তাৰিখে তেওঁলোকে যথেষ্ঠখিনি আলোচনা কৰাৰ পিছত এই 6th schedule ৰ বিষয়টো গ্ৰহন কৰিছিল। এই 6th schedule ত তেওঁলোকে জনজাতীয় লোক সকলৰ সমস্যা সংক্ৰান্তত স্পষ্টভাৱে বিভিন্ন বিষয় উল্লেখ কৰিছিল। সময়ৰ অভাৱৰ কাৰণে মই বেছি ক'ব বিচৰা নাই কিন্তু অধ্যক্ষ ডাঙৰীয়া, আমাৰ জন জাতীয় বা অজনজাতীয় ৰাইজ এই সকলোৰে উন্নয়ন অবিহনে আমাৰ দেশৰ বা ৰাজ্যৰ বা অঞ্চল বিলাকৰ উন্নতি হ'ব নোৱাৰে। সেইকাৰণে এই কথাখিনি আগত ৰাখি ১৭ নৱেম্বৰ ১৯৫১ চনত কাৰ্বি আংলং গঢ়ি তোলা হৈছিল। এই কাৰ্বি আংলং গঠন হৈছিল পুৰণি নগাওঁ জিলাৰ কিছু অংশ লৈ, শিৱসাগৰ জিলাৰ লগতে খাচী হিলচৰ কিছু অংশ লৈ আৰু নগাৰ লগতো এই বিষয়ে আলোচনা হৈছিল যাতে কাৰ্বি লোক সকলৰ উন্নতি সাধন কৰিব পৰা যায়। সেই সময়ত কাৰ্বি আংলংত ১৯৫১ চনৰ লোকপিয়ল মতে জনসংখ্যা আছিল ৬,৬২,৭২৩ তাৰে ভিতৰত ৩,৪৭,৬০৭ পুৰুষ। ১৯৫১ চনৰ লোকপিয়লত Schedule Caste আৰু Schedule Tribe ৰ জনসংখ্যাটো দিয়া হৈছে আৰু দিয়া হৈছে যে-- The central growth of rate of population 1981-1991 লৈকে কাৰ্বি আংলংত মুঠ ৭২.৭৯ শতাংশ, গাওঁ অঞ্চলত আছিল ৫৮.৫২ শতাংশ, চহৰ অঞ্চলত ৮৯.০৮ শতাংশ।

ভাষা সংক্ৰান্তত বা আন আন সংক্ৰান্ত সমূহো বিশদভাৱে ইয়াত উল্লেখ আছে। বিভিন্ন সংগঠন সমূহে আপোনাক যি স্মাৰক পত্ৰ দিছে তাত প্ৰতিটো জনগোষ্ঠীয়ে, ট্ৰাইবেলেই হওক বা নন ট্ৰাইবেলেই হওক সকলোৱে তেওঁলোকৰৰ নিজৰ নিজৰ অসুবিধা বা কথা সমূহ প্ৰকাশ কৰিছে আৰু নিজৰ নিজৰ view আপোনাৰ সন্মুখত দাঙি ধৰিছে। অধ্যক্ষ ডাঙৰীয়া, আপুনি মন্ত্ৰী থাকোতেও কাৰ্বি আংলংৰ বিভিন্ন জনগোষ্ঠীৰ লগত আলোচনা আৰম্ভ কৰিছিল আৰু চৰকাৰৰ লগত এই আলোচনাৰ ফলত MoU খন গ্ৰহন কৰা হৈছিল। প্ৰায় ২৯ টা বিভাগ কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদক দিয়া হৈছিল আৰু ডিমা হাচাওক, তেতিয়াৰ NC Hills ক দিয়া হৈছিল। নিজাভাৱে তেওঁলোকে তাত বিবেচনা কৰি ব্যৱস্থা হাতত ল'ব লাগে। যেতিয়া মেঘালয় ক্ৰিয়েট কৰা হৈছিল তেতিয়া সকলোৱে ভাৱিছিল যে ২৪৪(এ) নাথাকিব। কিন্তু সেইটো ১৯৮০ চনত পাৰ্লিয়মেন্টত বিভিন্ন ধৰণে আলোচনা হোৱাৰ পিছত যেতিয়া Six schedule ৰ Article 244(2) আৰু ২৭৫(১) যেতিয়া এই বিষয়ে বিভিন্ন আলোচনা কৰাৰ পিছত বিভিন্ন কথা থাকি গৈছিল। মোক এবাৰ প্ৰেম খাণ্ডু থুঙ্গন, তেওঁ অৰুনাচলৰ প্ৰথম গৰাকী মুখ্যমন্ত্ৰী আৰু তেওঁ তেতিয়া মেঘালয়ৰ শ্বিলঙত পঢ়ি আছিল। তেতিয়া মিচেচ গান্ধী প্ৰধান মন্ত্ৰী আছিলে। মেঘালয় সৃষ্টি হৈছিল। notification নাই, ঘোষণা কৰিছিল, তেতিয়া ঘোষণা কৰাৰ লগে লগে কলেজত পঢ়ি থাকোতে তেওঁলোকে ভাবিলে যে মেঘালয় হব পাৰে, আমি অৰুণাচল বেলেগ ৰাজ্য হ'ব কিয় নোৱাৰে? তেওঁ মোক নিজে কোৱা কথা। গতিকে hostel ত থকা চাৰি পাচঁ জন লৰাই গৈ কিবা এটা মেনেজ কৰি তেওঁলোক মিচেচ গান্ধীক memorandum দিলে যে আমাৰ অৰুণাচলকো পূৰ্ণাঙ্গ ৰাজ্য হিচাপে

ঘোষণা কৰিব লাগে। মিচেচ গান্ধীয়ে তেতিয়া প্ৰস্তাৱ গ্ৰহণ কৰিলে আৰু অৰুণাচল পূৰ্ণাঙ্গ ৰাজ্য হিচাপে ঘোষণা হ'ল।

মাননীয় অধ্যক্ষ ডাঙৰীয়া আমাৰ কাৰ্বি আংলঙৰ ৰাইজৰ যিটো সমস্যা, এই সমস্যাৰ দুটা ভাগ আছে, এটা practical আৰু আনটো হৈছে political। গতিকে boost-up দৃষ্টিভঙ্গীৰে আমি চাব লাগিব যাতে তাত থকা প্ৰতিজন ভাৰতীয় নাগৰিকে, জনজাতীয় ৰাইজে সুবিধা পাব লাগিব। কিন্তু যেতিয়া creation কৰা হৈছিল জিলা কেইখন Autonomous Council হিচাপে, তাত যিসকল মানুহ সেই দিনটোলৈকে আছিল, তেওঁলোকক আমি বঞ্চিত কৰাৰ কি অধিকাৰ আছে। এই বিষযটো আপোনালোকে মাননীয় অধ্যক্ষ ডাঙৰীয়া বিবেচনা কৰা উচিত। কাৰ্বি আংলঙৰ জনসাধাৰণেও এই কথাটো বুজি নোপোৱা নহয়, কিন্তু দেখা যায় যে আজি আমি আনৰ পৰা আহি মানুহক সংস্থাপন দিছো। **১৯৭১** চনত বাংলাদেশ, পাকিস্তানৰ লগত হোৱা যুদ্ধৰ সময়ত তাৰ পৰা যিবিলাক আহিছে, সেইসকল ৰিফিউজি হিচাপে হওঁক বা যি নহওঁক ইয়াত সংস্থা পিত পাইছে। কাৰ্বি আংলঙত সংস্থাপিত হোৱাৰ পূৰ্বে যিখিনি পুৰণা মানুহ তাত আছিল, তেওঁলোকৰ কি দোষ? তেতিয়াটো কাৰ্বি আংলাং হোৱা নাছিল। তেতিয়া 6th sehedule ৰ ভিতৰত তেওঁলোক নাছিল। তেওঁলোকৰ মাটিৰ ওপৰত অধিকাৰ আছিল, তেওঁলোকৰ সকলো অধিকাৰ আছিল। কিন্তু আজি তেওঁলোকৰ অনুভৱ এইটো হব নালাগে যে border change, বৃহৎ পৰিবৰ্তন লাগে। আমাৰ মাননীয় সদস্য ড° নোমল মমিন ডাঙৰীয়াই কৈছে যে বহল অন্তৰ লাগে। সেই বহল অন্তৰৰ খাতিৰত তাত থকা indigenous যিবিলাক মানুহ **২৯** টা জনগোষ্ঠী আছে বুলি তেখেতে কৈছে, সেই indigenous মানুহখিনিৰ স্বাৰ্থ মাননীয় অধ্যক্ষ ডাঙৰীয়া খৰ্ব হবলৈ দিব নালাগে। কাৰ্বি আংলঙত সৰ্বতো প্ৰকাৰে উন্নতি হ'ব লাগে। কাৰ্বি আংলঙৰ বহু ভিতৰৰ ঠাইলৈ মই গৈছো। কাৰ্বি আংলঙৰ পাহাৰ খনৰ ইটোপাৰে মোৰ সমষ্টি আৰু সিটো পাৰে কাৰ্বি আংলঙৰ সমষ্টি। ইয়াৰ মানুহে ইয়াতো ভোট দিয়ে, তাতো ভোট দিয়ে। Autonomous Council ৰ নিৰ্বাচন হ'লে তাত ভোট দিয়ে, বিধান সভা, লোকসভাৰ নিৰ্বাচন হ'লে তেওঁলোকে ইয়াতে ভোট দিয়ে। গতিকে সেই ব্যৱস্থাটো আছে সেই বিলাক ঠাইত। সেইব্যৱস্থাটো হাইলাকন্দিৰ কাছাৰতো আছে আৰু মিজোৰামতো আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া মই সেইকাৰণে কৈছো যে কাৰ্বি আংলাঙৰ সৰ্বান্তকৰণে উন্নতি হবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত আমাৰ BTAD area আৰু স্বয়ত্বশাসিত অঞ্চলসমূহত ঘোষণা কৰিছে। কিন্তু কাকো অধিকাৰ খৰ্ব কৰি সেই অঞ্চলৰ উন্নতি সাধন কৰিব নোৱাৰে। কাৰ্বি আংলং Autonomous Council য়ে BTAD ৰ যিটো আৰ্হি সেইটো তেওঁলোকে লবলৈ চেষ্টা কৰোতো উচিত য'ত খিলঞ্জীয়া মানুহখিনিৰ অধিকাৰ থাকি বই, অধিকাৰ খৰ্বস্ত নহয়। আজি মোক ৰাতিপূৱা কোৰ্কাঝাৰৰ পৰা এজনে ফোন কৰিলে যে তেওঁলোকে এখন মিটিং পাতিছে, য'ত **৫০** হাজাৰ মানুহ আহি সমবেত হৈছে। অসমৰ কোনো মন্ত্ৰী বিধায়কক তেওঁলোকে মতা নাই। তেওঁলোক ঝাৰখণ্ডৰ পৰা মানুহ মাতিছে। মই মানুহ মতাত একো আপত্তি কৰা নাই as a Indian citizen। কিন্তু এই অনুভৱটো যাব নালাগে যে আমি তোমালোকতকৈ বেলেগ, আমি অমুকে আহি কলেহে কথাটো মানিম। এই অসমৰ কোৰ্কাঝাৰৰ মানুহে আহি কথা কলে তেওঁলোকে নামানে বাহিৰৰ ৰাজ্য এখনৰ পৰা আহি কথা কলে মানিব, তেওঁলোকে শুনিব। সেই episode টো মাননীয় অধ্যক্ষ ডাঙৰীয়া হ'ব নালাগে। আমি যদি প্ৰত্যেকে একোজন ভাল ভাৰতীয় হৈ থাকিব বিচাৰো, আমি যদি এজন ভাল অসমৰ বাসিন্দা হৈ থাকিব বিচাৰো, এখন জিলাৰ বাসিন্দা হিচাপে থাকিব বিচাৰো। তেতিয়া হ'লে আমাৰ মাজত সমিল-মিল থাকিব লাগিব। সেই কাৰণে প্ৰত্যেকৰে ৰাজনৈতিক

দলৰ মানুহ, social worker প্ৰত্যেকৰে দায়িত্ববোধ আছে। আজি দুইজন শিল্পীয়ে কাৰ্বি আংলাঙৰ মাটিত কিয় জীৱন হেৰুৱাব লগা হ'ল। তাত তদন্ত হৈছে, ব্যৱস্থা হ'ব, সেইটো বেলেগ কথা। কিন্তু হেৰুৱাইছে কিয়, তাত কিবা এটা হৈছে, কি হৈছে। এটা intelligence ৰ চৰকাৰী report মই দিব নোৱাৰো। কিন্তু মই ভাৱ বিনিময় কৰোতে পাইছিলে তাত mines ৰ illegal mining চলি আছে আৰু কেনেবাকৈ গম পাইছে বুলি তেওঁলোকৰ ওপৰত আক্ৰমণ হোৱা বুলিও অভিযোগ উত্থাপন হৈছে। তেনেকুৱা ধৰণৰ report কেন্দ্ৰীয় চৰকাৰলৈ গৈছে। যদি তাত mining ৰ granite য়ে হওঁক বা আনকিবা বস্তুৰে চোৰাং ব্যৱসায় চলে, তেতিয়া হ'লে চৰকাৰে অতি শীঘ্ৰ বন্ধ কৰা উচিত। তাৰ পুলিচ থানা বিলাক শক্তিশালী কৰি গঢ়ি তোলা উচিত। তাত যিবিলাক ব্যৱস্থা চলি আছে, সেইবিলাক ৰাইজৰ বিপক্ষে যোৱা ব্যৱস্থা, সেইবিলাক বন্ধ কৰিবৰ কাৰণে চেষ্টা কৰা উচিত। আমি যদি পিছলৈ ঘূৰি চাও, কাৰণ আগৰ খোজটো দিব লগীয়া হ'লে পিছৰ খোজটো ঘূৰি চোৱা উচিত। তাৰ পিছতে আমি আমাৰ সামৰ্থ অনুসৰি খোজ দিয়াটো উচিত আৰু সেই কাৰণে মই ভাৱো যে কাৰ্বি আংলঙৰ বিভিন্ন সংগঠনে যিসমূহ দাবী উত্থাপন কৰিছে যে তাত non tribal হ'লে ভোট দিব নোৱাৰিব। মই ভাৱো মোৰ ব্যক্তিগত মতামত যে কাৰ্বি আংলং N.C. Hill create কৰাৰ সময়ত যিসকল আছিল, তেওঁলোকৰ ভোটদিয়াৰ অধিকাৰটো থাকিব লাগে। তেওঁলোকৰ পিছত হ'লেও কিন্তু যেতিয়ালৈকে তেওঁলোকে কাৰ্বি আংলাঙ নৰে আৰু আপুনি reservation কৰি দিবও পাৰে। BTAD area যেনেকৈ reservation আছে, তেওঁলোকৰো reservation থাকিব। Non Karbi আদি seat ত contest কৰিব পাৰিব। এতিয়া High Court ৰ যিটো order, সেই order ত কিন্তু মৌলিক স্বাধীনতাৰ ক্ষতি কৰা হৈছে । আজি Ladakh Autonomous Council ত বা Ladakh ত কি শাসন ব্যৱস্থা আছে। তাতো ভাৰতৰ শাসন ব্যৱস্থা। ঠিক মেঘালয়তো Autonomous Council আছে, তাত কি চলি আছে, তাত Khasi Hill Autonomous Council ত গাৰো মানুহ representation পাব পাৰে। গতিকে মই ভাৱো সেইটো বাধা হব নালাগে। আমাৰ জনজাতীয় ৰাইজৰ উন্নতি হব লাগিব। আমাৰ SC, ST পিছপৰা শ্ৰেণী ৰাইজৰ উন্নতি হব লাগিব। কাৰণ কাৰ্বি আংলাং গঠন কৰাৰ সময়ত এইটো কথা হৈছিল যে তাত কিমান কেনেকুৱা ধৰণৰ মানুহ আছে । সেই সম্পৰ্ক বিতং বাখ্যা দাঙি ধৰিছে, সেই সময়ৰ report বিলাকত আৰু যিটো আমাৰ 1991 চনৰ census তো এই কথাটো কোৱা হৈছে যে তাত ST in the district আছে ২৭,৯৯১ আৰু SC ৩৪১,৭১৮ জন আছে আৰু Rural ত SC ২৫,৯১৩ জন আৰু ST ৩১৯,২০৭ জন। Urban ত SC ২০৮৭ জন, ST ২২,৫১১ জন। এই census report বিলাকত SC, ST, General কিমান আছে, এই বিষয়ে detail report আছে। আমাৰ যিটো gazettier এতিয়া প্ৰতিখন জিলাৰ development আৰু তাত মানুহৰ সংমিশ্ৰণ কেনেকুৱা ধৰণৰ আছে, এই সম্পৰ্কে বিতং ভাৱে তেওঁলোকে উল্লেখ কৰি থৈ গৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই ভাৱো যে এতিয়া বীৰেন সিং ইংতি ডাঙৰীয়াই খৰচিং ইংতিৰ পৰা আদি কৰি তেখেতসকলৰ সৈতে কাৰ্বি আংলাঙত এক ৰাজনীতিক চিন্তাক আগত লৈ এক সামাজিক কামৰ জৰিয়তে তাৰ উন্নয়ন বিচাৰিছে। তাৰ উন্নয়ন হ'ব লাগে। আৰু Hill district কেইখনে যথেষ্টখিনি চৰকাৰী অনুদান পাব লাগে। ইতিমধ্যে DoNER, NEC ৰ পৰা আন আন চৰকাৰ Tribal Affairs বিভাগৰ পৰাই হওঁক, সেই সুবিধা তেওঁলোকে পোৱাতো উচিত আৰু তাৰ যাতে সৎ ব্যৱহাৰ হয়, সেই অঞ্চল যাতে আগবাঢ়িব পাৰে তাৰে কামনা কৰিছো। এবাৰ NEC ৰ এখন মিটিং চৰকাৰত থাকোতে attend কৰিছিলো যেতিয়া আপাং চাহাব মুখ্যমন্ত্ৰী

আছিল। এজন চৰকাৰী বিষয়াই কলে যে ইমান টকা অনুমোদন কৰা হৈছে ৰাষ্টাৰ কাৰণে। অৰুণাচলৰ এজনে উত্তৰ দিছে যে ৰাষ্টা আপুনি মেপত পাব, ফিল্ডত নাপাব। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰে পোনপটীয়া ভাৱে এই ৰাষ্টাৰ উন্নয়ৰ ব্যৱস্থা হাতত লবৰ কাৰণে আগবঢ়ি আহিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া আমি সৰ্বান্ত কাৰণে আমাৰ পাহৰীয়া জিলা কেইখনৰ Autonomous Council বিলাকৰ উন্নতি হোৱাটো আমি কামনা কৰো আৰু আশা কৰিছো যে সকলোৰে সমান বিকাশ হ'ব কাৰণে যদি লাগে economically backward সকলক economically আগবঢ়াই লৈ যাবৰ কাৰণে সুবিধা লব লাগে। আৰু আমাৰ জনজাতীয় ৰাইজ আৰু অনুসুচিত জনজাতীয় ৰাইজ আৰু অন্যান্য সকলৰ যি আশা -আকাঙ্খা তাক পুৰণ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। মই ভাৱো যে আজি কাৰ্বি আংলাং বা ডিমাহাছাওঁৰ পৰা যিসকল নিৰ্বাচিত হৈ আহিছে ৰাইজৰ প্ৰতিনিধি, তেখেতে যথেষ্টখিনি কথা ইয়াত উল্লেখ কৰিছে। আৰু মই ভাৱো যে তেখেতসকলে আগবাঢ়ি গলে নিশ্চয় ভৈয়াম আৰু পাহাৰৰ সমন্বয়ৰ মাজেৰে প্ৰতিটো অঞ্চল আগবাঢ়ি যাব পাৰিব। মই ইয়াকে কৈ অঞ্চলটোৰ উন্নতিৰ কামনা কৰিছো আৰু আপুনি যি সুবিধা দিলে যে প্ৰতিটো organization যে দিয়া memorandum copy সকলো বিধায়কে দি তাৰ বিভিন্ন মানুহৰ অন্তৰৰ কথা বিলাক জনাৰ যিটো সুবিধা দিলে, তাৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। কিন্তু মই এটা আশা কৰিছো এতিয়া Plain ত যিবিলাক Tribal হয়, Hills ত তেওঁলোক Tribal নহয়, তেওঁলোকো deprive হৈছে তেওঁলোকৰ দাবীটো উল্লেখ আছে memorandumত। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া এই কথা বিলাক বিবেচনা কৰোতে সেই কথাটোৰ প্ৰতিও আমাৰ কাৰ্বি আংলাং represent কৰি অহা, ডিমাহাছাও represent কৰি অহা সকলে মণত ৰাখিব বুলি আশা কৰিছো।

মই এইটো কৈ সামৰণি মাৰিছো অধ্যক্ষ ডাঙৰীয়া, ডিমা হাচাওৰ কেইবাজনৰ লগত মই কথা-বতৰা পাতিছিলো, intellectual group আমাৰ ইয়াটো আছে, চৰকাৰী বিষয়া হৈ থাকোতে। গতিকে হাফলঙত যে হিন্দীটো আহিল, এই হিন্দীটো কেনেকৈ আহিল? কোনেও অধ্যক্ষ ডাঙৰীয়া ক'ব নোৱাৰে যে হিন্দীটো তাত কেনেকৈ আহি গ'ল, কেতিয়া গ'ল? কেনেকৈ এইটো হাফলং হিন্দীলৈ পৰিণত হ'ল? গতিকে এনেকুৱা কিছুমান কথা আছে যিবিলাক কথাই আমাক বিভিন্ন সময়ত influence কৰি আমি নিবিচৰা ধৰণৰ কথা এটা বা আমাৰ অজ্ঞাত কিবা এটা কথা গ্ৰহণ কৰা এটা পৰিস্থিতি আহি পৰে। আৰু সেই কাৰণে আজি গোপীনাথ বৰদলৈৰ পৰা আৰম্ভ কৰি চাইমন কমিচনৰ পৰা আৰম্ভ কৰি আজিৰ দিনটোলৈকে মই ভাৱো যে Positive এক দৃষ্টিভংগীৰে সকলোকে লৈ আমাৰ মাননীয় বাজপেয়ী ডাঙৰীয়াই এটা কথা কৈছে, মোডী ডাঙৰীয়াইও কৈছে, সেই দৰে reflect কৰিবলগীয়া হ'লে আমি তেনেকুৱা এখন অন্তৰ লৈ আগবাঢ়িব লাগিব সকলোৱে আৰু তেতিয়াহে তাৰ উন্নতি হ'ব। অধ্যক্ষ ডাঙৰীয়া ধন্যবাদ, নমস্কাৰ।

**মাননীয় অধ্যক্ষ ঃ**-Thank you. এতিয়া চুম ৰংহাং

**শ্ৰী চুম ৰংহাং,মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষমহোদয়, আজি অসম বিধান সভাত পোন প্ৰথমবাৰৰ বাবে Socio economic up-liftment of the state of Assam, শীৰ্ষক বিষয়ৰ ওপৰত মুকলিমুৰীয়াকৈ যোৱা ২৫-০৯-২০১৮ তাৰিখে বিধান সভাৰ কক্ষত আলোচনা কৰাৰ সুবিধা দিয়াৰ বাবে মই ৩০০ পাহাৰীয়া জিলা ৰাইজৰ হৈ আপোনাক ধন্যবাদ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, মই যদিও অসম চৰকাৰৰ এজন মন্ত্ৰী, কিন্তু মই বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰিছো কাৰ্বিআংলং জিলাৰ সদৰ ঠাই ডিফু সমষ্টিৰ পৰা। গতিকে মই আমাৰ যিটো Socio economic up-liftment of the Hills District of Assam এই বিষয়ৰ ওপৰত

আলোচনা কৰিবলৈ যাওঁতে মই সেই ঠাইৰ প্ৰতিনিধি হিচাপে মই মোৰ বক্তব্য ৰখাটো প্ৰয়োজন আছে বুলি অনুভৱ কৰিয়েই মই বক্তব্যটো আগবঢ়াব বিছাৰিছো। পাহাৰৰ প্ৰধান জনগোষ্ঠী হিচাব কাৰ্বিআংলং ডিমাহাচাও, অসমৰ বিভিন্ন ঠাইত সিচঁৰিত হৈ থকাৰ মাজতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী ভাৰত ৰত্ন গোপীনাথ বৰদলৈ আৰু আমাৰ প্ৰথমগৰাকী বিধায়ক খৰচিং টেৰাং আৰু জননেতা চেমচং সিং ইংতি প্ৰমুখ্যে নেতাসকলৰ উদ্যোগত ১৯৫১ চনত সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰ জিলা হিচাপে জিলা গঠন হৈছিল। সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত ১৯৫২ চনত জিলা পৰিষদ গঠন কৰি পাহাৰীয়া জিলা ২ খনৰ সৰ্বতোপ্ৰকাৰৰ বিকাশত ব্যৱস্থা কৰা হৈছে। যি আশা লৈ পূৰ্বৰ উদাৰচেতীয়া নেতা সকলে সৰ্বাংগীন উন্নতিৰ কথা ভাবিছে, সেয়া আজি প্ৰায় ৬৭ বছৰ অতিক্ৰম কৰাৰ পাছতো হৈ উঠা নাই। বিশেষকৈ বিকাশৰ মুল আধাৰ স্বাস্থ্য, শিক্ষা, জনস্বাস্থ্য, কৃষি, পৰ্য্যটন, উদ্যোগ , বানিজ্য, unemployment আৰু বিত্তীয় আদিৰ ক্ষেত্ৰত পাহাৰীয়া জিলা দুখন ৰাজ্যৰ অন্যান্য জিলাৰ তুলনাত পিছপৰি আছে। Medical College, নিৰ্মানৰ কাম চলি আছে যদিও ইয়াৰ নিৰ্মানৰ গতি অতি মন্থৰ। শিক্ষাৰ হাৰ জিলাখনৰ অতি নিম্ন পৰ্য্যায়িত আছে। আৰু স্বাস্থ্যখণ্ডটো পৰ্য্যাপ্ত উন্নতি হোৱা নাই। আমি আশাকৰো পাহাৰীয়া ৰাজ্যৰ আশা-আকাংশা বাস্তবিত কৰাৰ বাবে আমাৰ চৰকাৰে এলানি সুপৰিকল্পিত, আঁচনি গ্ৰহণ কৰিব। আজিকোপতি কোনো ধৰণৰ উদ্যোগ প্ৰতিষ্ঠা নোহোৱাৰ বাবে নিবনুৱা সমস্যাটো দিনে দিনে বৃদ্ধি পাইছে। পাহাৰীয়া জিলা কেইখনত সংস্থাপন সুবিধা নোহোৱাৰ বাবে নিবনুৱা সমস্যাই জিলাখনৰ যুৱক সকলৰ মানসিকতাটো বিক্ষিপ্ত কৰি তুলিছে। জিলাখনত পয্যটন ক্ষেত্ৰত উন্নতি কৰি নিবনুৱা সমস্যা কিছু সমাধান কৰাৰ সুবিধা আছে। আনফালে উদ্যান শস্যৰ বিৰাট সম্ভৱনা ৰাজ্যখনত আছে। সেয়েহে লঘু উদ্যোগ কিছু প্ৰতিষ্ঠা হ'লে যুৱচামৰ মানসিক অৱস্থা উন্নতি আশা কৰিব পাৰি। জিলাখন যিহেতু বিভিন্ন জনগোষ্ঠীৰ আবাসভুমি, সেয়ে সকলোৰে সমবিকাশ হ'বলৈ হ'লে উদ্যোগ প্ৰতিষ্ঠাৰ বিকল্প নাই। কাৰ্বিআংলং আৰু পশ্চিম কাৰ্বিআংলংত প্ৰায় সৰু বৰ ২৯ টা জনগোষ্ঠী লগতে ডিমা হাচাওকলৈ ২৯টা জনগোষ্ঠীয়ে বসবাস কৰে। অতীজৰে পৰা প্ৰধান জনগোষ্ঠী কাৰ্বি সকলৰ পৰা ডিমাছা, ৰেংমা, কুকি, লালুং, তিৱা মানতাইবাসী আদিবাসী বড়ো, কাৰ্বি গাৰো, নাংটাং, চিংটেং, অসমীয়াভাষী, বাংলাভাষী, হিন্দীভাষী, নেপালীভাষী আদি জনগোষ্ঠয়ে বসবাস কৰি আহিছে। আমি কবলৈ গলে পাহাৰীয়া অঞ্চলটো ক্ষুদ্ৰ ভাৰতেই । এতিয়া পাহাৰীয়া জিলাৰ দীৰ্ঘদিনীয়া দাবীটো হ'ল অসমৰ ভিতৰত এখন ভৰতীয় সংবিধান ২৪৪ নং আধাৰত স্বায়ত্তশাসিত ৰাজ্য গঠন কৰা। এই দাবীৰ ওপৰত পাহাৰীয়া ৰাইজে দীৰ্ঘদিন ধৰি আন্দোলন কৰি আহিছে। আন্দোলনৰ নামত ধন জন হানি হৈছে। উগ্ৰপন্থী গোটবোৰে বিভিন্ন কূটাঘাটমুলক কায্য সংঘটিত কৰিছে। অৱশ্যে সুখৰ কথা যে উগ্ৰপন্থীৰ গোটবোৰে মুল সুতিলৈ ঘুৰি আহি চৰকাৰৰ লগত আলাপ আলোচনাত ভাগ লৈছে। ষষ্ঠ অনুসূচীৰ আধাৰত আমাৰ চৰকাৰে সম্প্ৰতি UPDSৰ লগত হোৱা চুক্তি অনুসৰি MOS implement ৰ কাৰণে আগবাঢ়িছে। এই কথাই পাহাৰীয়া ৰাইজক বহুখিনি সকাহ দিব বুলি আমি আশাবাদী। মাননীয় অধ্যক্ষ মহোদয়, মাউ' যিটো চুক্তি হৈ গ'ল, ৩০ টা বিভাগ দিছে। এই ৩০ টা বিভাগৰ উপৰিও এতিয়া ১০ টা বিভাগ বেছিকৈ দি MOS ত যিটো agreement ত অন্তৰ্ভুক্ত হৈছে। এই বিষয়ে মই পুনৰাই কবলৈ নাযাওঁ কিন্তু আমাৰ কাৰ্বি আংলং আৰু ডিমা হাছাও কিন্তু দুখ বেদনাৰ কথা, যি উন্নতিৰ কাৰণে ৩০ টা বিভাগৰ ক্ষমতা দিয়া হৈছে। তাৰে ২৬ টা বিভাগৰ যিখিনি implementation, কিছুমান হৈছে কিছুমান হোৱা নাই, আৰু আগৰ যিবিলাক ক্ষমতা অৰ্পন কৰা হৈছিল বা ক্ষমতা আছিল এই ক্ষমতাবোৰ কিছুমান নাইকীয়া হৈ গৈছে। সেই কাৰণে কিছুমান

ক্ষোভৰ উদগীৰণ হৈছে বুলি ভাবো। এতিয়া মই উদাহৰণ হিচাপে এটা কওঁ যে, আমাৰ কাৰ্বিআংলং অট'ন'মাচ কাউঞ্চিল ১৯৫২ চনৰ ২৩ জুনত যদিও establish হৈছে, establish হোৱাৰ পাছতো যি inherent subject তিনিটা আছিলে। Lowerv Primary Education, Land Revinue আৰু Forest. আমাৰ অসমত যদিও District Council Reserve Forest নাই, কিন্তু আমাৰ কাৰ্বিআংলং ডিমা হাচাও জিলাত District Council Reserve Forest আছে। Reserve Forest ৰ উপৰিও District Council Reserve Forest ও আছে। সেই কাৰণেই এতিয়া মই শিক্ষা বিষয়ৰ কথাতো কব বিছাৰিছো, যিটো নেকি আমাৰ কাৰ্বিআংলংবাসী ৰাইজে, আৰু স্থানীয় ৰাইজে বা ডিমা হাচাও স্থানীয় ৰাইজে ভাবিবলৈ লৈছে যে, যিটো আমাৰ আগৰ inherent subject ৰ ক্ষমতা আছিল, সেই ক্ষমতাটো এতিয়া নাইকিয়া হৈছে যেন অনুভৱ হৈছে।কিয়নো আগতে L P Teacher সকলক গোটেইখিনি Appointment ৰ পৰা আৰম্ভ কৰি 6th Scheduled এলেকাত আমাৰ Autonomous Council য়ে appointment বিলাক দিব পৰা ক্ষমতাটো আছিল। 3rd Grade, 4th grade এই চাকৰিৰ ক্ষেত্ৰতো আমাৰ Autonomous Council য়ে দিব পৰা ক্ষমতাটো আছিল। কিন্তু এই Mou ৰ দিয়াৰ পিছত কিন্তু এইখিনি বিলুপ্তি হোৱা যেন অনুভৱ হৈছে যাৰ কাৰণে আমাৰ কিছুমান কাৰ্বিআংলং ডিমা হাচাও Autonomous Council ক কিন্তু এই ক্ষমতাখিনি এহাতে দিছে আৰু আনহাতে ঘুৰাই লৈ গৈছে, নানা ধৰণৰ নতুন নতুন আইন প্ৰয়োগ কৰি। এনেকুৱাধৰনৰ এটা মনোভাৱ গঢ় লৈ উঠিছে। যাৰ কাৰনে এতিয়া আমাৰ Autonomous State ৰ কথা দাবী কৰি আহিছে, যিমানখিনি আমাক সুবিধা দিছে বুলি কৈছে, সিমানখিনি ক্যৰ্য্যক্ষেত্ৰত আমি পাবলৈ সক্ষম হোৱা নাই। এনেধৰনৰ মনত এটা চিন্তা আহিছে, সেই কাৰনে যিটো ষষ্ঠ অনুসুচীৰ আধাৰত যি আমাৰ ৩০ টা বিভাগৰ যি agreement হৈছে, ৩০ টা বিভাগ হস্তান্তৰ কৰা হ'ব। বিশেষকৈ এতিয়া Sale Tax, Excise, Transport আৰু printing & Stationary. এই চাৰিটা বিভাগ দিয়া হোৱা নাই। তাৰ কাৰণেই আমি যিমানখিনি পাবলৈ সক্ষম হ'ব বুলি ভাবিছিলো, যিমানখিনি উন্নতিৰ দিশত আগুৱাই লৈ যাব পাৰিম, সেই কথাটো ২৫ তাৰিখে যি Socio Cultural Organization ৰ লগত মুকলি মূৰীয়াকৈ আলোচনা কৰিছিলো, এতিয়া এইখিনি কথাই বিশেষকৈ ঠাই পাইছে। উদাহৰণ হিচাপে মই কওঁ যে, এল পি স্কুলত শিক্ষক সকলক নিযুক্তি দিব পৰা ক্ষমতাটো এতিয়া আমাৰ নোহোৱা হৈ গ'ল। Inherent subject আমাৰ যিহেতু কাউঞ্চিলে নিযুক্তি দিয়ে, কিন্তু গোটেইখিনি টকা পইচা ৰাজ্য চৰকাৰে আগবঢ়ায়, তেতিয়া প্লেইন ফাণ্ডৰ পৰা সেই টকা পইচাখিনি যদি যোগান ধৰে, কিন্তু আমাৰ যিটো কাউঞ্চিলৰ হেডত যায়, grant-in-aid to local bodies primary education. এই শিতানতে এই টকা পইচাবিলাক গৈছিল। কিন্তু এতিয়া সেইখিনি সুবিধাটো নোহোৱা হ'ল আৰু তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ নিযুক্তিৰ ক্ষেত্ৰত যিখিনি ক্ষমতা দিয়া আছিল, সেইখিনি নোহোৱা হৈ গ'ল। ঠিক তেনে ধৰণৰ কথাৰ কাৰণে কিছুমান কথায়েই গা কৰি উঠিছে। যাৰ কাৰণে এনেকৈ বৰ্তমান এইখিনি কথাৰ ওপৰতে আমাৰ এই ২৪৪ (ক) ধাৰা যিটো স্বায়িত্ব শাসিত ৰাজ্য গঠন কৰা কথাটো বেছিকৈ ওলাবলৈ লৈছে আৰু আমি যিহেতু গোটেই কাৰ্বি আংলং, ডিমা-হাছাও জিলাতে ইয়াৰ ওপৰতে স্বায়িত্ব শাসিত ৰাজ্য Autonomous States with in the State of Assam বিষয়ৰ ওপৰতে বেছিকৈ গুৰুত্ব দিছে আৰু সেইখিনি বিবেচনাৰ কাৰণে আজিৰ stake holder ৰ লগত যিটো আলোচনা হৈছিল, সেইটো বিশেষকৈ ইয়াত ঠাই পাইছে সেইখিনি বিবেচনা কৰিব বুলি মই অনুৰোধ জনাইছো। এই

কথাই পাহাৰৰ ৰাইজক বহুখিনি সকাহ দিব বুলি আমি আশাবাদী। MoU Implement যিহেতু আগবাঢ়ি আহিছে, লগতে অসমৰ ভিতৰতে যিটো স্বায়িত্ব শাসিত ৰাজ্যৰ মৰ্য্যদাৰে পাহাৰীয়া জিলা দুখনক উন্নতি কৰাৰ বিষয়টো বিবেচনা কৰিব পাৰিব। অসমৰ পাহাৰীয়া জিলা দুখনত দ্ৰুত বিকাশে অসমক শক্তিশালী কৰিব বুলি ভাৱো। অৱশ্যে এই কথাও স্বীকাৰ কৰিব লাগিব, ১৯৯৫ চনত অসম চৰকাৰৰ লগত হোৱা চুক্তি অনুসৰি স্বায়িত্ব শাসিত পৰিষদে যি ৩০ টা বিভাগক চোৱা-চিতা কৰাৰ বাবে যি অধিকাৰ পালে, সেয়াও পাহাৰীয়া জিলা দুখনৰ বিকাশৰ ক্ষেত্ৰত আগুৱাই নিয়াত বহুখিনি সুবিধা প্ৰদান কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬ চেপ্তেম্বৰ তাৰিখে বিধান সভাৰ কক্ষত আপোনাৰ উদ্যোগত যি আলোচনা অনুষ্ঠিত হৈ গ'ল, ইয়াতো পাহাৰৰ বিকাশৰ সন্দৰ্ভত বিভিন্ন সংগঠন ব্যক্তি বিশেষে নিজৰ নিজৰ মতামত দাঙি ধৰিছে। এই মতামতৰ ওপৰত ভিত্তি কৰি আমি বহুখিনি সিদ্ধান্ত গ্ৰহণ কৰিব পাৰো। কেন্দ্ৰীয় পুঁজি পোনপটীয়াকৈ আৱণ্টনৰ বাবে স্বায়িত্ব পৰিষদখনৰ যি দাবী, সেই দাবী সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে নীতিগত ভাৱে সন্মত হৈছে। এয়া পাহাৰীয়া জিলাখনৰ লগতে আমাৰ ৰাজ্যখনৰ বাবে ভাল খবৰ। আমাৰ উদাৰচেতীয়া তথা বহল অন্তৰৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ উদ্যোগত আমি পাহাৰীয়া জিলাৰ দ্ৰুতবিকাশ সম্ভৱ হ'ব বুলি আমি বিশ্বাস কৰো। ইতিমধ্যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বহুখি নি বাস্তৱপন্থা হাতত লৈছে। বিত্ত মন্ত্ৰী ডাঙৰীয়াইও পাহাৰৰ উন্নতিৰ বাবে বিশেষ দৃষ্টি নিক্ষেপ কৰিছে। ইয়াৰ উমান আমি সময়ে সময়ে পাই আছো। বিত্তীয় ক্ষেত্ৰত আমাক যিমানখিনি ধন আৱণ্টন কৰা হৈছে, এইখিনি পৰ্য্যাপ্ত নহয়, যাৰ কাৰণে আমি যিমান খিনি উন্নতি আশা কৰিছিলো, সিমানখিনি আমি উন্নতি কৰিব পৰা নাই। এতিয়া যিকোনো বিভাগৰ ক্ষেত্ৰত এতিয়া অলপ আগতে উপৰোক্ত বক্তা সকলে মাননীয় ড° ৰনোজ পেগু ডাঙৰীয়া, শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আৰু শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিখিনি বক্তব্য ৰাখিছে, সচাঁকৈয়ে এইটো শলাগ লবলগীয়া। তেখেত সক লৰ চিন্তাৰে এইখিনি বক্তব্য আগবঢ়াইছে, সচাঁকৈ তেওঁলোকে আমাৰ পাহাৰীয়া জিলা দুখনৰ যিখিনি সমস্যা, এই সমস্যাখিনিৰ বিষয়ে তেখেত সকলে উপলব্ধি কৰিছে আৰু সেই কাৰণে তেখেতসকলৰ বক্তব্যৰ যোগেদি এইখিনি প্ৰতিফলিত হৈছে। বিশেষকৈ ইয়াত যিখিনি বিভাগৰ কথা কোৱা হৈছে, যিকেইটা বিভাগক হস্তান্তৰ কৰা হৈছে এইবিলাক বিশেষকৈ টকা পইচা বা বাজেটৰ ধন যদি পৰ্য্যাপ্ত যদি নহয় বা নাপায়, তেতিয়াহ'লে আমি যিবিলাক উন্নয়ণৰ কথা চিন্তা কৰিছো, সেইখিনি কথা অমূলক হ'ব। গতিকে HADP (Hills Area Development Programme) আছিলে, Article 275 (1) ৰ কথা আছিলে Tribal Affiairs Ministry ৰ পৰা যিখিনি টকা পইচা দিয়াৰ কথা আছিলে, এইবোৰ কথা Nodel Department হিচাপে WPT Department য়ে এইটো Nodel Department হিচাপে গ্ৰহণ কৰাৰ কাৰণে আমি বিশেষকৈ Hills Area ত যিসকল জনগোষ্ঠীৰ মানুহে বসবাস কৰি আছো, সেইখিনি মানুহক দোপদ-দোপে আগবঢ়াবৰ কাৰণে এইটো বাধাৰ সৃষ্টি হৈছে, আমি বঞ্চিত হৈছো। গতিকে এইখিনি কথাও বিবেচনাৰ কাৰণে আজিৰ এই পবিত্ৰ বিধান সভাত মই এইখিনি বক্তব্য ৰাখিছো। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পাহাৰীয়া ৰাজ্যৰ দুখ বেদনা, আশা-আকাংশা আলোচনা কৰাৰ বাবে বিধান সভাত বিশেষ দিন ধাৰ্য্য কৰি যি বিৰল সুযোগ প্ৰদান কৰিলে, তাৰ কাৰণে অসম চৰকাৰৰ এগৰাকী বিধায়ক হিচাপে আপোনাক মোৰ কৃতজ্ঞতা পুণৰবাৰ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী কমল সিং নাৰ্জাৰী।

**শ্ৰী কমল সিং নাৰ্জাৰী, বিজনী ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ-ুআযাৰ কব দিয়াৰ বাবে আপোনাক

ধন্যবাদ জ্ঞাপন কৰিছো। ডিমা-হাছাও আৰু কাৰ্বি আংলং দুখন ষষ্ঠ অঞ্চলৰ্ভূক্ত যি অঞ্চল, সেই অঞ্চল দুটাৰ উন্নয়নৰ বাবে অসম চৰকাৰৰ ফালৰ পৰা সেই অঞ্চল দুটা সৃষ্টি হোৱাৰ পিছৰ পৰাই যেনেভাৱে তাৰ অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক বিভিন্ন পৰ্য্যায়ৰ উন্নতিৰ বাবে যিখিনি ব্যৱস্থা হাতত লৈ আহিছো যোৱা ২৬ চেপ্তেম্বৰত আপোনাৰ নেতৃত্বত অনুষ্ঠিত হোৱা যি আলোচনা, সেই আলোচনাত আমি সেই অঞ্চল দুটাৰ বিধায়ক সকলৰ লগতে বহুখিনি তেওঁলোকৰ অভিযোগ প্ৰতি অভিযোগ শুনিবলৈ পাইছো। আমি পাহাৰীয়া অঞ্চল দুটাক অসমৰ আমি ভূস্বৰ্গ বুলি কব লাগিব। তাত বসবাস কৰি থকা জনজাতীয় লোক, সেই সকলৰ অৰ্থনৈতিক দিশত উন্নয়নৰ ফালে আগবঢ়ায় লৈ যোৱাৰ লগতে তেওঁলোকৰ সংস্কৃতি, ভাষা আৰু শৈক্ষিক যিটো পৰিৱেশ, সেই পৰিৱেশখিনি আমি বৰ্ধিত ভাৱে উন্নয়ন কৰিব লাগিব, সৃষ্টি কৰি দিব লাগিব। যি সৃষ্টিৰ ফলত অসমৰ যিটো অখণ্ডতা সেইটো ৰক্ষা কৰিবৰ বাবে তেওঁলোকৰ যি আবেগ, অনুভূতিক আমি সম্পূৰ্ণভাৱে নিশ্চয় মূল্যায়ন কৰিব লাগিব। গতিকে বিভিন্ন দল সংগঠনৰ ফালৰ পৰা কাৰ্বি আংলং আৰু ডিমা-হাছাওৰ ছাত্ৰ সংগঠন আদি কৰি বিভিন্ন সামাজিক সংগঠন সমূহে আমাৰ আগত যিখিনি তেওঁলোকৰ মনৰ দুখ বেদনা প্ৰকাশ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মোক অসম বিধান সভাৰ অনুসূচীত জাতি আৰু জনজাতীয় কল্যাণ সমিটিৰ অধ্যক্ষ হিচাপে দায়িত্ব দিয়াৰ পাছত সেইসমূহ অঞ্চলৰ ৰাইজে সদায় আহি তেওঁলোকৰ দুখ-বেদনাৰ কথাতো কৈ থাকে। যাৰ ফলত আজি প্ৰশ্ন শিতানতো মই যিটো হাইলাকান্দিৰ যি ৰিয়াং জনগোষ্ঠীৰ কথা মই কব বিচাৰিছো। তেওঁলোকৰ এলেকাত এখনো বিদ্যালয় নাই ঠিক তেনেকৈ অংগনাবাড়ী চেণ্টাৰ তাতে যোৱা নাই। সেইখিনি মই কব বিচাৰিছিলো, তেতিয়া আপুনি মোক অনুমতি নিদিলে যে, কথাতো তেনেকুৱাই, হাইলাকাণ্ডিত ৩০ হাজাৰ ৰিয়াং মানুহ আছে। সেই হিচাপে তেওঁলোকৰ ভোটাৰো আছে। ভোট দি থাকে কিন্তু তাত কোনো ধৰণৰ ৰাস্তা ঘাট, বিদ্যালয় বা বিভিন্ন ধৰণৰ উন্নয়ন মূলক কাম কাজ যোৱা নাই। ঠিক তেনেকৈ আজি কাৰ্বি আংলং আৰু ডিমা হাচাও অঞ্চলৰ যিসকল জনজাতিৰ মৰ্ম বেদনা সেইটা আমি নিশ্চয় অলপ মৰ্মে মৰ্মে উপলব্ধি কৰিব লাগিব। ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰু ডাঙৰীয়া যেতিয়া আছিলে, সেই সময়ত তেখেতৰ যি বিষয়া সকল আছিলে তেওঁলোকে ভুল তথ্য দিয়াৰ ফলত সেই সময়ত NEFA (North-East Frontier Agency) বৰ্তমান অৰুণাচল, সেই NEFA ৰ পোণ প্ৰথমত তেওঁলোকে হিন্দী য'ত স্কুল, কলেজ সমূহৰ যিটো Midum of Instruction অসমীয়া আছিল। পোন প্ৰথম তাত হিন্দী ভাষাটো প্ৰৱৰ্তন কৰি দিয়া হৈছিলে। যাৰ ফলত তেওঁলোকে অসমীয়া ভাষা শিকিবলৈ বাদ দি হিন্দী ভাষা শিকিব ললে। তেনেকৈ আমি হাফলংৰ কথাটো কব লাগিব। তাতে সেই একেই পাহাৰীয়া অঞ্চলত সেই বিষয়া সকলে তেখেতক এটা ভুল এটা তথ্য দিছিলে আৰু পাহাৰীয়া অঞ্চলত সেই বিষয়া সকলৰ অসমৰ পৰা তেওঁলোকক আতৰাই লৈ যোৱাৰ এটা পৰিকল্পনা এটা আছিল। যাৰ ফলত অসমীয়া ভাষা সেই স্কুল কলেজ সমূহত প্ৰৱৰ্তন কৰি নিদি তাত হিন্দী ভাষা প্ৰৱৰ্তন কৰাই দিছিল। যাৰ ফলত তেওঁলোকে অসমীয়া যিটো সংস্কৃতি তাৰ লগত তেওঁলোকে বান্ধ খাই থাকিবলৈ কাৰণে অমান্তি প্ৰকাশ কৰিছিল। যাৰ ফলত এটা এটাকৈ গুচি গৈছিল।

**শ্ৰীকমল সিং নাজাৰ্বী ঃ** এতিয়াও আমাৰ জোৰ পুৰি হাত পোৱাহি নাই। এই অৱস্থাত আমি যদি এতিয়াও সঁচাকৈয়ে বাস্তৱ ভিত্তিত , বিজ্ঞানসন্মতভাৱে, জুকিয়াই চাই প্ৰকৃততে তেওলোকে কি বিচাৰিছে- সেইটো অনুধাবন কৰি ব্যৱস্থা লওঁ, আজি তেওঁলোকে তাত University বিচাৰিছে, মই কাৰ্বি আংলং আৰু ডিমা হাচাওত বহুতৰে লগত কথা পাতিছো, তাত উচ্চ শিক্ষাৰ বাবে যদি

এখন বিশ্ববিদ্যালয় দিয়া হয় তেতিয়া হ'লে নিশ্চয় ভাল হ'ব। তাৰ পিচত Technical Universityৰ কাৰণে তেওলোকে আবেদন কৰিছে। ইউনিৰ্ভাচিটিখন যদি আমাৰ অসম চৰকাৰৰ ফালৰ পৰা প্ৰতিষ্ঠা কৰি দিয়া হয় । তেতিয়া তেওলোকে অনুভৱ কৰিব যে, অসম চৰকাৰে তেওঁলোকক মাহী আইৰ দৃষ্টিৰে চোৱা নাই। মোমিন ডাঙৰীয়াই কথাটো কৈছে যে, S T - P মানুহ Hills Area তো আছে। গতিকে ভৈয়ামত যেনেকৈ দিছে পুঁজিটো তাতো পাব লাগে। আজি কাৰ্বি আংলঙ আৰু ডিমা হাচাওত backlog পোষ্ট বহুখিনি আছে। কিন্তু ফিল আপ কৰা নাই। আমাৰ এচ টি- এচ চি বেকলগ ফিল আপ কৰাৰ কাৰণে কিমানটা backlog post vacant আছে আমি উলিয়াবলৈ চেষ্টা কৰিছো। এচ টি- এচ চি কমিটিত প্ৰায় ৪ দিন ধৰি আমি বহিছো। তাত দেখিছো বিভিন্ন বিভাগত ST -P, Gr. III, Gr. IV , Driver, Peon Post খালী আছে। ST-Hills কি কাৰণত ইমান পোষ্ট খালি হৈ আছে বুলি শুধতে বিভাগীয় বিষয়াই কয় candidate পোৱা নাযায়। এই গ্ৰেড ফ'ৰ পোষ্ট কেইটাৰ বাবে যদি candidate বিচাৰি পোৱা নাযায় এইটো এটা দূভাৰ্গ্যজনক কথা। এইটো বিষয়ে আমি বিত্ত বিভাগক শুধোতে কৈছিল যে, বেকলগ পোষ্ট বুলি উল্লেখ কৰি যদি আমাক proposal দিয়ে আমি এচ আই লগে লগে দি দিম । বিত্ত বিভাগে স্পষ্ট ভাবে কোৱাৰ পিচতো যদি Gr. IV post filled up কৰা নহয় অধ্যক্ষ মহোদয় ই এটা দূৰ্ভাগ্যজনক কথা। কাৰ্বি আংলং আৰু ডিমা হাচাওত যিটো অথ'ৰিটি আছে তেওঁলোকক গ্ৰেড- ফ'ৰ, গ্ৰেড- থ্ৰি পোষ্টৰ এপইন্টমেন্ট দিয়াৰ ক্ষেত্ৰত যিটো বাধা আৰোপ কৰা হৈছে, নিয়মমতে এইটোতো হ'ব নালাগিছিল। ভাৰতৰ সংবিধানে চিক্স চিডুইল এৰিয়াৰ কাউন্সিলবিলাকত কৰ্তৃত্ব দিছে। সেই অনুসৰি থাৰ্ড গ্ৰেড আৰু ফোৰ্থ গ্ৰেড পোষ্টৰ এপইন্ট দিয়াৰ অধিকাৰ আছে। কিন্তু এপইন্টমেন্ট দিয়াৰ আগতে ফাইনেন্স ডিপাৰ্টমেন্টৰ পৰা এচ আইটো ল'ব লাগিব। পোষ্ট লোৱাৰ ক্ষেত্ৰত চেন্ট্ৰেলী কনট্ৰ'ল কৰিব লাগিব। নিয়ন্ত্ৰণৰ বাহিৰত যাতে যাব নোৱাৰে, তাৰ বাবে ফাইনেন্সৰ পৰা এচ আই লোৱা ব্যৱস্থাটো থাকক। নহ'লে দৰমহা ক'ৰ পৰা দিব ? আমাৰ বি টি এ ডিতো গ্ৰেড- থ্ৰি আৰু গ্ৰেড- ফোৰ পোষ্টৰ appointment দিয়াৰ ক্ষেত্ৰত finance department ৰ পৰা এচ আই লোৱা ব্যৱস্থাটো আছে। কাৰ্বি আংলঙ- আৰু এন চি হিলছত যিটো এপইন্টমেন্ট প্ৰচেচ , এই apointment process টো আমি দেখিবলৈ পাইছো যে, সেই process ত All India Basis ত 10 per cent reservation যিটো ST (P) য়ে পায় আৰু 7 per cent reservation ST(H) য়ে পায় । ১০০ টাৰ ভিতৰত মাত্ৰ - ৭ টা পোষ্ট তেওঁলোকে পায় সেই কাৰণে তেওঁলোকে ক্ষুন্ন হৈছে। যদি কাৰ্বি আংলং আৰু ডিমা হাচাওঁত ৬০-৪০ কৰা গ'লহেঁতেন, সেই জিলা দুখনৰ ৬০ শতাংশ লোকেলসকলে ৪০ শতাংশ নন ট্ৰাইবেল সকলৰ বাবে যদি কৰা গ'লহেঁতেন, তেতিয়া নিশ্চয় এই অসন্তুষ্টিবিলাক দেখা নিদিলেহেঁতেন। গতিকে অধ্যক্ষ মহোদয় এনেধৰণৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰিলে তেওলোকৰ অন্তৰ জয় কৰোতে বেছি সময় নালাগে। ১৯৯৫ চনৰ যি চুক্তি হৈ গৈছিল, সেই চুক্তিমতে ২৬ টা department তেওঁলোকক দিয়া হৈছে। বাকী ৪ টা ডিপাৰ্টমেন্ট তেওঁলোকক আজিলৈকে দিয়া নাই। গতিকে অধ্যক্ষ মহোদয় এনেধৰণৰ কথাবিলাক যদি হৈ থাকে তেন্তে কেনেকৈ হ'ব? আজি তেওঁলোকক এনেদৰে ভাবিবলৈ বাধ্য কৰোৱা হৈছে। আগৰ যি কেইগৰাকী মুখ্যমন্ত্ৰী আছিল তেওঁলোকে পাহাৰীয়া জিলা দুখনৰ ৰাইজক প্ৰতিশ্ৰুতি দিছিল, কিন্তু আজিলৈকে সেই প্ৰতিশ্ৰুতি পালন কৰা নাই। আজি আমাৰ ইয়াত চৰকাৰ আছে , কেন্দ্ৰতো একেই চৰকাৰ আছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া এজন ভাল প্ৰশাসক আৰু ভাল সংগঠক। তেখেতৰ দক্ষতা বুজিব পৰা, অনুভৱ

কৰিব পৰা ক্ষমতা আছে। গতিকে তেখেতৰ নেতৃত্বত তেওঁলোকৰ আবেগ- অনুভূতিক সন্মান জনাই যদি আমি আগবাঢ়ি যাওঁ তেন্তে এইক্ষেত্ৰত আমি নিশ্চয় সফল হ'ব পাৰিম। অধ্যক্ষ ডাঙৰীয়া কথাটো হ'ল যে তেওঁলোকে ২৪৪ (এ) Article বিচাৰিছে। আমাৰ চুম ৰংহাং ডাঙৰীয়াই এই মাত্ৰ কৈছে যে, ভাৰত চৰকাৰে direct funding ৰব্যৱস্থা কৰিব বিচাৰিছে। direct funding মানে কি অধ্যক্ষ মহোদয়? ডাইৰেক্ট ফাণ্ডিং হ'ল তেওলোকে পোনে পোনে পুঁজিটো পাব। কিন্তু ডাইৰেক্ট ফাণ্ডিংটো হোৱাৰ পিচত লাহে লাহে অসমৰ লগত তেওঁলোকৰ সম্পৰ্কটো কমি আহিব । তাৰ ফলত স্বৰূপে কাৰ্ব্বি আংলঙ আৰু ডিমা হাচাওঁ অসমৰ বাহিৰত থকাৰ নিচিনা হ'ব। তাৰ পিছত অন্য কিছুমান অসুবিধা আহিব। গতিকে ডাইৰেক্ট ফাণ্ডিং নকৰি পেলাই Central Government য়ে Assam Government ক যিটো ফাণ্ড দিব, সেই ফাণ্ডটো অহাৰ লগে লগে এফ আৰ ডি এমৰ ব্যৱস্থা কৰি লগে লগে তেওলোকক ফাণ্ড মুকলি কৰি দিয়াতেতো একো অসুবিধা নাই। গতিকে এনে ব্যৱস্থা কৰিব পাৰি। তেওলোকে যিটো বিচাৰিছে, তেওঁলোকৰ আবেগ, অনুভুতিক গুৰুত্ব দি Union Government ৰ Funding টো যদি State Government ৰ জৰিয়তে দিয়া যায় তেতিয়া State ৰ নিয়ন্ত্ৰণটো থাকিব। তেওঁলোকে আৰু এটা বিষয় বিচাৰিছে- সেইটো হ'ল Village Council । পঞ্চায়ত চিষ্টেমত তেওঁলোকে Village Council বিচাৰিছে । এতিয়া ফাণ্ডবিলাক centralised policy ত গৈ আছে কিন্তু তেওলোকে এতিয়া Decentralisation বিচাৰিছে। বি টি এ ডিত যেনেকৈ village Council Development Committee আছে, সেই দৰে এই পাহাৰীয়া জিলা দুখনতো যদি ভিলেজ কাউন্সিল ডেভল'পমেন্ট কমিটি গঠন কৰি Grass root Lavel ৰ পৰা উন্নয়ণমূলক কাম কৰিবলৈ সুবিধা দিয়া হয় তেন্তে সুন্দৰকৈ চলি যাব আৰু তেওঁলোকৰ নিজৰ উন্নয়ণ নিজৰ হাতেৰেই হ'ব। আজি যিটো agreesive মনোভাব তেওলোকৰ মনত সৃষ্টি হৈছে সেইটো লাহে লাহে কমি যাব। নিজৰ হাতেৰে যেতিয়া উন্নয়ন কৰিবলৈ যাব তেতিয়া তেওঁলোকে কয় ......

**মাননীয় অধ্যক্ষ ঃ** Right to conclude.

**শ্ৰীকমল সিং নাৰ্জাৰী ঃ** গতিকে তেওঁলোকে নিজৰ যিটো aggressive মনোভাৱ, এই মনোভাৱটো লাহে লাহে পৰিহাৰ কৰিবলৈ চেষ্টা কৰিব আৰু অসমৰ এই সংস্কৃতিৰ লগত খাপখাই তেওঁলোকে অসমৰ লগত একাগ্ৰতাৰে থাকি উন্নয়ন মূলক কথাটোলৈ চিন্তা কৰিব। গতিকে এইখিনি নিশ্চয় কৰিব বুলি আশা ৰাখিছো, সময় কম কাৰণে মই......

**মাননীয় অধ্যক্ষ ঃ** ১৫ মিনিট হৈ গ'ল।

**শ্ৰীকমল সিং নাৰ্জাৰী ঃ** গতিকে মই ক'ব লগা বহুত আছিল যদিও এইখিনিকে কৈ আপোনাক ধন্যবাদ জনাই আৰু আমাৰ কাৰ্বিআংলং আৰু ডিমাহাচাও, আমাৰ ষষ্ঠ অনুচ্ছেদ ভূক্ত এলেকাৰ যি সকল জনসাধাৰণ আছে তেওঁলোকৰ অন্তত আৱেগ, অনুভূতিক সন্মান জনাই আৰু তাত বসবাস কৰি থকা যি সকল জনগোষ্ঠী আছে ইয়াত অসমৰ যি ট্ৰাইবেল, বড়ো সকল অসমৰ ট্ৰাইবেল, কিন্তু কাৰ্বিআংলংৰ ট্ৰাইবেল নহয়, ডিমাহাচাও ট্ৰাইবেল নহয়,তেওঁলোকে তাহানি দিনৰে পৰা তাত বসবাস কৰি আছে, ঠিক তেনেকুৱা বড়োৰ লগতে অন্যান্য জনগোষ্ঠী আছে। যেতিয়া কাৰ্বিআংলং ষষ্ঠ অনুচ্ছেদত ভূক্ত এলেকা হিচাপে ঘোষণা কৰা হৈছিল, ডিমাহাচাও ঘোষণা কৰা হৈছিল সেই সময়লৈকে তাত যি সকল ব্যক্তিয়ে বসবাস কৰি আছে, কাউন্সিলৰ ভোটাৰ হিচাপে তেওঁলোকে অধিকাৰ পাই, তাৰ কাৰণে সেইটো আপুনি নিশ্চয় আজি এই সন্মানীয় বিধান সভাৰ মজিয়াৰ জৰিয়তে এইখিনিৰ ব্যৱস্থা কৰিব, এই আশা ৰাখিছো। এই আশা ৰাখি মোৰ বক্তব্যটো সামৰণি

মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আমাৰ হাতত সময় আছে ১ ঘন্টা আৰু বক্তা আছে ১১ জন। সময় আজি বঢ়াব নোৱাৰিম, আগবেলাও হৈছে, সম্ভৱ নহয়। অলপমান বাৰু বঢ়াম ১০ মিনিট বা ১৫ মিনিট, কিন্তু এনেকৈ নহব। সেই কাৰণে মই কৈছো যে বক্তা সকলে যি খিনি কথা কব খুজিছে, মই নাৰ্জাৰী ডাঙৰীয়াকো কলো, যিকেইটা দৰকাৰী কথা আৰু থাকি গৈছে you give me in writing, it will be treated as part of your speech. কাৰণ আমাৰ গোটেই কথাখিনি আমি collect কৰাৰ পিছত চৰকাৰক দিয়াৰ পিছত, চৰকাৰৰ reaction টো ৯০ দিনৰ ভিতৰত ৰিপোৰ্ট এটা দিয়ে। গতিকে আপোনালোকৰ যদি দুই এটা পইন্ট ৰৈ গৈছে, মই সেইকাৰণে সময়টো কমকে লবলৈ কৈছো, যদি কিবা দৰকাৰী কথা থাকি গৈছে মোক এসপ্তাহৰ ভিতৰত মোৰ কাৰ্য্যালয়ত জমা দি দিলে মই আপোনাৰ speech ৰ লগত সেই খিনি সংযোগ কৰি দিম। কাৰণ দৰকাৰী কথাহে আপোনালোকে কব। গতিকে সেই কাৰণে মই ১০ মিনিটতকৈ কোনেও যাতে বেছি সময় নলয় এইবাৰৰ পৰা। কাৰোবাৰ থাকিলে বাকীখিনি কথা লিখি দিব মই ইয়াত সংযোগ কৰি লম। এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পবিত্ৰ বিধান সভাৰ মজিয়াত অতি গুৰুত্ব পূৰ্ণ এটা বিষয় কাৰ্বিআংলং আৰু ডিমাহাচাও। এই দুখন পাৰ্বত্য জিলাৰ যি আৰ্থসামাজিক উন্নয়ন লৈ আপুনি আলোচনা ইয়াত আহ্বান কৰিলে ইয়াৰ বাবে প্ৰথমে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ ১০ মিনিট ভাষণৰ আৰম্ভণিত কাৰ্বিআংলং আৰু ডিমাহাচাও জিলাৰ সৃষ্টিৰ লগত জন্মলগ্নৰ পৰা জড়িত আৰু এই লোক সকলৰ ভৱিষ্যৎ নিৰ্ণয় কৰ্তা চেংচন ইংতি ডাঙৰীয়া, তেখেতক প্ৰমূখ্যে কৰি যিসকল বীৰ বিভিন্ন সময়ত কাৰ্বিলোক আৰু ডিমাচা লোক সকলৰ কাৰ্বিআংলং আৰু ডিমাহাচাওৰ কাৰণে আত্মবলিদান দিলে, তেওঁলোকক আমাৰ ফালৰ পৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। মোৰ আজি মনত পৰিছে ১৯৮৮ চনত, ৩০ বছৰ আগত মোৰ দেউতা-মাৰ লগত কাছাৰলৈ গৈ আছিলো লামডিং হৈ ৰেলত, বহুত সময় লাগিছিল জয়ন্তিয়া হিল্চত ৰৈছিলো আৰু সেই সময়ত ৰেলৰ পৰা নামি সেই সময়ত আনাৰস খাইছিলো। ২৫ পইচা এটা আনৰাসৰ দাম। যদি বাকলি এৰাই নিমখ ঢালি দিয়ে তেতিয়া ৫০ পইচা লৈছিল। কিমান আদৰৰে আমাক দিয়া সেইসময়ত ডিমাচা মহিলা সকলে দিয়া এই মিঠা আনাৰস খোৱাৰ কথা মনত পৰিছে। তেওঁলোকৰ ব্যৱহাৰ, তেওঁলোকৰ সন্মান অতিথি বুলি আমি ৰেলৰ পৰা নমাৰ লগে লগে আমাৰ যি প্ৰদান কৰিছিল, সেই কথা মোৰ মনত পৰিছে। ১৯৯৪ চনত মই যোৰহাট জিলাৰ হৈ চাব-জুনিয়ৰ ফুটবলৰ কেপটেইন আছিলো, কাৰ্বিআংলঙৰ মিনি ষ্টেডিয়ামত ফুটবল খেলিবলৈ গৈছিলো। সেই ফুটবল খেলাটো মোৰ কাৰণে খুব লাকি, সেই সময়তে মই ষ্টেট টীমৰ কাৰণে coaching ৰ বাবে selection পাইছিলো। তেতিয়া সেই খেলত আমি প্ৰথম খেল জিকিছিলো, দ্বিতীয় খেলত আমি পৰাজয় বৰণ কৰিব লগীয়া হ'ল। ২ দিন যিহেতু থাকিব লগা হ'ল, তেতিয়া যি আতিথ্য কাৰ্বিআংলংৰ লোক সকলৰ পৰা পাইছিলো, বিভিন্ন বিভাগ, বিভিন্ন লোক সকলে আমাক আদৰণি জনাইছিল, হাত চাপৰি বজাইছিল, মাত লগাব আহিছিল, যোৰহাট টীম বুলি। এই কথাবোৰ মনত পৰিছে আজি। অৰ্থাৎ চমুকৈ ক'ব লাগিলে কাৰ্বিআংলং আৰু ডিমাহাচাওৰ লোক সকল খুবেই মৰমীয়াল আৰু খুবেই দয়ালু আৰু বন্ধুত্ব ভাৱেৰে তেওঁলোকে থাকিব বিচাৰে, এই কথাবোৰপ্ৰতিপন্ন সেই সময়তে হৈছিল। আজিও আমি অনুভৱ কৰো। আমি দেখা পাইছো সময় বাগৰি যোৱাৰ লগে লগে বিভিন্ন উগ্ৰপন্থী সংগঠন সৃষ্টি হৈছিল, কাৰ্বিআংলং আৰু ডিমাহাচাও জিলা দুখন পাৰ্বত্য জিলা কেনেকৈ সৃষ্টি হ'ল, মিকিৰ হিল্চৰ পৰা গৈ এইবোৰ

কথা মই পুনৰাই কব বিচৰা নাই। বহু বক্তাই কৈছে, সংবিধানে পিছলৈ গৈ কাৰ্বিআংলং আৰু ডিমাহাচাওৰ লোক সকলক সন্মান জনাই ষষ্ঠ অনুচ্ছেদ ভুক্ত প্ৰদান কৰিলে আৰু আজি বিভিন্ন দল সংগঠনে কিছু আকাংশা বা ভৱিষ্যতৰ সুৰক্ষাৰ কথা চিন্তা কৰি আৱেদন প্ৰতিবেদন আগবঢ়াইছে। মোৰ ওম ছেত্ৰিলৈ মনত পৰিছে, কাৰ্বিআংলং আৰু ডিমাহাচাওৰ এই মাটি খুবেই ভাল। বিভিন্ন কথা কবলগীয়া আছিল আজি সময়ৰ প্ৰতি লক্ষ্য ৰাখি নকওঁ। ডিফুৰ ওম ছেত্ৰীৰ লগত মোৰ dance কৰা মনত পৰিছে, মৰিয়নিলৈ গৈছিল। কাৰ্বিলোক সকলে তেওঁক ভোট দান দি অসমৰ ৰাইজে উত্তৰ অঞ্চলৰ ভোট দান দি, তেওঁক জিকোৱাৰ কথা ওম ছেত্ৰীয়ে কৈছিল, কাৰণ কাৰ্বিআংলং ৰাইজ আৰু ডিফু ৰাইজ কিমান মৰমীয়াল এই কথাবোৰ মোক ওম ছেত্ৰীয়ে কৈছিল। পিছলৈ গৈ আমি দেখা পালো KPLT ৰ পৰা আদি কৰি, DSD ৰ পৰা আদি কৰি, আমাৰ চাহ বাগিছাৰ আদিবাসীৰ এটা সহস্ৰধাৰী সংগঠন AANLA ৰ জন্ম হৈছিল, পাছত আপ্লাৰ জন্ম হৈছিল। এই কাৰ্বিআংলঙৰ ভূমিতে এই সংগঠনবোৰৰ জন্ম হৈছিল। আজি মনত পৰিছে পূৰ্বৰ মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়ালৈ, আজি DSD, KPLT ৰ পৰা আদিকৰি বিভিন্ন উগ্ৰপন্থী সংগঠন বোৰক আলোচনালৈ মাতিছিল আৰু শান্তি আলোচনালৈ আনি মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই এটা ভাল পদক্ষেপ গ্ৰহণ কৰিছিল। যাৰ কাৰণে DSDৰ পৰা আদিকৰি সেইসময়ৰ যি আমাৰ broad gauge railway line ৰ কামত বাধা, উন্নয়নৰ পুঁজিত বাধা, বিভিন্ন ১০০০ টকাৰ কেলেংকাৰী, পিছলৈ ধৰা পেলোৱা, বিভিন্ন কথাবোৰ আজি আমাৰ মনত পৰে। এইখিনিতে আৰু এটা কথা মনত পৰিছে, কেইদিনমান আগতে মই গৈছিলো আমাৰ গোলাঘাটৰ পৰা কাৰ্বিআংলং, যোৱাবাৰ ইলেক্‌চনৰ কেম্পেনিং কৰিবলৈ। আমি হাৰিলো, বহু আশা সপোন লৈ ৰাইজে কোনো এটা ৰাজনৈতিক দলক ভোটদান দিলে। কিন্তু ৰাস্তাটো বেয়া, NH-39 যিটো বেয়া ৰাস্তা, কেইদিন মান আগতে যাওতে বেয়া। আকৌ দুদিনমান আগত যাওঁতে সেইটো ৰাস্তা একেই বেয়া। তেতিয়া মই ও চৰৰ ৰাইজক সুধিলো কেতিয়াৰ পৰা বেয়া এই ৰাস্তাটো, তেখেত সকলে কলে যে ২০১৪ চনৰ ওচৰা ওচৰিৰ পৰা বেয়া। এতিয়া ২০১৮ চন, মানে ৪ বছৰ ৬ মাহ পাৰ হ'বলৈ ধৰিছে। NH-39, NH- 36, আমি সকলোৱে জানো যে কাৰ্বিআংলঙলৈ যোৱা আৰু ডিমাহাচাওলৈ যোৱা দুটাই উপায় আছে, তাৰে এটা হৈছে ৰাস্তা আৰু আনটো হৈছে ৰেল। কাৰণ তাত হেলিপেড বা প্লেন আদি কৰি তেনেকুৱা অন্য ব্যৱস্থা নাই। যদিও ডিমাপুৰ ওচৰতে আছে কোনো অন্য ব্যৱস্থা নাই। এই দুয়োটাই ৰেল চলি আছে কিন্তু ৰাস্তাটো মূল। ১০-১৫ শতাংশ মানুহ যদিও ৰেলেৰে অহা যোৱা কৰে, বাকী ৮০ শতাংশ মানুহেই ৰাস্তাৰে অহাযোৱা কৰে। মূল ৰাষ্ট্ৰীয় ঘাইপথ হ'ল NH- 36. আগত NH- 39, এই দুয়োটাই বিধস্ত ৰূপ লৈছে। এইটো মই কোৱা কথা নহয়, কাৰ্বিআংলংৰ সন্মানীয় বিধায়ক সকলেও নিজে স্বীকাৰ কৰিব লাগিব। আমি এই ৰাস্তা দুটাৰ মূল হিচাপে আজি মাননীয় অধ্যক্ষ মহোদয়ে যদি, যিহেতু আজি তেখেতৰ initiative তে এইটো আলোচনা হৈছে, এই ৰাস্তাকেইটা মূল হিচাপে কাৰ্বিআংলঙৰ যিটো deprivedৰ কথা ওলাইছে, মই Don Bosco স্কুলত পঢ়া, গোলাঘাটত আমাৰ Don Bosco ৰ meet এটা আছিল, তেতিয়া Don Bosco স্কুলত পঢ়া কোনো এটা উগ্ৰপন্থী সংগঠনৰ মোৰ এজন বন্ধুক পাইছিলো। তেওঁ সেই সময়ত উগ্ৰপন্থী সংগঠনত যোগদান কৰিছিল আৰু গোলঘাটৰ Don Bosco ৰ meet ত লগ হওঁতে কৈছিলো কি কৰা তুমি, তেতিয়া তেওঁ কৈছিল যে মই অমুক সংগঠনত আছো। মই কৈছিলো কিয়? তেতিয়া তেওঁ কৈছিল যে আমি খুব deprived. যিটো deprivedৰ কথা সকলোৱে কৈ আছে মই আৰু বহলাই নকও। তেতিয়া এটা তেওঁ বৰমালী গান গাইছিল, বৰমালী গানটো আছিল Get up, Stand up, Stand up for your right,

don't give up the fight, o o. এনেকৈ সুৰ লগাই গানটো গাইছিল। খুব সুৰ লগাই গাইছিল। সুৰ লগাই ইমান ধুনীয়াকৈ বহুত দীঘলকৈ গানটো গাই দিলে। খুব aggressive, চকুপানীও টুকিছিল। যে কাৰ্বিআংলঙত যোৱাবাৰ আমি মন্ত্ৰী দিছিলো, মাননীয় খৰছিং ইংতি ডাঙৰীয়াক কেবিনেট মন্ত্ৰী।

মাননীয় বিদ্যা সিং ইংলে ডাঙৰীয়াক Parliamentary Secretary দুটা মান বিভাগৰ। মাননীয় সেই সময়ৰ Parliamentary Secretary ডঃ মানচিং ৰংপি ডাঙৰীয়াক কিন্তু এতিয়া কাৰ্বি আংলং লোকক এই চৰকাৰৰ দিনত অকল চুমৰংহাং ডাঙৰীয়াক মাননীয় মন্ত্ৰী হিচাপে ৰাজ্যিক মন্ত্ৰী দিছে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি কব পাৰিব মন্ত্ৰী আৰু দিব লাগে, কিন্তু কোনে দিছে এইবোৰ নক'ব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো আপোনাৰ যোগেদি চৰকাৰক মাননীয় মন্ত্ৰী চুমৰংহাং ডাঙৰীয়াক কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী দিব লাগে। PWD, Health & Education তেখেতক এই তিনিটা দপ্তৰ দিব লাগে, আমি আমাৰ ফালৰ পৰা অনুৰোধ জনাইছো। এই তিনিটা দপ্তৰ যদি দিয়া হয়, মাননীয় চুম ৰংহাং ডাঙৰীয়াক তেতিয়া হলে মোৰ দৃঢ় বিশ্বাস আজি এই সৰ্বসাধাৰণ সাফল্য হ'ব। আজি মাননীয় পূৰ্বৰ মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া, BPF দলৰ জেষ্ঠ বিধায়ক সন্মানীয় নাৰ্জাৰী ডাঙৰীয়া হওঁক বিৰোধী দলৰ দলপতি হওঁক তেওঁলোকে এটা আহবান জনাইছে। আমি যদি জনসংখ্যাটো চাওঁ তেতিয়া দেখা পাম, আমাৰ যি সকল সন্মানীয় বিধায়ক কাৰ্বিআংলং, ডিমাহাচাও জিলাৰ আছে, তেওঁলোকে নিশ্চয় স্বীকাৰ কৰিব যে Tribal & Non-Tribal ৰ মাজত এটা ক্ষোভৰ উদ্দীগৰণ হৈছে যে, ভোটৰ যিটো অধিকাৰ সেইটো আমি নাপাম নেকি? সকলোৰে আহবান জনাইছে, মই ২ মিনিটত শেষ কৰিম। আমি আহ্বান জনাব বিচাৰিছো যে যি সকল আদিবাসী, চাহ বাগিচাৰ লোক সকলে আমাক যোগাযোগ কৰি আছে, যে আমাৰ ভোটৰ অধিকাৰ নোহোৱা হব নেকি? এইখিনিতে আমি জনাও যে ১৯২৬ ত প্ৰথম নামবৰ চাহ বাগিচা বৃটিছে সেই সময়ত স্থাপন কৰিছিল। তাৰ পিছত গৈ গৈ ১৮খন চাহ বাগিচা পিছত আৰু বাগিচা বৃদ্ধি হ'ল আৰু আজি কাৰ্বি লোক সকল ইমানে ক্ষুদ্ৰ চাহ খেতিয়ক য'ত তেওঁলোকৰ লগতে নেপালী সম্প্ৰদায়ৰ মহিলা সকলে কাম কৰে আৰু আদিবাসী লোকসকলে কাম কৰে। অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত চাহ জনগোষ্ঠী আৰু আদিবাসী লোক সকলে বিশেষ ভূমিকা পালন কৰি আহিছে। এতিয়া সকলোৰে আহ্বান জনাইছে যে ভোটৰ অধিকাৰটো অন্ততঃ দিব লাগে। কিন্তু আমি অগ্ৰাধিকাৰ দিয়াৰ ক্ষেত্ৰত ১০০ শতাংশ কাৰ্বি আংলং আৰু ডিমাহাচাও জিলাৰ লোক সকলে পাব। কিন্তু আমাক একেবাৰে বঞ্চিত কৰিব নালাগে। আমি হাতজোৰ কৰি অনুৰোধ জনাইছো বিশেষকৈ কাৰ্বি আংলং ৰ যি সকল দল সংগঠন, কাৰ্বি Student Union, Civil Society সকলোকে আৰু মাননীয় বিধায়ক আৰু চৰকাৰকো এই কথাটো বিবেচনা কৰিব বুলি মই আহবান জনালো। মই সামৰিব বিচাৰিছো ১ মিনিটত। আমি দেখা পাইছো যে মই ২০০৬ চনৰ পৰা বিধায়ক হোৱাৰ সময়ৰ পৰাই ধনৰ লুণ্ঠনৰ পৰা আদি কৰি এইটো মিচিং স্বায়ত্ব শাসিত পৰিষদে হওঁক বা ঠেঙাল স্বায়ত্ব শাসিত পৰিষদে হওঁক বা কাৰ্বি স্বায়ত্ব শাসিত পৰিষদৰে হওঁক বা BTC য়ে হওঁক আমি শুনা পাইছো বা পেপাৰ বা টিভিত দেখা পাও যে ধনৰ লুণ্ঠন হৈছে। মই এই ক্ষেত্ৰত মোৰ বন্ধু EM ৰ লগত কথা পাতিছো যে সুৰুঙাটো ক'ত। এই ক্ষেত্ৰত সুৰুঙা বহুত আছে কাৰণ তাত মাত্ৰ প্ৰধান সচিব এজন থাকে আৰু অন্যান্য কিছুমান বিষয়া থাকে। আমাৰ ৰাজ্য বিলাকৰ ক্ষেত্ৰত যেনেকৈ Check কৰা হয়, যেনে আমাৰ MLA Fund তাত আমাৰ

একো কৰ্তৃত্ব নাই, এই ক্ষেত্ৰত আমি তালিকা দিব লাগে উপাযুক্ত মহোদয়ক আৰু উপাযুক্ত মহোদয়ে এইটো Plannig Branch ৰ জৰিয়তে ৰূপায়ন কৰে আৰু এই ক্ষেত্ৰত চৰকাৰী অভিযন্তা থাকে।

**মাননীয় অধ্যক্ষ** ঃ Please conclude.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সামৰিছো চাৰ, এই স্বায়ত্ব শাসিত পৰিষদ সমূহৰ যিটো ধনৰ পুঁজি যাৰ সদ্ ব্যৱহাৰ নোহোৱাৰবাবে উন্নয়ন হোৱা নাই। গতিকে এই উন্নয়ন সঠিক বাৱে হোৱাৰ বাবে স্বায়ত্ব শাসিত পৰিষদ সমূহক ভাল System এটা, Mechanism এটা তৈয়াৰ কৰি ভৱিষ্যতে যাতে আমাৰ কোনো দুৰ্নীতি নহয়, টকাৰ সৎব্যৱহাৰ হয়, লগতে যিবোৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি অহা বুলি আমি জানো আৰু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰেও সাহায্য দিয়ে গতিকে এইবোৰ যাতে ভালকৈ ৰূপায়ণ হয় তাৰ কাৰণে এটা ভাল Mechanism ৰ প্ৰয়োজন আৰু এইটো চৰকাৰখনে বিবেচনা কৰিব বুলি মই আশা কৰিলো আৰু ষষ্ঠ অনুসূচী ঘোষিত হোৱাৰ দিনৰে পৰাই যি সকলে বসবাস কৰি আছিল তেওঁলোকক যাতে আপোলালোকে নিজৰ বুলি লয়, এইটো অনুৰোধ কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী ৰমাকান্ত দেউৰী, তাৰ পিছত শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা। যিমান পাৰে ১০ মিনিটিৰ ভিতৰত ক'ব আৰু কেইজনমানে ক'ব আছে।

**শ্ৰী ৰমাকান্ত দেউৰী (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ অসমৰ পৰিস্থিতিৰ লগত আজি কাৰ্বি আংলং আৰু উত্তৰ কাচাৰ জিলাৰ আজি আলোচনাই সদনত স্থান পোৱাৰ বাবে মাননীয় অধ্যক্ষ ডাঙৰীয়াক মই ধন্যবাদ জনাইছো আৰু এই ক্ষেত্ৰত বহুজন সন্মানীয় সদস্যই কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ ওপৰত বক্তব্য ৰাখিছে। মই থূল মূলকৈ কাৰ্বি আংলং ৰ ২৯ জনগোষ্ঠী বসবাস কৰা আৰু সাম্প্ৰতিক অসমৰ পৰিস্থিতিৰ ওপৰত দুআষাৰ ক'ব বিচাৰিছো। বিভিন্ন সদস্যই বক্তব্য ৰাখিছে কিন্তু মই এটা কথা কবলৈ বিচাৰিছো যে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আজি ৭২বছৰ পাৰ হৈ গল। কিন্তু এই ৭২ বছত অতিক্ৰম কৰাৰ পিছতো অসমৰ জনগোষ্ঠী সমূহক চৰকাৰে বিভিন্ন পদ্ধিতিৰে অনুদান প্ৰদানৰ ব্যৱস্থা কৰিছে। কিন্তু আজিলৈকে এই জনগোষ্ঠী সমূহৰ উন্নতি যি ধৰণে হব লাগিছিল, তেনেকৈ হোৱা নাই আৰু বিভিন্ন সময়ত বিভিন্ন চৰকাৰ আহিছে আৰু গৈছে আৰু এই পবিত্ৰ সদনত বিভিন্ন প্ৰতিনিধিয়ে অসমৰ জনগোষ্ঠী সমূহৰ সমস্যাৰ বিষয়ে বিভিন্ন ধৰণৰ বক্তব্য ৰাখিছে। কিন্তু আজি কাৰ্বি আংলঙৰ বিষয়টো ইয়াত স্থান পোৱাৰ বাবে এইটো এটা প্ৰধান সময় আৰু এই সময়ত এই বিষয়টো এই কাৰণে স্থান পাইছে যে অসমৰ জলন্ত সমস্যাৰ ভিতৰত কাৰ্বি আংলঙটো এটা জলন্ত সমস্যা সৃষ্টি হৈছে আৰু লগতে অসমত বসবাস কৰা ভূমি পুত্ৰ সকলৰ এটা জলন্ত সমস্যাৰ সৃষ্টি হৈছে। আজি কাৰ্বি আংলঙে কিয় অসন্তুষ্টি প্ৰকাশ কৰিছে। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত আজি উত্তৰ পূৰ্বাঞ্চলৰ ৭খন ৰাজ্য কিয় ভাগ ভাগ হ'ল, আজি ৭ভণী হবলৈ কিয় পালে, ইয়াৰ নিশ্চয় কিবা গুৰুত্বপূৰ্ণ কাৰণ আছে। এই জনগোষ্ঠী সমূহক ভাৰতৰ সংবিধানে যেনে ধৰণে অধিকাৰ দিছিল কিন্তু ৰাজনৈতিক চক্ৰান্তত এই জনগোষ্ঠী সমূহৰ আজি উন্নতি হোৱা দেখা নগল। তাৰ কাৰণে আজি মেঘালয় আতৰি গ'ল, অৰুণাচল আতৰি গ'ল, ত্ৰিপুৰা আতৰি গ'ল। কাৰণ এই কাৰণে আতৰিব বাধ্য হল কাৰণ আজি কাৰ্বি আংলং ত ২৯ টা জনগোষ্ঠীয়ে বসবাস কৰি আছে আৰু তিৱা সকলো তাত বসবাস কৰিছে, বড়ো সম্প্ৰদায় সকলো বসবাস কৰিছে, আৰু কাৰ্বি সকলো বসবাস কৰি আছে। এই জনজাতি সমূহৰ যেনে ধৰণৰ উন্নতি হব লাগিছিল তেনেধৰণৰ উন্নয়ণ হোৱা দেখা নগল। ১৯৫১ চনত তেখেত সকলক ষষ্ঠ অনুসূচী দিয়া হল, কিন্তু আজিলৈকে

কি উন্নতি হোৱা দেখা গ'ল। এই কথাটো প্ৰত্যকজন প্ৰতিনিধিয়ে হৃদয়ংগম কৰিছে আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াইও আজি এই কথাটো ব্যক্ত কৰিছে, যে হয় যেনে ধৰণৰ উন্নতি হব লাগিছিল কাৰ্বি আংলং ত কিন্তু তেনেধৰণৰ উন্নতি দেখা নাযায়। আজি প্ৰত্যকজন ৰাজনৈতিক ব্যক্তিয়ে এই জনগোষ্ঠী সমূহৰ দুখ কষ্ট অনুভৱ নকৰিলে। আজি অনুভৱ কৰা হেতেন কাৰ্বি আংলং এনেধৰণে পিছপৰি নাথাকিলে হেতেন। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ এক বছৰ আগতে নিৰ্বাচন হৈছিল, মই গাওঁে ভূঞে নগৰে ঘুৰি ফুৰিছো, ৰাস্তা নাই, খোৱা পানীৰ ব্যৱস্থা নাই, চিকিৎসাৰ সু-ব্যৱস্থা নাই, মই এজন তিৱা জনগোষ্ঠীৰ ব্যক্তি আৰু সেই তিৱা গাওঁ সমূহত মই ঘুৰি ফুৰি দেখিছো এনেকুৱা এটা অৱস্থাত তেওঁলোকে বসবাস কৰিছে, আপোনালোকৰ দেখিলে বেয়া লাগি যাব।

অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনত আমি প্ৰত্যেকজন ৰাজনৈতিক ব্যক্তি নেতাই হৃদয়ঙ্গম কৰিব পৰা নাই। আজি কথাখিনি ক'বলৈ সুবিধা পাইছো- তেখেতসকলৰ দুখ দুৰ্গতিৰ কথা আমি ভালদৰে অনুভৱ কৰিব পৰা নাই। সেইকাৰণেই আজি পাহাৰীয়া লোকসকলে সংগ্ৰাম কৰিবলগীয়া হৈছে। কিয় সংগ্ৰাম কৰিবলৈ বাধ্য হৈছে। প্ৰকৃততে তেওঁলোকে ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে। ৰাষ্টা নাই, খোৱাপানীৰ ব্যৱস্থা নাই তেওঁলোকৰ বহুত অভাৱ আছে। অতি আচৰিত আৰু দুখৰ কথা যে কাৰ্বি ছাত্ৰ-ছাত্ৰী সকলে ভৈয়ামত আহি, ভৈয়ামত থাকি, পঢ়া-শুনা কৰি আছে, ভৈয়ামত আহি চাকৰি কৰি আছে। কাৰ্বিআংলংত এইটো সম্ভৱ নহয়। গতিকে মই মাননীয় অধ্যক্ষ মহোদয় আপোনাক অনুৰোধ জনাম যে কাৰ্বিংআংলংৰ সমস্যাৰ কথাটো আপুনি হৃদয়ঙ্গম কৰক। তাত বহুত সমস্যা আছে। কাৰ্বি আংলঙৰ আৰ্থ-সামাজিক সমস্যা আৰু জাতীয় সত্বাৰ যি অধিকাৰ সেইটো যাতে খৰ্ব্ব নকৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। কাৰ্বিআংলংত বসবাস কৰা সকলো জনগোষ্ঠীকে সম-অধিকাৰ, সম-বিকাশৰ কাৰণে ৰাজনৈতিক ভাৱে তেখেতসকলক অগ্ৰাধিকাৰ দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়া এটা কথা প্ৰত্যেকেই উপলব্ধি কৰিছো -যি জাতি ৰাজনৈতিকভাবে পিচপৰা সেই জাতি অৰ্থনৈতিক ভাবে পিচপৰা, সামাজিক ভাবে পিচপৰা, সাংস্কৃতিক ভাবে পিচপৰা, সকলো দিশতে পিছপৰা। আজি ভাৰতবৰ্ষৰ স্বাধীনতাই ৭২ বছৰ অতিক্ৰম কৰিলে কিন্তু এই জনজাতি সমূহৰ পিছ পৰি থাকিল। আজিও বেকলগ সমূহ ফিলআপ কৰাৰ বাবে ইচ্ছা প্ৰকাশ নকৰিলে। কোনো চৰকাৰে আপগ্ৰেডৰ কাৰণে নকয়। বেকলগ মানে কি ? তাৰ মানে হৈছে ইয়াক পিচুৱাই বেক কৰি কৰি নি নি এটা টুকুৰা বনাইছে, লগ কৰি থৈছে। এটা এটাকৈ গোটাওতে এসোপা হৈ পৰিছে। এটা সাগৰ সদৃশ আৰু পাহাৰ সদৃশ হৈ পৰিছে। এই জনগোষ্ঠী বিলাকৰ দুখ বেদনাবোৰ উপলব্ধি কৰিব লাগে। তেখেত সকলৰ মাজত সংগ্ৰামী ভাবতো জাগি উঠিছে, কিয় জাগি উঠিছে? যেতিয়া ন্যায্য প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হয় তেতিয়া প্ৰত্যেকেই সংগ্ৰাম কৰিবলৈ বাধ্য হয়। গতিকে আমি এই কথা বিলাক হৃদয়ঙ্গম কৰা উচিত। যেতিয়া ভূমিপুত্ৰসকলৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক উন্নতি নহ'ব তেতিয়া কোনো জাতিৰ উন্নতি নহয়। মই সকলোৰে উন্নতি হোৱা নাই বুলি কোৱা নাই, কিন্তু যি কেইটাই পিচ পৰি আছে তেওঁলোকৰ কথা চিন্তা কৰিব লাগে। গতিকে সময় থাকোতে এই জনজাতিসমূহৰ উন্নয়নৰ বাবে আমি কাম কৰিব লাগিব। আমি মুখেৰে কৈ থাকিলে নহ'ব, আমি তেওঁলোকৰ বাবে কাম কৰিব লাগিব। অধ্যক্ষ মহোদয়, এই ভূমিপুত্ৰ সকলে বাঘ-ভালুকৰ লগত যুদ্ধ কৰি জংঘল চাফা কৰি পাহাৰে জংঘলে যুগ যুগ ধৰি বাস কৰা এই জনজাতীয় লোকসকল আজি ভূমিহীন হৈ পৰিছে। গতিকে অধ্যক্ষ মহোদয় মই এটা অনুৰোধ কৰিব বিচাৰিছো যে যি ধৰণে অৰুণাচল, মেঘালয়ত

তেখেতসকলৰ ভূমি নীতি আছে তেনেধৰণৰ ভূমিনীতি অসমতো গ্ৰহণ কৰিব লাগে যাতে খিলঞ্জীয়া জনগোষ্ঠীৰ মাটি অন্যান্য জনগোষ্ঠীৰ মানুহে নিব নোৱাৰে। তাৰ বাবে এখন আইনৰ ব্যৱস্থা কৰিব লাগে। ভূমিনীতি নহ'লে অসমৰ এই ভূমিপুত্ৰসকল এদিন অসমতে ভূমিহীন হৈ পৰিব - বিদেশীত পৰিণত হ'ব। অধ্যক্ষ মহোদয় মই আৰু এটা কথা ক'ব বিচাৰিছো - খিলঞ্জীয়াৰ সংজ্ঞাৰ কথাটো। খিলঞ্জীয়াৰ সংজ্ঞা বহুদিন আগেতে হ'ব লাগিছিল। অসমত এই জনজাতীয় লোকসকলৰ বাহিৰে কোনো খিলঞ্জীয়া হ'ব নোৱাৰে। অধ্যক্ষ মহোদয়, সামগ্ৰীকভাবে কাৰ্বিআংলং, উত্তৰ কাছাৰ বহু পিছপৰি আছে গতিকে আমি তেওঁলোকৰ উন্নতিৰ বাবে কাম কৰিব লাগিব। মাননীয় মুখ্যমন্ত্ৰীৰ লগত আপুনি বিষয়টি ভালদৰে আলোচনা কৰি ভূমিনীতি আইনখন সোনকালে প্ৰনয়ণ কৰক। যাতে ভূমিপুত্ৰ সকল বিদেশীত পৰিণত নহয়। অধ্যক্ষ মহোদয় কাৰ্বিআংলং আৰু উত্তৰ কাছৰ সংক্ৰান্তত দুষাৰ কোৱাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ বিশেষ পদক্ষেপত কাৰ্বিআংলং আৰু ডিমাহাচাও জিলা দুখনৰ আৰ্থ-সামাজিক উন্নয়নৰ বিষয়টি আলোচনা কৰাৰ সুবিধা প্ৰদান কৰি দুয়োখন জিলাৰ আৰ্থ-সামাজিক উন্নয়ৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হ'ব আৰু জিলা দুখনৰ সমস্যাসমূহ সমাধানৰ বাবে এটা সঠিক পথৰ সন্ধান কৰাৰ যি প্ৰয়াস কৰিছে তাৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। ২০১১ চনৰ জনগণনা মতে পোৱা তথ্য অনুসৰি কাৰ্বিআংলংৰ মুঠ জনসংখ্যা হৈছে ৯,৫৬,৩১৩ জন আৰু তেনেকৈ কাৰ্বিআংলংৰ মাটিকালি হ'ল ১০,৪৩৪ বৰ্গ কিলোমিটাৰ। ঠিক সেইদৰে ডিমাহাচাওৰ মুঠ জনসংখ্যা হৈছে ২,১৪,০০ জন আৰু মাটিকালি হ'ল ৪,৮৯০ বৰ্গ কিলোমিটাৰ। অধ্যক্ষ মহোদয়, দুয়োখন পাৰ্বত্য জিলাত ২৪৪ (এ) বা স্বায়ত্ব ৰাজ্য এখন বিচৰাৰ মূল কাৰণ কি ? এই কথাখিনি আমি পৰ্য্যালোচনা কৰিব লাগিব। নিশ্চয় ইয়াৰ অন্তৰায়ত কিবা কাৰণ আছে। সেই কাৰণসমূহ মাননীয় বিধায়কসকলে সদনত উপস্থাপন কৰিছে। দুয়োখন জিলা স্বায়ত্বশাসিত পৰিষদ হোৱাৰ পিচত তেওঁলোকৰ যি ৰাজনৈতিক অধিকাৰ এই ৰাজনৈতিক অধিকাৰখিনি স্বায়ত্ব পৰিষদক দিয়া হৈছে আৰু তেওঁলোকে তেওঁলোকৰ জিলা দুখত উন্নয়নমূলক কাম কৰিব পাৰে তাৰ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। বিশেষভাৱে দুয়োখন জিলা স্বায়ত্ব শাসিত পৰিষদ হোৱাৰ পিছত তেওঁলোকৰ যিটো ৰাজনৈতিক অধিকাৰ সেই অধিকাৰ খিনি দিয়া হৈছে। তেওঁলোকে যাতে তেওঁলোকৰ জিলা দুখনত উন্নয়নমূলক কাম কৰিব পাৰে তাৰ বাবে তেনেধৰণৰ ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আজি স্বায়ত্ব শাসিত পৰিষদ, এইটো সাংবিধানিকভাৱে তেওঁলোকে পাইছে। সাংবিধানিকভাৱে পোৱাৰ পিছত ইতিমধ্যে তেওঁলোকে ক্ষোভৰ কথা কৈছে যে তেওঁলোকক ৩০ টা বিভাগ হস্তান্তৰ কৰিব লাগে আৰু তাৰ কাৰণে চৰকাৰৰ লগত এম,অ',ইউ ত (মেম'ৰেণ্ডাম অব আণ্ডাৰষ্টেণ্ডিং) তেওঁলোকে চহী কৰিছে। এই ৩০ টা বিভাগৰ ২৬ টা বিভাগহে হস্তান্তৰ কৰা হৈছে । যি ৩০ টা বিভাগৰ কাৰণে চুক্তি স্বাক্ষৰিত হৈছিল তাৰে ২৬ টা বিভাগ দি ৪টা বিভাগ নিদিয়াৰ কাৰণ কি ? তাৰ কাৰণে হয়তো ক্ষোভৰ সৃষ্টি হৈছে। ৪টা বিভাগ হ'ল- এক্সাইজ, ট্ৰেঞ্চপোৰ্ট, চেলটেক্স আৰু প্ৰিন্টিং এণ্ড ষ্টেচনাৰি। মই ভাৱো যি ধৰণে এম,অ',ইউত চহী কৰা হৈছিল, সেই প্ৰকাৰে তেওঁলোকক আৰু যি ৪ টা বিভাগ দিয়াৰ চুক্তি স্বাক্ষৰিত হৈছিল সেইবিভাগ কেইটা হস্তান্তৰ কৰাৰ কাৰণে বৰ্তমান চৰকাৰখনে নিশ্চয় চিন্তা-চৰ্চা কৰিব। এই বিভাগ চাৰিটা যদি কিবা কাৰণত হস্তান্তৰৰ অসুবিধা আছে, তেনেহ'লে চৰকাৰখনে আমাৰ দুয়োখন জিলাৰ স্বায়ত্ব

শাসিত পৰিষদ আৰু মাননীয় বিধায়ক সকলৰ লগত আলোচনা কৰি তাৰ এটা নিৰাময়ৰ ব্যৱস্থা কৰক। যদি আমি এনে ধৰণে চুক্তি কৰাৰ পিছত আংশিকভাৱে সেই কামবিলাক পূৰণ কৰো, তেতিয়াহ'লে নিশ্চয় সেই দুই পাৰ্বত্য জিলাৰ জনসাধাৰণৰ মনত ক্ষোভৰ সৃষ্টি হোৱাটো স্বাভাৱিক। মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাৰ Central Hall ত Stake Holder ৰ মিটিং এখন অনুস্থিত কৰিছিল যত বিভিন্ন প্ৰতিনিধিৰ বহুমূলীয়া বক্তব্য মই শুনিছিলো। আমাৰ স্বায়ত্ব পৰিষদৰ উন্নয়ণমূলক কামৰ যিখিনি কথা আছে, সেই খিনি কথা উন্নয়ণৰ শিপাডালৰ অন্তিম স্থানৰ বিন্দুলৈকে প্ৰসাৰতা লাভ কৰিছেনে নাই? আমি এটা কথা চাব লাগিব যে উন্নয়ণৰ শিপাডালৰ অন্তিম বিন্দুটো যদি শূন্য হৈ থাকে তেতিয়াহলে সেই অঞ্চলৰ মানুহৰ মাজত নিশ্চয় ক্ষোভৰ উদ্‌গীৰণ হব। স্বায়ত্ব শাসিত পৰিষদৰ কেইবাটাওঁ সমষ্টি আছে। এই সমষ্টিৰ ৰাইজে বিচাৰিছে যে যদি কিবা নিয়ম সংশোধন কৰিব লাগে প্ৰয়োজন হ'লে সংশোধনী কৰি হ'লেও আমি Area Development Council গঠন কৰিব নোৱাৰো নেকি? একেবাৰে তৃণমূল পৰ্যায়লৈকে উন্নয়ণৰ কাম কৰিব পাৰো যিহেতু দুখন পাৰ্বত্য জিলাৰ জনসাধাৰণে অনুভৱ কৰিছে, উপলব্ধি কৰিছে Area Development Council নতুবা Traditional Development Council গঠন কৰি যদি একেবাৰে তৃণমূল পৰ্যায়লৈকে উন্নয়ণৰ কাম কৰি সেই অঞ্চল বিলাকৰ উন্নয়ণ আৰু বিকাশ সমভাবে কৰিব পৰা যায়, তেতিয়াহ'লে সেই অঞ্চলৰ আৰু সেই দুই পাৰ্বত্য জিলাৰ জনসাধাৰণৰ মাজত ক্ষোভৰ সৃষ্টি নহ'ব আৰু তেতিয়া সম বিকাশ আৰু সম উন্নয়ন সেই পাৰ্বত্য জিলা দুখনত হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। গতিকে মই ভাৱো এনেধৰণৰ কাউঞ্চিল গঠন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ ডাঃ ৰণোজ পেগু ডাঙৰীয়াই ইতিমধ্যে কৈছে যে দুটা কথা পাৰ্বত্য জিলা দুখনৰ ওপৰত নিৰ্ভৰ কৰে। কাৰণ আমাৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ যিটো ভৌগলিক অৱস্থান, সেই ভৌগলিক অৱস্থানটোতকৈ দুই পাৰ্বত্য জিলাৰ ভৌগলিক অৱস্থানটো সুকীয়া আৰু তাৰ চৰিত্ৰও সুকীয়া। গতিকে আমি উন্নয়ণৰ সমান্তৰালভাৱে সেই অঞ্চলৰ জনসাধাৰণৰ জীৱনশৈলি উন্নত কৰাৰ কাৰণে আমি কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। প্ৰকৃতাৰ্থত জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ কাৰণে আমি কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছো সেই ব্যৱস্থাৰ ওপৰত নিশ্চয় ইয়াৰ সুফল নিৰ্ভৰ কৰিব। মই নিজেও গৈ দেখিছো যে তাত যথেষ্টখিনি স্কোপ আছে। তাত যদি হ'ৰটিকালচাৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা যায়, তেতিয়াহ'লে হ'ৰটিকালচাৰৰ জৰিয়তে সেই দুই পাৰ্বত্য জিলাৰ জনসাধাৰণৰ জীৱনধাৰণৰ মান উন্নত কৰাৰ যথেষ্ট স্কোপ আছে। আমি চাৰ অলপতে ভিয়েটনামলৈ গৈছিলো। আপুনি জানে যে ভিয়েটনামখন ধ্বংস হৈছিল। এতিয়া কৃষিৰ জৰিয়তে ভিয়েটনাম ঠন ধৰি উঠিছে। আজি তাৰ অৰ্থনৈতিক অৱস্থাটো যথেষ্ট উন্নত হৈছে। আজি তাতে ভাৰতবৰ্ষৰ বিভিন্ন 'চিদ' ৰ লগতে জাপানৰ 'চিদ' ও তেওঁলোকে ব্যৱহাৰ কৰিবলৈ লৈছে। আমাৰ ভাৰতবৰ্ষৰ বিভিন্ন চিদৰ পৰা শস্য উৎপাদন কৰি তেওঁলোকে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰলৈ চাউল ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। মই আৰু দেখিছো এতিয়া তেওঁলোকে এগ্ৰিকালচাৰৰ উপৰিও হ'ৰটিকালচাৰত বেছি গুৰুত্ব দিয়া দেখা গৈছে। হ'ৰটিকালচাৰত বিশেষকৈ হালধি আৰু আদা প্ৰচুৰ পৰিমাণে এই দুই পাৰ্বত্য জিলাত উৎপাদন হোৱা দেখিছো। তাত ইণ্ডাষ্ট্ৰি-ইউনিটৰ জৰিয়তে হালধিৰ পৰা পাউডাৰ, ক্ৰীম আদি প্ৰডাক্‌শ্যন কৰিছে আৰু গোটেই বিশ্বৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। Hills Industry Development Corporation ৰ অধীনত যিটো Juice Industry আছিলে, তাৰ যিটো ডিমাণ্ড আছিল সেই ইণ্ডাষ্ট্ৰিটো আজি কি অৱস্থাত আছে? আমি যদি তেনে ধৰণে কিছুমান Food Processing Industry Unit কৰাৰ ব্যৱস্থা কৰো, তেতিয়াহ'লে অৰ্থনৈতিক অৱস্থাটোৰ যথেষ্ট

উন্নত হ'ব। আমি তেনেকুৱা ধৰণৰ কিছুমান ব্যৱস্থা লব লাগিব। আমাৰ দুখন চৰকাৰী কলেজ আছে ডিফু আৰু হাফলং কলেজ। কিন্তু তাত যিখিনি সুবিধা পাব লাগে, সেই সুবিধাখিনি পোৱা নাই বুলি সেই দুখন কলেজৰ পৰা সেইদিনাৰ আলোচনাত জানিবলৈ দিছে। এখন Assam Engineering Institute আছে, কিন্তু full collegiate Institute নাই। গতিকে আমি জিলা দুখনৰ জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজন হলে মাহুৰত, প্ৰয়োজন হ'লে হামৰেণত দুখন চৰকাৰী কলেজ আমি কিয় দিব নোৱাৰো ! বিভিন্ন Institute আমি কিয় কৰিব নোৱাৰো ! আমি তেওঁলোকৰ দুখৰ সমভাগী হব লাগিব। আজি দুখন পাৰ্বত্য জিলাৰ পৰা যিসকল প্ৰতিনিধি আহিছে, অকল তেওঁলোকৰে যে দায়িত্ব আছে, সেইটো নহয়। আমাৰো দায়িত্ব আছে। আমাৰ বৰাক-ব্ৰহ্মপুত্ৰৰ যিমানখিনি বিধায়ক আছে, আমিও সেই পাৰ্বত্য জিলা দুখনৰ দুখৰ সমভাগী হব লাগিব। যদি আমি তেওঁলোকৰ কাৰণে কাম নকৰো, চিন্তা নকৰো, উপলব্ধি নকৰো, অনুভৱ নকৰো, তেতিয়াহ'লে নিশ্চয় তেওঁলোকে 244 (A) বিচৰাটো নিশ্চয় স্বাভাৱিক কথা। শেষত মই আৰু এটা কথা ক'ব বিচাৰিছো, তেওঁলোকৰ যিটো বাজেট সেই বাজেটটো একেবাৰে কম বুলি কৈছে। গতিকে বাজেটৰ ক্ষেত্ৰত দুয়োখন স্বায়ত্ব শাসিত পৰিষদৰ লগত আলোচনা কৰি প্ৰয়োজন সাপেক্ষে বাজেট বৃদ্ধি কৰি হলেও তেওঁলোকৰ যিটো আশা-আকাংক্ষা , সেইটো যাতে বাস্তৱত পুৰণ কৰিব পৰা যায়, তাৰবাবে বিশেষভাৱে মই ৰাজ্য চৰকাৰক অনুৰোধ জনাইছো। .মই আশা ৰাখিছো যে আপোনালোক সকলোৰে লগ হৈ আৰু আপোনাৰ ইনিচিয়েটিভত যাতে আমি সেই দুখন পাৰ্ব্যত্য জিলাৰ যিখিনি সমস্যা আছে আৰু বিভিন্ন ধৰণৰ বহু কথা আছিলে আজি ক'ব নোৱাৰো। তেওঁলোকৰ যিটো বাজেট সেই বাজেটো একেবাৰে কম বুলি কৈছে আৰু বাজেট যদি প্ৰয়োজন সাপেক্ষে আলোচনা কৰি দুয়োখন স্বায়ত্ব শাসিত পৰিষদৰ লগত বাজেট বৃদ্ধি কৰি হ'লেও তেওঁলোকৰ যিটো আশা আকাংক্ষা যাতে বাস্তৱত পুৰণ কৰিব পৰা যায় বিশেষভাৱে মই ৰাজ্য চৰকাৰক অনুৰোধ জনাইছো। এটা আনন্দৰ কথা যে যোৱাকালি কেন্দ্ৰীয় চৰকাৰে দুই স্বায়ত্ব শাসিত পৰিষদৰ প্ৰতিনিধিৰ লগত আলোচনা কৰিছে এইটো আমাৰ কাৰণে এটা সন্তোষজনক কথা। তিনিমাহৰ মূৰে মূৰে বহাৰ কথাও গম পাইছো। যদি সেইটো হয় আৰু কেন্দ্ৰীয় চৰকাৰে যদি সহায় সহযোগিতা আগবঢ়ায় নিশ্চয় আমাৰ সেই দুইখন পাৰ্ব্যত্য জিলাই তেওঁলোকৰ উন্নয়ণ মূলক কাম কৰাৰ যিখিনি অসুবিধা আছে, সেই অসুবিধাখিনি নিশ্চয় পুৰণ কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি আমা্ক যিটো পাৰ্ব্যত্য অঞ্চলৰ উন্নয়ণ বিষয়ে সদনত আলোচনা কৰিবলৈ আমাক সুবিধা দিছে যে তাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। আমাৰ অসমত আগতে এনেকুৱা বহুতো পাৰ্ব্যত্য অঞ্চল আছিলে। লুচাই হিলচ্ আছিলে, মিজোৰাম হ'ল। খাচীয়া জয়ন্তীয়া হিলচ্ আছিলে মেঘালয় হ'ল, নাগা হিলচ্ আছিলে নাগালেণ্ড হ'ল, নেফা গৈ অৰুণাচল হ'ল। আজি আপুনি যিটো ষ্টেপ লৈছে আজিৰ পৰা ৪০-৫০ বছৰ আগতে যদি শাসনত থকা দল (মই কাকো আক্ৰমণ কৰা নাই) নেতৃত্বই যদি এনেকুৱা আলোচনা কৰিলে হয় তেনেহ'লে হয়তো মিজোৰামত লাল দেংগা নগ'লে হয়। ফিজোক যদি অকনমান গুৰুত্ব দিয়া হ'লহেতেন তেতিয়াহ'লে নাগা হিলচ্ হয়তো আমাৰ এখন জিলা হৈ থাকিলে হেতেঁন। নাগালেণ্ড নহ'ল হয়, খাচী- জয়ন্তীয়াৰ কেপ্তেইন উইলিয়ামচন আমপাং চাংমাক যদি অলপ গুৰুত্ব দিয়া হ'ল হয় তেনেহ'লে হয়তো মেঘালয় নহ'ল হয়। গতিকে এই কথা বিলাক খুব গুৰুত্ব সহকাৰে, দায়িত্ব সহকাৰে ৰাজনীতিৰ উদ্ধত গৈ ভাবিব লাগে। সিদিনাখন চেণ্ট্ৰেল হ'লত যিখিনি বিষয় আমাৰ

কাৰ্বিআংলং, ৱেষ্ট কাৰ্বিআংলং আৰু ডিমা হাচাও এই তিনিখন জিলাৰ ইলেকটেড যিসকল প্ৰতিনিধি আছে আৰু চচিয়েল সংগঠনৰ যিসকল নেতৃত্বত আছে তেওঁলোকে যি কথা কৈছিলে তাৰে মই নোট ডাউন কৰি ৫-৬ টাৰ ভিতৰত দেখিলো, তেওঁলোকে সকলোতকৈ বেছি গুৰুত্ব দিছিলে ৪-৫ টা পইণ্টৰ ভিতৰত। তাত প্ৰথম জিঅ'গ্ৰাফিকেল এৰিয়া যিটো অলপ আগতে কেইবাজনো বক্তাই কৈ গৈছে আৰু চিক্স চিডুল। তাৰমানে আৰটিক'ল ২৪৪(২) চিক্স চিডুল। তাৰপিছত আৰটিকল ২৪৪(এ), তাৰ পিছত আৰটিকল ২৮০, তাৰ পিছত ইনচাৰজেঞ্চী প্ৰব্লেমে কি কি প্ৰব্লেম ক্ৰিয়েট কৰি থৈ গ'ল, যদিও বৰ্তমান ইনচাৰজেঞ্চী নাই। তাৰ পিছত ইনাৰ লাইন পাৰমিট। এই ৫-৬ টাৰ ভিতৰত মই বাকী বস্তু বিলাক নকওঁ। এইকাৰণেই নকওঁ যে সময়ে এলাও নকৰিব। আৰটিকল ২৪৪ (এ) আৰু ইনাৰ লাইন পাৰমিট এই দুটা বস্তু মই দুই তিনি মিনিটত কৈ শেষ কৰিম। বাকীখিনি নকওঁ। মই ডাটা, ডকুমেণ্টচ্ আনিছিলো কিন্তু সময়ে এলাও নকৰিব।

**Hon'ble Speaker :** You can give me a written also. I will include it.

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** আৰটিকুল ২৪৪(এ) আমাৰ কাৰ্বিআংলং, ওৱেষ্ট কাৰ্বিআংলং আৰু ডিমা হাচাও সেই তিনিখন জিলাৰ পৰা যিসকল বিধায়ক আহিছে, তেওঁলোকৰ প্ৰতি সন্মান জনাই মই ক'ব বিচাৰিছো যে আৰটিকুল ২৪৪(এ) ৰ ক্ষেত্ৰত অসমৰ অভিজ্ঞতা ভাল। ভাৰতবৰ্ষৰ সংবিধানে ২৪৪ ত কি কৈছে, মই চাৰ অপ'জ কৰা নাই but I am not supporting it. 244(A) "Formation of an Autonomous State comprising certain tribal areas in Assam and creation of local Legislature or Council of Ministers or both therefore". ইয়াত চাৰ মই ডিটেইলচ্ত নাযাওঁ। দুটা চাব ক্লজ পঢ়ি দিছো। আৰটিকুল ২৪৪(এ) ত ক্লজ ওৱান চাব ক্লজ (a) a body, whether elected or partly nominated and partly elected, to function as a Legislature for the autonomous State, or (b) a Council of Ministers, or both with such constitution, powers and functions, in each case, as may be specified in the law. মই সংবিধানখনো লৈ আহিছো। ভাৰতবৰ্ষৰ সংবিধানে এতিয়ালৈকে মাত্ৰ এবাৰে আৰটিকুল ২৪৪(এ) ইম্পলিমেণ্ট কৰিছিল মেঘালয়ৰ ক্ষেত্ৰত। ইয়াৰ মেইন মিনিং টো হ'ল ষ্টেট উইদিন দা ষ্টেট। ৰাজ্যৰ ভিতৰত ৰাজ্য। তাৰমানে এখন ৰাজ্যত দুখন কাউঞ্চিল অব মিনিষ্টাৰচ্। মেঘালয়ত 22nd ammendment 25 December, 1969 Indian constitution. ১৯৭০ চনৰ ২৫ ডিচেম্বৰত এই এমেণ্ডমেণ্ট অনা হৈছিল। এই এমেণ্ডমেণ্ট অনাৰ পিছত ১৯৭০ চনত ইম্পলিমেণ্ট কৰা হ'ল। আৰটিকুল ২৪৪(এ) ৰ অধীনত খাচী আৰু জয়ন্তীয়া হিলচ্ক মেঘালয় বনাই দিয়া হ'ল। এতিয়া আমাৰ কাৰ্বিআংলং আৰু নৰ্থ কাছাৰ তেতিয়া নৰ্থ কাছাৰ এতিয়া ডিমা হাচাও, তেওঁলোকক অপশ্যন দিয়া হ'ল যে আপোনালোকে মেঘালয়ত যাব পাৰিব। কিন্তু আমি চাৰ ধন্যবাদ দিব লাগিব তেতিয়া তেওঁলোক মেঘালয়ত নগ'ল। তেওঁলোকে অসমৰ লগত থাকিল। কিন্তু ২৪৪(এ) ৰ সুবিধা লৈ কেপ্টেইন উইলিয়ামচন আমপাং চাংমা ওৱান অফ ডা চিনিয়ৰ মষ্ট কংগ্ৰেছ লিডাৰ তেতিয়া, মই পলিটিকেলী কোৱা নাই। তথাপিও যিহেতুকে আছিল। তাৰ পিছত মাত্ৰ এক বছৰো নগ'ল আৰটিকুল ২৪৪(এ) ৰ অধীনত ষ্টেট উইদিন দা ষ্টেটৰ ভিতৰত তেতিয়া এখন চাবষ্টেট লিখা হৈ গ'ল। তাৰপিছত তেওঁ ফুল ফ্লেজেদ ষ্টেট লৈ গুছি গ'ল ১৯৭১ ৰ ২১ জানুৱাৰীত। ডেট মিনচ্ প্ৰেকটিকেলী অসমৰ ক্ষেত্ৰত ২৪৪(এ) দিয়াৰ লগে লগে অসমৰ এটা হিউজ এৰিয়া গুছি গ'ল। মই চাৰ বিৰোধ কৰা নাই। কিন্তু পক্ষটো ক'বলৈ হ'লে অলপ ভাৰি চিন্তি

ক'ব লাগিব। গতিকে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত যিখন চৰকাৰ চলি আছে, কাৰ্বিআংলঙৰ সৰহ সংখ্যক বিধায়ক সেই চৰকাৰৰ অংশীদাৰ, মন্ত্ৰীও আছে। পজিটিভ লাইনত আমি কাৰো মান সন্মানত, কাৰো চেন্টিমেণ্টত আঘাট কৰিব নিবিচাৰো। পজিটিভ লাইনত চাৰ এই বস্তুটো যোৱা দৰকাৰ। মানে এক্সপেৰিএঞ্চ, পাচ এক্স পেৰিএঞ্চ আমাৰ ভাল নহয়। এই কথাটো চাৰ মই আপোনাক ক'লো। গতিকে যিকোনো সি্দ্ধান্ত হুৰাহুৰিকৈ লোৱাতকৈ, আজিটো ডিচিশ্যন নহয়, আজিটো ডিচকাশ্যন হৈছে। এইটো খুব চেনচিটিভ বস্তু। গতিকে এই ক্ষেত্ৰত গভীৰ ভাৱে অধ্যয়ণ কৰি আনকি constitutional expert ৰ লগত আলোচনা কৰি এইবিলাক সিদ্ধান্ত লোৱাটো ভাল আৰু এটা কথা কৈ মই শেষ কৰিম। সেইটো হ'ল ইনাৰ লাইন পাৰমিট। এই কথাটো চাৰ সিদিনাখন উল্লেখ হৈছিলে। আকৌ মই কৈছো কাৰ্বিআংলং, ডিমা হাচাও আমাৰ পাৰ্ট হয়। কিন্তু ইনাৰ লাইন পাৰমিটটো আহিল ক'ৰ পৰা। ইনাৰ লাইন পাৰমিটটো আহিল ফ্ৰণ্টএয়াৰ ৰেগুলেশ্যন এক্ট, ১৮৮৪। মই অৰুণাচল বোৰ্ডাৰৰ মানুহ। মোৰ নাওবৈচাৰ লগতে অৰুণাচল। আমি তাত গ'লে পাচ লৈ যাব লাগে। ইনাৰ লাইন পাচ লৈ যাব লাগে। কাৰণ অৰুণাচল এখন বেলেগ ৰাজ্য। যেতিয়া বৃটিছে এই ফ্ৰণ্টেয়াৰ ৰেগুলেশ্যন এক্টৰ অধীনত এইটো কৰিছিল। ঠিক আছে। ট্ৰাইবেল মানুহক প্ৰটেক্ট কৰাৰ কাৰণে এইটো কৰিছিল। আমি এগ্ৰি কৰিছো। কিন্তু যিহেতুকে কাৰ্বিআংলং , ডিমা হাচাও আৰু ৰেষ্ট কাৰ্বিআংলং এতিয়ালৈকে আমাৰ অসমৰ পাৰ্ট আৰু আমি আশা কৰিছো আজীৱন আমাৰ অসমৰ লগত থাকিব। গতিকে ইনাৰ লাইন পাৰমিটটোৰ ক্ষেত্ৰটো চাৰ ভাবিব লগীয়া কথা আছে। ঘপককৈ দি দিলে ঘটনাটো কি হ'ব, এইবিলাক চেণ্টিমেণ্টেল কথা। আমি কাৰো চেণ্টিমেণ্টত আঘাট কৰা নাই। মইজাষ্ট লিগেল প্ৰভিজন খিনি হে কৈছো। আমাৰ পাৰলিয়ামেণ্টৰী এফেয়াৰচ্ মিনিষ্টাৰ আছে। মই অনুৰোধ কৰিছো যে এই বিলাক সিদ্ধান্ত যেতিয়া আপোনালোকে ল'ব খুব গভীৰ ভাৱে ভাবি চিন্তি লোৱাটো ভাল। কাৰণ আমাৰ অসমখন ভাঙি ভাঙি মেঘালয়, মিজোৰাম, নাগালেণ্ড, নেফা হৈ গুছি গ'ল। আমি সকলোৰে একেলগে থকাটো দৰকাৰ। লাগিলে পাৱাৰ বহুত বেছি দিয়া হওঁক, ফাইনেন্সাৰ বহুত বেছি দিয়া হওঁক, সাংবিধানিক ক্ষমতা বহুত বেছি দিয়া হওঁক কিন্তু এইবিলাক সিদ্ধান্ত লওঁতে অলপ ভাবি চিন্তি লোৱাটো দৰকাৰ। বক্তব্য চাৰ দীঘলীয়া নকৰো। ড° ৰনোজ পেগু ডাঙৰীয়াই কাৰ্বিআংলং, ডিমাহাচাও, নৰ্থ কাছাৰ কেনেকৈ আগুৱাই নিব পৰা যায়, কেইটামান পৰামৰ্শ আগবঢ়াইছিল। খুব প্ৰেকটিকেল পৰামৰ্শ। কাৰণ তেখেতও মিচিং অটনমাচ কাউঞ্চিলৰ চীফ এক্সিকিউটিভ মেম্বাৰ আছিল। ইডুকেশ্যন, লাইভলিহুড আৰু ট্যুৰিজিম এই তিনিটা ক্ষেত্ৰত যদি আমাৰ চৰকাৰখনে তাত বহুত কাম কৰে মোৰ বোধেৰে এই যে ভাৰটো আমাক দিশপুৰে ভাল চকুৰে নাচায়, মোৰ বোধেৰে এইটো অলপ কমি যাব। তাৰপিছত চাৰ মাননীয় বিধায়কশ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এটা মাৰাত্মক কথা কৈ গৈছে দুৰ্নীতিৰ বিষয়ে। এক হাজাৰ কোটি টকাৰ কেলেংকাৰীক লৈ পেপাৰে পত্ৰই খুউব হুলস্থূল হৈছিল। এই কথা বোৰো আমি চাব লাগে। মই কোৱা নাই যে সকলো লোকে দূৰ্নীতি কৰে। কোনেও যাতে এই ভুল নুবুজে আৰু এটা কথা যোগ দিব বিচাৰিছো যে Political Stability. যিকোনো ঠাই, যিকোনো দেশ, যিকোনো ৰাজ্যক যদি আমি Political Stability দিব নোৱাৰো উন্নতিত ব্যাঘাত জন্মিব। গতিকে এই Political Stability ৰ ক্ষেত্ৰটো আমি চাব লাগে। এতিয়া আমাৰ ৰাজ্যত Political Stability আছে আৰু আশা কৰিছো যে এনেকৈয়ে থাকক। কিন্তু আগৰ ইতিহাস যদি চোৱা যায়, BTC ৰ বাহিৰে যিখিনি স্বায়ত্ব শাসিত পৰিষদ আছে, মই BTC ৰ কথা কোৱা নাই কাৰণ BTC ত এতিয়ালৈকে Political Un-stability হোৱা নাই। গতিকে Political Stability ৰ ক্ষেত্ৰতো আমি

যিসকল নিৰ্বাচিত প্ৰতিনিধি আছো, তাৰ যিসকল প্ৰতিনিধি আছে এই কথা সমূহ গুৰুত্বসহকাৰে ল'ব লাগে। মোক এইখিনি কথা ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য মই সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আজি মোৰ হাতত বেছি সময় নাই। শ্ৰী ৰাজদ্বীপ গোৱালা আৰু শ্ৰী কমলাক্ষ্য দে ডাঙৰীয়াই ক'বলৈ বিচাৰিছিলে। আপোনালোকৰ এজনে কওঁক। এতিয়া শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কওঁক। আপোনালোকে কথাখিনি চমুকৈ ক'ব। মই সদনৰ সময় পাঁচ, ছয় মিনিট মান বঢ়াম কাৰণ কিছুমান announcement কৰিবলৈ আছে আৰু যিসকল সদস্যই আজি ক'বলৈ বিচাৰিছিল কিন্তু সময়ৰ অভাৱৰ বাবে ক'ব নোৱাৰিলে, তেওঁলোকে মোক লিখিতভাৱে দিব। সেই প্ৰতিবেদনখন চৰকাৰক দিম। সেইখিনি Part of the speech হৈ যাব। এতিয়া শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই ক'ব।

**শ্ৰী প্ৰদীপ হাজৰিকা, বিধায়ক (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো বিষয় আমাক আলোচনা কৰিবলৈ দিলে তাৰ বাবে আপোনাক ধন্যবাদ জনাইছো। আমাৰ Hill District ৰ Socio Economic uplifment বিষয়টো আলোচনাৰ বাবে আগবঢ়াইছে। মই এদিন কৈছিলো যে আমাৰ অসমত বহুতো Unrepresent Community আছে যিসকলে কথা ক'বৰ কাৰণে সুবিধা নাপায়। আজি অৱশ্যে এই দুয়োখন জিলাৰ মানুহ আছে। কিন্তু প্ৰায় ৪০ টা মান জাতি এই কাৰ্বি আংলং আৰু ডিমাহাচাও জিলাতে আছে। ইয়াত বহুতো Unrepresent Community ইয়াৰ লগতে অসমৰ বিভিন্ন জিলাত আছে। যিসকলে ক'বলৈ সুবিধা নাপায়। সেয়েহে তেওঁলোক বহুত পিছপৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** কিন্তু during the Stakeholder meeting lots of People from different community, diffrenet Organisation ৰ পৰা আহিছে আৰু তেওঁলোকে নিজৰ কথাবোৰ কৈছে আৰু যদি কিবা কথা আছে মোক লিখিতভাৱে দিব।

**শ্ৰী প্ৰদীপ হাজৰিকা, বিধায়ক (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ অতীতলৈ যাবলৈ বিচাৰিছো। আমাৰ চাওলুং চুকাফাই অসম শাসন কৰাৰ আগতে ইয়াত কছাৰীসকলে শাসন কৰিছিল। এখেতসকলৰ ৰাজ্য আমাৰ কলঙৰ পৰা একেবাৰে দিখৌ, দিচাং আৰু দিহিঙলৈকে আছিল। বাংলাদেশৰ ছিলেটও তেওঁলোকৰ ৰাজ্য আছিল। এই ভূমি পুত্ৰসকলৰ আহোম স্বৰ্গদেউৰ লগত দুখন যুদ্ধ হৈছিল। আহোমসকল পৰাস্ত হৈছিল আৰু তৃতীয়খনত আহোম স্বৰ্গদেউৰ এগৰাকী ৰাজকোঁৱৰী কছাৰী ৰজাৰ লগত বিয়া হৈছিল আৰু তেওঁলোকৰ লগত এটা বুজাপৰা হৈছিল । বুজাপৰা হোৱাৰ পিছত তলতীয়া হৈ আছিল। মাননীয় অধ্যক্ষ মহোদয়, মই এই দিশটো এইকাৰণেই আনিব বিচাৰিছো যে আপুনি Socio Economic uplifment ৰ কথা কৈছে। তেখেতসকলৰ অতীতটো অলপ হ'লেও চাব লাগিব। তেখেতসকলৰ ৰাজধানী মাইবঙ, ডিমাপুৰ, সাচপুৰত আছিল।

**মাননীয় অধ্যক্ষ ঃ** মই হাউচৰ সময় আৰু পাঁচ-দহ মিনিট বঢ়াই লৈছো।

**শ্ৰী প্ৰদীপ হাজৰিকা, বিধায়ক (আমগুৰি) ঃ** ডিমাপুৰত যেতিয়া ৰাজধানী আছিল তেতিয়া যিজন ৰজা আছিল, সেই ৰজা কেইজনমানৰ নাম কৈ দিব বিচাৰিছো। বিচাৰ প্ৰতিফা, বিক্ৰমাদিত্যফা, মহামায়াফা, মণিকফা, লডাফা, খোৰংফা, খুংখুৰাংফা, ডিচাংফা এইসকল যেতিয়া ডিমাপুৰত ৰাজধানী আছিল তেতিয়া ৰজা আছিল। মাইবঙত যেতিয়া ৰাজধানী আছিল নিৰ্ভয় নাৰায়ণ১৫৪০ ৰ পৰা ১৫৫০ লৈ ৰজা আছিল। দুৰ্লভ নাৰায়ণ ৰজা আছিল ১৫৫০ ৰ পৰা ১৫৭৬লৈ। মেঘানাৰায়ণ আছিল ১৫৭৬ত-১৫৮৩। সুকুৰ বৰ্মন আৰু প্ৰতাপ নাৰায়ণ ৰজা আছিল ১৫৮৩ আৰু ১৬১৩ ত।

হিমানদফা নাৰায়ণ ৰজা আছিল ১৬৩৭ত। ইন্দোবল্লভ নাৰায়ণ আছিল ১৬৩৭ত। বীৰদৰ্পপা নাৰায়ণ আছিল ১৬৮১ ত। গুৰু ধ্বজ নাৰায়ণ আছিল ১৬৮২ ত। কনধ্বজ নাৰায়ণ আছিল ১৬৯৯-১৭১৮ ত।

**মাননীয় অধ্যক্ষ ঃ** এনেকৈ ক'লে সময় বেছি লাগিব ।আপুনি এইখিনি কথা লিখিতভাৱে দিব।

**শ্ৰী প্ৰদীপ হাজৰিকা, বিধায়ক (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাছাৰ ৰাজ্যত এইসকল ৰজাৰ ৰাজ্য আছিল আৰু লগতে ছিলেটখনো অন্তৰ্ভুক্ত আছিল। এইদৰে কছাৰী ৰাজ্যখন এখন বৃহৎ ৰাজ্য আছিল। যিহেতু কাৰ্বি আংলং আৰু ডিমাহাচাওৰ কথাটো আপুনি আনিছে, অৰ্থ্যৎ কিমান ডাঙৰ ৰাজ্য এখনৰ পৰা মানুহ আহি আহি Economic uplifment ৰ কথা আমি আলোচনাৰ বাবে লৈছো। এইসকল মানুহ আছিল যুদ্ধা। মহাভাৰতৰ ঘটোৎকচ হিড়িম্বাপুৰৰ বীৰ পুত্ৰ আছিল। তেওঁ হিড়িম্বা আৰু ভীমৰ পুত্ৰ আছিল। তেওঁ মহাভাৰতত বহুত নাম কৰিছিল, বভ্ৰুবাহনে নাম কৰিছিল। তাৰ মানে ৰাষ্ট্ৰীয় পৰ্য্যায়তো আমাৰ এই বীৰসকলে যুদ্ধ ক্ষেত্ৰত বীৰত্ব প্ৰকাশ কৰিছিল। ৰাজতন্ত্ৰৰ পৰা বৃটিছ শাসন আহিল আৰু তাৰ পৰা আমি গণতন্ত্ৰলৈ আহিলো। আজি যদি এইসকল লোকৰ Socio-Economic uplifment ৰ বিষয়ে আলোচনা কৰিবলৈ হয়, তেতিয়াহ'লে তেওঁলোকৰ জীৱনধাৰণ, স্বভাৱ, ফুৰা-চকা, সাজপাৰ পৰিধান, খাদ্যৰ পৰা আদি কৰি তেওঁলোকৰ গোটেই সমাজ ব্যৱস্থাৰ বিষয়ে আমি চাব লাগিব। তাৰ পিছতহে পলিচি ল'ব লাগিব। আমি মন কৰিব লাগিব যে ৬ শ, ৭ শ বছৰ ৰাজত্ব কৰাৰ পিছত এই মানুহবিলাক গণতান্ত্ৰিক যিটো ব্যৱস্থা তাত প্ৰতিবাদ কৰিবলৈ হঠাতে আহিব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো ব্যৱস্থা লৈছে, This is the best way to bring all these people together. চাওলুং চুকাফাই সাত ৰাজ মাৰি এক ৰাজ কৰিছিল। তাৰ পিচত মানুহবোৰ আঁতৰি গুচি গ'ল। ইয়াৰ নিশ্চয় এটা কাৰণ থাকিব। আজি Article-244 ৰ কথা কৈছে, ষষ্ঠ অনুচ্ছেদৰ কথা কৈ আছে। এই বিষয়ে সকলোৱে আলোচনা কৰি আছে। সেয়েহে মই পুনৰ ক'ব বিচৰা নাই যে কিয় তেওঁলোক আঁতৰি যাব বিচাৰিছে। এনেকুৱা এটা বীৰ জাতি, বীৰ সমাজৰ ভিতৰলৈ সোমাই তেওঁলোকৰ অন্তৰৰ কথা বুজি যাতে আমি কাম কৰিব পাৰো তাৰ বাবে চেষ্টা কৰিব লাগে। সেইকাৰণে যিসকলে পৰামৰ্শ দিছে তেওঁলোকৰ লগত মইয়ো ক'ব বিচাৰিছো যে এখেতসকলৰ শিক্ষাৰ বিষয়ে ক'ব বিচাৰিছো যে আমি শ্বিলঙৰ নিচিনা এখন চহৰ আমি কিয় বনাব নোৱাৰো। আমাৰ কাৰ্বি আংলং, ডিমাহাচাও, হাফলং, মাইবং আদিত যিবোৰ ঠাই আছে, সেইবোৰলৈ আমি শ্বিলঙতকৈ ভাল ঠাই বনাব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** অৰ্থাৎ Educational Township নেকি?

**শ্ৰী প্ৰদীপ হাজৰিকা, বিধায়ক (আমগুৰি) ঃ** Education ৰ ক্ষেত্ৰত Hill University আমি বনাব পাৰো। তেওঁলোকৰ তাত আমি Hill University, Medical College, Engineering College বনাব পাৰো। কিন্তু কালি মই দেখিলো যে, Stakeholder বোৰে পানীৰ অসুবিধাৰ কথা কৈছে। আজি আমাৰ সতীৰ্থ এজনে বিজুলীৰ অসুবিধাৰ কথা কৈছে। নাগালেণ্ড, মেঘালয়ত লাইট জ্বলি থাকে কিন্তু তেওঁলোকৰ তাত কাৰেণ্ট নাথাকে। গতিকে এনে ধৰণৰ ঘটনা কি কাৰণত হৈছে? এই মানুহখিনিয়ে এটা সময়ত গোটেই অসমখন শাসন কৰিছিল আৰু এতিয়া তেওঁলোক আহি কাৰ্বি আংলং, ডিমা-হাচাওৰ নিচিনা ঠাইত আহি সোমাইছে। সেই কথাটো কিন্তু আমি in broader perspective কোনেও লোৱা নাই। আজি এই বিষয়টো আপুনি আলোচনাৰ বাবে আনিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি অসম বিধান সভাৰ কেন্দ্ৰীয় সভাকক্ষত চাহ বাগিছাৰ মানুহসকলৰ বাবে যি আলোচনা কৰিলে মই ভাবো we will have to look for

their Socio-Economic Upliftment. আৰু তাৰ পৰাই planning টো আনিব লাগিব। এনে হ'লেহে সেই ঠাইখন Tourism ৰ ক্ষেত্ৰতেই হওঁক বা Horticulture, Agriculture, বা অন্য ক্ষেত্ৰত আগুৱাই নিব পৰা যাব। গতিকে, এই ক্ষেত্ৰত মানুহক এটা input দিব লাগিব। ইয়াৰ বাবে চৰকাৰেও ইচ্ছা কৰিব লাগিব। মালিকে যদি গুৰুত্ব দিয়ে তেতিয়াহে হ'ব। মই আৰু দীঘলীয়া নকৰি এই কথাখিনিকে কৈ মই আশা ৰাখিছো যাতে আজিৰ যি আলোচনা, সেই আলোচনা সাৰ্থক হওঁক আৰু এই অঞ্চলৰ মানুহৰ মনৰ যি ক্ষোভ সেইবোৰ নাইকিয়া হওঁক। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ যিখিনি Historical কথা আছে সেইখিনি মোক লিখিত ভাৱে দিব, সেইখিনি মই speech ত অন্তৰ্ভূক্ত কৰিম। ধন্যবাদ। এতিয়া শ্ৰীৰাজদ্বীপ গোৱালা।

**মাননীয় শ্ৰীৰাজদ্বীপ গোৱালা ঃ** Hon'ble Speaker Sir, I would like to thank you for giving me the opportunity to speak on this very important issue "The Socio-Economic upliftment of the hill district of Assam" that you have brought up under your initiative. স্যার আমি বলতে চাই এই বিষয়ে Socio-Economic upliftment of the hill district of Assam তার জন্য অত্যন্ত জরুরি একটা পদক্ষেপ যদি সরকার নেয়, বিশেষ করে মহাসড়কের Project. এই মহাসড়ক Project যদি complete হয় তাহলে শুধু বরাকের জন্য নয়, এই দুই district এর জন্যও অনেক economic upliftment হবে। এখন যেহেতু whole trading এর transportation মেঘালয়ে হয়ে সব গাড়ীর চলছে, তা সমস্থ এই দুই জেলার রাস্তায় হবে। এবং আমরা যারা বরাকবাসী আছি আমাদের যখন গুয়াহাটী আসতে হয় শিলচর থেকে তখন আমারা এই জেলা দিয়ে আসব। এর সঙ্গে সঙ্গে বিভিন্ন বিষয় আছে, I tried to be very brief, I will summarise this. বিশেষ করে, এই hill district এর উন্নয়নের জন্য শিক্ষার ব্যাপারে অনেকেই বলেছেন। শিক্ষার জন্য Higher Educational Institution এই দুই জেলায় দিতে হবে। আমি সুযোগ পেয়েছিলাম হাউস কমিটিতে একটা spot study তে এবং আমি দেখেছি এই দুই জেলায় শিক্ষার মান যদি উন্নত করা হয় তাহলে নিশ্চয়ই socio-economic upliftment হবে। এর সঙ্গে সঙ্গে even sports education, sports এর যেন গুরুত্ব দেওয়া হয় এই দুই জেলায়। অনেক sporting talent আছে এই দুই জেলায়। এবং এদেরকে যেন এই সুযোগ দেওয়া হয়। আর একজন বিধায়ক বলেছেন Village Development Council এর বিষয়ে। যখন আমরা House Committee তে যাই তখন আমারা দেখি কি অনেক গ্রাম উন্নয়নের কাজ_PMAY, MGNREGA বিভিন্ন ধরণের P&RDযে কাজ গুলো সেটা অনেক দেরী হয় execute হতে। কারণ এই দুই জেলায় যেহেতু autonomus council আছে, পঞ্চায়তী রাজ Institution নেই। এই কারণে এই কাজ গুলি করতে অনেক অসুবিধা এবং দেরী হয়। তার জন্য Village Development Council যদি গঠন করা হয় এবং গাওঁ পঞ্চায়েতের system এ যদি কাজগুলো করা হয় তাহলে অনেক গ্রাম উন্নয়নের কাজ সেখানে করা যাবে। আমরা অনেক সময় দেখি আমাদের অসমের বিভিন্ন রাজ্য যার সঙ্গে আমাদের বর্ডার আছে অনেক সময় কিছু সমস্যা হয়ে দাড়ায়। আমি বলব অসমের এই দুই জেলা অসমের সম্পদ। এর territory কে কি ভাবে আমরা বাঁচাতে পারি, কি ভাবে territory টা define করে ভালো করে যদি demarked করে রাখা হয়। আজকে

হয়তো কোন অসুবিধা নেই ভবিষ্যতে হয়তো বা হতে পারে। এই জন্য আমাদের এই territory বাঁচানোর চেষ্টা করতে হবে। তার সঙ্গে আমি বলব সেখানে মাইনিং এর কথা এসেছে । অনেক সময় illegal mining এর কথা আমরা শুনি। একটা Definite mining policy এই দুই জেলার জন্য দরকার আছে। এবং বিশেষ করে এখানে অনেক forest এবং natural resources আছে, that is why it is our asset. এটাকে কিভাবে আমরা বাঁচাতে পারি। তার জন্য বিশেষ পদক্ষেপ নেওয়া আমি মনে করছি জরুরি। Forest resource এবং natural resource কে বাঁচানোর জন্য যদি Government এর পক্ষ special grant থেকে এবং special incentive দুই জেলা কে বা দুই council কে দেওয়া হোক তার জন্য আমি সরকারকে অনুরোধ করব। তার সঙ্গে agriculture, horticulture, sericulture, tourism এবং small and medium enterprises যদি গড়ে তোলা হয় তাহলে definitely এই অঞ্চলে socio-economic upliftment নিশ্চয়ই হবে। আরেকটি বিষয় যেটা এসেছে দূর্নীতির ব্যপরটা। অনেক সময় আমরা দেখি CAG report অনেক objection, CAG পক্ষ থেকে আসে। এই objection গুলো আসে due to utilization বা বিভিন্ন ধরনের financial norms, financial guidelines, FRBM norms গুলো follow করা হয় না। এর জন্য বিশেষ করে সরকারকে আমি অনুরোধ করব । যদিও এই বিষয়ে আমাদের সরকারের পক্ষ থেকে autonomy আছে that is fine, কিন্তু সরকারের পক্ষ থেকে administrative, technical, financial যেটা support করার দরকার আছে এবং কিভাবে সময়ে যদি utilization দেওয়া হয় তখনই তারা fund পাবে। অনেক সময় তাদের fund release হয় না due to non submission of utilization certificate। এর জন্য বিশেষ করে আমরা administrative support যদি এই council বা district কে দেই, তাহলে সময় মত utilization certificate দেওয়া হবে এবং এই scheme গুলো execute করা হবে। তখন কিন্তু অনেক সময় এই দূর্নীতির কথা আসবে না। যেহেতু it is an important part of our state, আমি মনে করছি এর জন্য সরকারকে বিশেষ ধ্যান দিতে হবে। এবং সব থেকে বড় আমি আবারও বলতে চাই আমাদের যে মহাসড়ক project এটা যদি complete হয় তাহলে এই দুই জেলার অনেক বেশী উন্নতি হবে। এই কথা গুলো বলে আমার বক্তব্য এখানে শেষ করছি। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ**Thank You. এতিয়া পাঁচ বাজি বাৰ মিনিট হৈছে। এই বিষয়টিত আজি ইতিমধ্যে কম বেছি পৰিমাণে সোতৰজন বক্তাই তেওঁলোকৰ বক্তব্য ৰাখিছে। কিন্তু আমি পাঁচজনক বক্তব্য ৰাখিবলৈ দিব নোৱাৰিলো। শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াইও অলপ দেৰিকৈ আহিলে যাৰ বাবে তেওঁকো দিব নোৱাৰিলো। আমি আৰু আলোচনা কৰিব পাৰিলো হেঁতেন কিন্তু আমাৰ সময়ৰ অভাৱ। আমি আজি সদনত এনে ধৰণৰ issue বোৰত আলোচনা কৰিছো কাৰণ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনত আমাৰ আলোচনাৰ মাজত এই issue সমূহৰ কথা অহাটো বিচাৰিছিল। Leader of the opposition ৰ লগতো আমি কথা পাতিছিলো। তেখেতেও এই বিষয়বোৰত আলোচনা হোৱাটো বিচাৰিছিল। এইটো খুউব ভাল কথা যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি সদ্ ইচ্ছা সেইটো বিৰোধী দলৰ দলপতিয়েও সঁহাৰি জনাইছে। এই কথাবোৰ আমি কোনো দলীয় ভাবে চৰ্চা নকৰি অসমৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত বিভিন্ন জনগোষ্ঠীৰ আৰ্থসামাজিক সমস্যাবোৰ যদি আমি আলোচনা কৰো তেন্তে এটা message যাব যে অসম বিধান সভাইও তেওঁলোকৰ কথা চিন্তা কৰিছে।

আগতে এনে ধৰণৰ scope নাছিল কাৰণ আমাৰ কিছু নীতি নিয়মৰ মাজেৰে কৰিব লাগিছিল। সেয়েহে আপোনালোকৰ আৰ্শীবাদত অধ্যক্ষ হোৱাৰ পিছত মই এই কথাবোৰ ভাবিছো আৰু অসম বিধান সভাৰ ১২৬ জন সদস্য আছে গতিকে সকলোৱেই এই বিষয়বোৰত গুৰুত্ব দি আগবাঢ়িলে নিশ্চয় কাম হ'ব। কেইবাজনো মাননীয় সদস্যই কৈছে যে তেওঁলোকে মোক লিখিত দিব। গতিকে মই তেওঁলোকৰ লিখিতখিনি গ্ৰহণ কৰি ইয়াত সন্নিবিষ্ট কৰিম। ২৫ তাৰিখৰ আলোচনাত কেতবোৰ কথা আমি দেখিবলৈ পাইছিলো যে, কাৰ্বি-আংলংত আৰ্থসামাজিক সমস্যা, পথ, শিক্ষা, স্বাস্থ্য, খোৱাপানী, নিযুক্তি আদি সমূহৰ সমস্যা অন্যতকৈ বেছি। তাৰ volume টো বৰ ডাঙৰ। কিন্তু মানুহৰ সংখ্যা কম কাৰণে আৰ্থিকভাৱে তেওঁলোকে যিটো পাব লাগে বা empower হ'ব লাগে Autonomous Council বিলাক, তেনেদৰে হোৱা নাই। এই ক্ষেত্ৰত আমাৰ চৰকাৰে আলোচনাৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি এই কথাটো অলপ হলেও আগবঢ়াই দিব। Financial Empowerment ৰ লগতে আন এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে আমি কেনেকৈ দুৰ্নীতি ৰোধ কৰিব পাৰো, তাৰ ওপৰতো নিশ্চয় চকু দিব লাগিব। দ্বিতীয় কথাটো হৈছে যে, তাত এটা ৰাজনৈতিক সমস্যাও আছে, সেইদিনা আমি আৰ্থ সামাজিক কৈছো যদিও বহুতে ৰাজনৈতিক কথাটো কৈছে। এই ৰাজনৈতিক সমস্যাৰ ওপৰত মামুন ইমদাদুল হক ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে যে এইবিলাক হয় কেলেই ? এই অসামান্যতাটো দুৰ কৰিব পাৰিলে হয়তো সেইবিলাক নোহোৱা হলেহেঁতেন। মই detail comment নকৰো। কিন্তু এনেকুৱা ধৰণৰ কথা এটা হৈছে। এটা ৰাজনৈতিক আৰু এটা আৰ্থ সামাজিক। আপোনালোকে এইবিলাক বিষয় যিহেতু খুৱ সুক্ষ্মভাৱে আলোচনা কৰিছে, ইয়াৰ পাছত চৰকাৰে এই বিষয়বিলাকৰ ওপৰত ৯০ দিনৰ ভিতৰত এটা report দিব।

আপোনালোকৰ সহযোগীতাৰ বাবে আপোনালোকক ধন্যবাদ জনাইছো। ইয়াৰ উপৰিও আমাৰ আৰু দুটা অঞ্চল, বৰাক ভেলী আৰু চৰ-চাপৰি অঞ্চল কেইটাৰ লগত details কথা পাতিবলৈ সুযোগ পোৱা নাই। মই বিৰোধী দলপতি আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতো কথা পাতিছো। ইয়াৰ উপৰিও আমাৰ plan Tribe ৰো Autonomous Council সমূহ আছে। Schedule caste লোকসকলো আছে। আমি তেওঁলোকৰ লগতো কথা পাতিলে তেওঁলোকৰ বহুতো অসুবিধাৰ বিষয়ে জানিব পাৰিম।

**শ্ৰী ছুম ৰংহাং, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুষাৰমান ক'ব বিচাৰিছো।

আজি বিশেষভাৱে আপুনি লোৱা Initiative ৰ বাবে আপোনাক অশেষ ধন্যবাদ জনাইছো আৰু বিশেষকৈ আমাৰ সদনৰ সকলো বিধায়ককো তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া এই বিষয়টো ইয়াতে সামৰণি মৰা বুলি ঘোষণা কৰিছো। ইয়াৰ বাবে মই মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিৰোধী দলপতি ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো।

এতিয়া কেইটামান ঘোষণা আছে- মই এতিয়া অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰিচালনা পৰিষদলৈ নিৰ্বাচিত হোৱা মাননীয় সদস্য গৰাকীৰ নাম ঘোষণা কৰিবলৈ লৈছো।

অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰিচালনা পৰিষদলৈ নিৰ্বাচিত হ'বলগা সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা একে হোৱাত মই মাননীয় সদস্য শ্ৰী ইমানুৱেল মুছাহাৰীক অসম কৃষি বিশ্ববিদ্যালয় পৰিচালনা কৰিবলৈ সৰ্ব্ব সন্মতিক্ৰমে সদস্য হিচাপে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো।

মই এতিয়া অসম বড়োলেণ্ড বিশ্ববিদ্যালয় কোৰ্টলৈ নিৰ্বাচিত হোৱা মাননীয়

সদস্যসকলৰ নাম ঘোষণা কৰিবলৈ লৈছো।

বড়োলেণ্ড বিশ্ববিদ্যালয় কোৰ্টলৈ নিৰ্বাচিত হ'বলগা সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা একে হোৱাত মই নিম্ন লিখিত ৭ গৰাকী মাননীয় সদস্য ক্ৰমে শ্ৰী অশোক কুমাৰ সিংহী, শ্ৰী অশ্বিনী ৰয় চৰকাৰ, শ্ৰী কমল সিং নাৰ্জাৰী, শ্ৰী ৰবিৰাম নাজৰী, শ্ৰী চৰণ বড়ো, শ্ৰী সত্যব্ৰত কলিতা আৰু শ্ৰী আব্দুল খালেকক বড়োলেণ্ড বিশ্ববিদ্যালয় কোৰ্টলৈ নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো। মই এতিয়া কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কোৰ্টলৈ নিৰ্বাচিত হোৱা মাননীয় সদস্য গৰাকীৰ নাম ঘোষণা কৰিবলৈ লৈছো।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কোৰ্টলৈ নিৰ্বাচিত হ'বলগা সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা একে হোৱাত মই মাননীয় সদস্য শ্ৰী প্ৰশান্ত ফুকনক উক্ত বিশ্ববিদ্যালয়ৰ কোৰ্টৰ সদস্য হিচাপে সৰ্ব্বসন্মতিক্ৰমে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো।

ইয়াৰ উপৰিও অহা ডিচেম্বৰৰ ৩ তাৰিখৰ পৰা বৰ্তমানৰ সমিতি সমূহৰ ম্যাদ শেষ হ'ব। গতিকে ইলেকটেড কমিটি সমূহৰ ঘোষণাও ইয়াতে কৰি দিছো।

## <u>ঘোষণা</u>

<u>০৫-১০-২০১৮</u>

### ১) চৰকাৰী হিচাব সমূহৰ সমিতি

নিৰ্বাচন হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম সংখ্যক হোৱা বাবে নিমোক্ত সদস্য সকলক চৰকাৰী হিচাব সমূহৰ সমিতিত সৰ্ব্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল-

| | | |
|---|---|---|
| ১) শ্ৰী প্ৰশান্ত ফুকন | - | বিধায়ক |
| ২) শ্ৰী পদ্ম হাজৰিকা | - | বিধায়ক |
| ৩) শ্ৰী বীৰ ভদ্ৰ হাগজেৰ | - | বিধায়ক |
| ৪) শ্ৰী ঋতুপৰ্ন বৰুৱা | - | বিধায়ক |
| ৫) শ্ৰী মতী আংগুৰলতা ডেকা | - | বিধায়ক |
| ৬) শ্ৰী মতী সুমন হৰিপ্ৰিয়া | - | বিধায়ক |
| ৭) শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা | - | বিধায়ক |
| ৮) শ্ৰী উৎপল দত্ত | - | বিধায়ক |
| ৯) শ্ৰী ৰবিৰাম নাৰ্জাৰী | - | বিধায়ক |
| ১০) শ্ৰীৰাজদ্বীপ গোৱালা | - | বিধায়ক |
| ১১) শ্ৰী ওৱাজেদ আলী চৌধুৰী | - | বিধায়ক |
| ১২) শ্ৰীআব্দুল খালেক | - | বিধায়ক |
| ১৩) শ্ৰী হাফিজ বচিৰ আহমেদ | - | বিধায়ক |

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮(১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰী ৰাজদ্বীপ গোয়ালাক সভাপতি হিচাপে নিৰ্বাচিত কৰা

হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**<u>ঘোষণা</u>**

**<u>০৫-১০-২০১৮</u>**

**২) ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি**

নিৰ্বাচন হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম সংখ্যক হোৱা বাবে নিমোক্ত সদস্য সকলক ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিত সৰ্ব্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল-

| | | |
|---|---|---|
| ১) শ্ৰী অতুল বৰা | - | বিধায়ক |
| ২) শ্ৰী তেৰছ গোৱালা | - | বিধায়ক |
| ৩) শ্ৰী ঋতুপৰ্ণ বৰুৱা | - | বিধায়ক |
| ৪) শ্ৰী কৃষ্ণেন্দু পাল | - | বিধায়ক |
| ৫) শ্ৰীমতী সুমন হৰিপ্ৰিয়া | - | বিধায়ক |
| ৬) শ্ৰী সুৰেন ফুকন | - | বিধায়ক |
| ৭) শ্ৰী প্ৰদীপ হাজৰিকা | - | বিধায়ক |
| ৮) শ্ৰী সত্যব্ৰত কলিতা | - | বিধায়ক |
| ৯) শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী | - | বিধায়ক |
| ১০) শ্ৰী শ্বেৰমান আলী আহমেদ | - | বিধায়ক |
| ১১) শ্ৰী ইলিয়াছ আলী | - | বিধায়ক |
| ১২) শ্ৰী আবুল কালাম ৰছিদ আলম | - | বিধায়ক |
| ১৩) শ্ৰী আব্দুৰ ৰহিম আজমল | - | বিধায়ক |

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮(১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰী অতুল বৰাক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**<u>ঘোষণা</u>**

**<u>০৫-১০-২০১৮</u>**

**৩) প্ৰাক্কলন সমিতি**

নিৰ্বাচন হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম সংখ্যক হোৱা বাবে নিমোক্ত সদস্য সকলক প্ৰাক্ কলন সমিতিত সৰ্ব্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল-

| | | |
|---|---|---|
| ১) শ্ৰী বিনন্দ কুমাৰ শইকীয়া | - | বিধায়ক |

২) শ্ৰী তেৰছ গোৱালা - বিধায়ক
৩) শ্ৰী আমিনুল হক লস্কৰ - বিধায়ক
৪) শ্ৰী অশোক সিংহল - বিধায়ক
৫) শ্ৰী মতী আঙুৰলতা ডেকা - বিধায়ক
৬) শ্ৰী বৃন্দাবন গোস্বামী - বিধায়ক
৭) শ্ৰী গুনীন্দ্ৰ নাথ দাস - বিধায়ক
৮) শ্ৰী মহেশ্বৰ বড়ো - বিধায়ক
৯) শ্ৰী দুৰ্গা ভুমিজ - বিধায়ক
১০) শ্ৰী কমলাক্ষ দে পুৰকায়স্থ - বিধায়ক
১১) শ্ৰী জাকিৰ হুছেইন সিকদাৰ - বিধায়ক
১২) শ্ৰী আমিনুল ইছলাম - বিধায়ক
১৩) শ্ৰী আবুল কালাম আজাদ - বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮(১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰী বৃন্দাবন গোস্বামীক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

এতিয়া মই ধন্যবাদ সূচক প্ৰস্তাৱটো পাঠ কৰিবলৈ লৈছো। চতুৰ্দশ অসম বিধান সভাৰ সপ্তম তথা শৰৎকালীন অধিবেশন ২৪-০৯-২০১৮ তাৰিখে আৰম্ভ হৈ মুঠ ৯ দিন সদনৰ কাৰ্য্য ক্ৰমনিকা সম্পন্ন হোৱাৰ অন্তত আজি ০৫-১০-২০১৮ তাৰিখে আৰু কেইটামান ক্ষণৰ পাছতে অন্ত পৰিব।

অধিবেশনৰ তৃতীয় দিনা অৰ্থাৎ ২৬-০৯-২০১৮ তাৰিখে সদনে শ্ৰী কৃপানাথ মাল্লা ডাঙৰীয়াক বিনা প্ৰতিদ্বন্দিতাৰে অসম বিধান সভাৰ উপাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰে।

বিধান সভাৰ কেউদিনৰ কাৰ্য্যসূচীত ৰাজ্যখনৰ জলন্ত সমস্যাকে ধৰি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত শাসকীয় আৰু বিৰোধী উভয় পক্ষৰ মাননীয় সদস্য-সদস্যা সকলে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীত সন্নিবিষ্ট নিয়মৰ আধাৰত সদনত উত্থাপন কৰি আলোচনা কৰাৰ সুযোগ লাভ কৰে আৰু উক্ত বিষয়বোৰৰ ওপৰত চৰকাৰী পক্ষৰ পৰাও চৰকাৰে গ্ৰহন কৰা কাৰ্য্য ব্যৱস্থাৱলীৰ বিষয়ে সদনত অৱগত কৰে। অধিবেশনৰ সকলো কাৰ্য্যসূচী সফলতাৰে সম্পন্ন কৰাৰ ক্ষেত্ৰত সন্মানীয় মখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰী সভাৰ সমূহ সদস্য, বিৰোধী দলৰ দলপতিকে ধৰি প্ৰতিটো বিধায়িনী দলৰ দলপতি আৰু শাসক বিৰোধী উভয় পক্ষৰ সমূহ সন্মানীয় সদস্যই আগবঢ়োৱা সহযোগীতাৰ বাবে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো।

বিধানসভা পৰিচালনাৰ ক্ষেত্ৰত সভাপতি মণ্ডলী, বিধান সভাৰ প্ৰধান সচিবকে ধৰি এই সচিবালয়ৰ প্ৰতি গৰাকী বিষয়া কৰ্মচাৰী, ইয়াৰ উপৰিও ৰাজ্যখনৰ মুখ্য সচিবকে ধৰি ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰী সকলক, নিৰাপত্তাৰ দায়িত্বত থকা আৰক্ষী বিভাগৰ সঞ্চালককে ধৰি বিষয়া জোৱান সকলক অসম বিধান সভাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ইয়াৰ উপৰি গুৱাহাটী দূৰদৰ্শন, আকাশবানী গুৱাহাটী কেন্দ্ৰ, বেচৰকাৰী টি ভি চেনেল সমূহকে ধৰি আৰু ইলেকট্ৰনিক আৰু ছপা মাধ্যমৰ সাংবাদিক সকলে অধিবেশনৰ কেউদিনৰ কাৰ্য্যসূচীৰ

বা-বাতৰি প্ৰচাৰ কৰি আমালৈ আগবঢ়োৱা সহযোগীতাৰ বাবে তেখেত সকললৈ অসম বিধান সভাৰ তৰফৰ পৰা মই ধন্যবাদ জ্ঞাপন কৰিলো।

এই পবিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালন কৰোতে অসম বিধান সভাৰ মাননীয় সদস্য-সদস্যা সকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ দিহা পৰামৰ্শ আৰু সহযোগীতাৰ বাবে মই পুনৰবাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো। শেষত শাৰদীয় দুৰ্গোৎসৱ উপলক্ষ্যে সকলোকে শুভেচ্ছা জনাই এই অধিবেশনৰ সামৰণি মাৰিছো। ধন্যবাদ। জয়হিন্দ।

এতিয়া মই সদনৰ কাম অনিৰ্দ্দিষ্ট কাললৈ স্থগিত ৰখা বুলি ঘোষণা কৰিলো।